দিল্লীৰ দুখৰীয়া ছবি

GAUHATI MUNICIPALITY
5 DEC 1969
গুৱাহাটী মিউনিচিপালিটি

অনু বৰুৱা

মিত্ৰ এজেন্সি এণ্ড কোং
তিনিচুকীয়া : অসম

: প্ৰকাশক :
॥ শ্ৰীনৰেন্দ্ৰ নাথ দাস ॥
মিত্ৰ এজেন্সি এণ্ড কোং
তিনিচুকীয়া, অসম

: প্ৰচ্ছদপট :
॥ পৰিকল্পনা—অঞ্জন বৰুৱা ॥
'কী ড্ৰয়িং'—বিজয় মণ্ডল

: মুদ্ৰক :
॥ শ্ৰীতিনকড়ি বাৰিক ॥
অনু প্ৰেছ
৫১, ঝামাপুকুৰ লেন
কলিকতা-৯

: প্ৰথম তাঙৰণ :
॥ জুলাই, ১৯৬৬ চন ॥

ছটকা পঁইসত্তৰ পইচা

যি হাঁহি থাকে,
যি সকলো সময়তে
তামোল খাই থাকে ;
দেশ আৰু ৰাইজৰ মঙ্গল
যাৰ জীৱনৰ একেটা মাথোন
স্বপ্ন,
সেইজন মানুহলৈ…

॥ কোৱা আৰু শুনাৰ সময় ॥

দিল্লীত থকা আজি কেইবাবছৰো হল। ইয়াৰ জীৱনটোত মাদকতা নাই যদিও বৈচিত্র্য আছে। এসময়ত দিল্লী মোগল, পাঠান আৰু ইংৰাজৰ ৰাজধানী আছিল। ইংৰাজৰ হাতে-গঢ়া প্ৰাসাদসমূহ এতিয়াও সজীৱ হৈ আছে। সেইদৰে মোগল-পাঠানসকলৰ ৰাজধানীৰ স্মৃতি-চিহ্নও ভগ্নাৱশেষসমূহৰ বুকুত এতিয়াও সজীৱ হৈ আছে। অৱশ্যে লালকেল্লা, কুতুবমিনাৰ এনেধৰণৰ প্ৰাচীন স্মৃতি-চিহ্ন-সমূহ ভগ্নাৱশেষলৈ ৰূপান্তৰিত নহৈ এতিয়াও ভাৰতীয় জীৱনৰ গৌৰৱোজ্জ্বল এক অধ্যায় সঞ্জীৱিত কৰি ৰাখিছে। 'দিল্লীৰ ডুখৰীয়া ছবি'ত এই পুৰণি ইতিহাসৰ স্মৃতি-চিহ্নসমূহৰ কথা মই লেখা নাই। ইয়াত যিমানদূৰ সম্ভৱ, বৰ্তমানৰ জীৱন্ত মানুহৰ কথা লিপিবদ্ধ কৰিবলৈ যত্ন কৰিছোঁ। মানুহ হে সঁচা, কাৰণ মানুহ যাদুঘৰৰ বস্তু নহয় আৰু কেতিয়াও হব নোৱাৰে।

দিল্লীৰ মানুহৰ ইতিহাসৰ কেইবাটাও পাৰস্পৰিক বিৰোধী দিশ আছে। এচাম মানুহৰ জীৱন হৈছে অতিপাত বিলাসী। নিশাৰ ক্লাবৰ যুৰীয়া নাচ, মদ, মাংস—তথাকথিত আধুনিকতাৰ পয়োভৰেৰে জাতিস্কাৰ। এইখন জগতক যি সত্য বুলি ভাবে বা এইখন জগতত যি নিজকে বুৰাই দিছে, সেইজনৰ মানসিক বা আধ্যাত্মিক উন্নতি হোৱা নাই আৰু হবও নোৱাৰে। কুকুৰৰ জাতি-বিচাৰে নাইবা অলঙ্কাৰৰ শোভাই নাইবা লিপ্‌ষ্টিকৰ প্ৰাদুৰ্ভাৱে মানুহৰ অন্তৰ কেতিয়াও পোহৰ কৰিব নোৱাৰে। মানুহ, মানুহ আৰু মানুহ বাবেই মহৎ।

এই দিল্লী চহৰতে এনে কিছুমান মানুহ আছে, যাৰ জীৱন উৰ্ম্মিলাৰ জীৱনৰ দৰেই কাব্যত উপেক্ষিত। আনহাতে, ভাৰতৰ আন অঞ্চলৰ দৰে এইশ্ৰেণী মানুহৰে সংখ্যা অধিক। ইয়াৰে কোনোৱে শিল ভাঙিছে, কোনোৱে মিস্ত্ৰীৰ কাম কৰিছে, কোনোৱে বৰ বৰ মানুহৰ ঘৰৰ চোতাল সাৰিছে। কোনোৱে সাপ নচুৱাই দুবেলা দুমুঠিৰ যোগাৰ কৰিছে। ইত্যাদি, ইত্যাদি। এনে মানুহৰ জীৱনৰ এটা তীৰ্থ আছে, এটা বৰঙণিও আছে। এনেবোৰ মানুহৰ অন্তৰ বহাগ-মহীয়া ৰ'দজাকৰ দৰেই ফৰকাল। এনেবোৰ মানুহৰ জীৱন-কাহিনীকে ঘাইকৈ মই 'দিল্লীৰ ডুখৰীয়া ছবি'ত লিপিবদ্ধ কৰিবলৈ যত্ন কৰিছোঁ। ইয়াৰ উপৰিও আমাৰ ৰাষ্ট্ৰপতি ডক্টৰ ৰাধাকৃষ্ণণৰ বিষয়েও দুআষাৰ লেখিছোঁ। কাৰণ, এইজন মহৎ ব্যক্তি, ভাৰতীয় সংস্কৃতিৰ উজ্জ্বল ভাস্কৰ। পণ্ডিত নেহৰুৰ বিষয়েও দুআষাৰ লেখিছোঁ। এইজন ব্যক্তি কিমান মহৎ আছিল, সেইষাৰ কথা উপলব্ধি কৰিব নোৱাৰিলে, আমাৰ জাতীয় জীৱনৰ ঐতিহ্য উপলব্ধি কৰাটো সম্ভৱপৰ নহয়।

'দিল্লীৰ ডুখৰীয়া ছবি' শৰাইত থৈ আমাৰ ৰাইজলৈ সেৱা জনাই আগবঢ়ালোঁ। ৰাইজে আমাৰ এই ক্ষুদ্ৰ প্ৰচেষ্টাক চেনেহৰ চকুৰে চালে অপৰিসীম আনন্দ পাম। তিনিচুকীয়াৰ শ্ৰদ্ধেয় নবেন দাসলৈ (মিত্ৰ এজেঞ্চি এণ্ড কোং) এইখিনিতে কৃতজ্ঞতা আগবঢ়ালোঁ। তেখেতে কিতাপখনৰ প্ৰকাশৰ দায়িত্ব গ্ৰহণ কৰাৰ কাৰণে শলাগ জনালোঁ। দুজন মানুহে—ৰাধিকামোহন ভাগৱতী আৰু নন্দ তালুকদাৰে—উদগনি নিদিয়া হলে, 'দিল্লীৰ ডুখৰীয়া ছবি' কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ অনুপ্ৰেৰণা সম্ভৱতঃ নাপালোহেঁতেন। এই দুয়োজনা আমাৰ উদীয়মান সাহিত্যিকলৈ মোৰ শুভ-ইচ্ছা ৰল। বেটুপাতৰ ছবিখন আঁকি দিয়াৰ বাবে আমাৰ সৰু লৰা অঞ্জনলৈ মৰম ৰল।

নতুন দিল্লী   অণু বৰুৱা

মাৰ্চ্চ, ১৯৬৬ চন

॥ দিল্লীৰ ডুখৰীয়া ছবি ॥

॥ ৰিহাৰ আঁচু ॥

(১) দিল্লীৰ ডুখৰীয়া ছবি

(ক) ঠেলাগাড়ী চলোৱা মানুহ
(খ) টাঙ্গা-চালক
(গ) কাপোৰ ইস্ত্রী কৰি ফুৰা মানুহ : প্রেছৱালা
(ঘ) বটল বেচা মানুহ
(ঙ) বন্দী পেপাৰৱালা
(চ) চাণ্ডু হৰিজন
(ছ) বাছৰ কণ্ডাক্টৰ
(জ) দিন-হাজিৰা কৰা মানুহ
(ঝ) বিয়াৰ বেণ্ডপার্টি
(ঞ) প্রাসাদ সাজোঁতা
(ট) অফিচৰ কেৰাণী
(ঠ) জুপুৰি ঘৰৰ বাসিন্দা
(ড) মটৰ গাড়ী চাফা কৰা লৰা
(ঢ) সাপ-নচুওৱা মানুহ
(ণ) মোহন হোটেল
(ত) টেক্সি-চালক

(২) ডি. টি. ইউ.
(৩) লালকেল্লাৰ চঁ এ লুঁমিঁয়েৰ
(৪) ৰাষ্ট্রপতি ৰাধাকৃষ্ণণৰ সৈতে সাক্ষাৎ
(৫) নেহৰু : এটি দিনৰ ডায়েৰী
(৬) হে দেৱতা বিদায়
(৭) নেহৰু : স্মৃতিৰ পাপৰি

॥ দিল্লীৰ ডুখৰীয়া ছবি ॥

প্ৰাচীন ঐতিহ্যপূৰ্ণ দিল্লী মহানগৰীত ২৬,০০,০০০ লোকৰ বসতি। মহানগৰীৰ আশে-পাশে ফুৰিলে মোগলৰ গৌৰৱময় ৰাজত্বৰ কালছোৱাৰ সঁহাৰি পোৱা যায়। ঠায়ে ঠায়ে এতিয়াও মূৰ দাঙি থকা ভগ্নস্তূপবোৰে মোগলবংশৰ খ্যাতিসম্পন্ন সমৃদ্ধিশালী দিনৰ কথা উন্মুকিয়ায়। পিছত জাঠসকলৰ আক্ৰমণত কেনেকৈ তেওঁলোকৰ এই ঐতিহ্য ক্ষুণ্ণ হোৱাৰ উপক্ৰম হৈছিল, আকৌ কেনেকৈ ইংৰাজৰ ৰাজত্বৰ কালছোৱাত বিশেষকৈ লৰ্ড কাৰ্জ্জনৰ শাসনৰ সময়ত এই লুপ্তপ্ৰায় মোগল ঐতিহ্যক পুনৰ স্থাপন কৰিছিল, তাৰো ইঙ্গিত পোৱা যায়।

সেই প্ৰাচীন ঐতিহ্যক সাক্ষী ৰাখি প্ৰাচীন ৰাজধানীৰ বুকুত স্বাধীন ভাৰতৰ নতুন ৰাজধানী গঢ়ি উঠিছে। ন ন আঁচনিৰে নতুন নতুন অট্টালিকাবোৰে মূৰ দাঙি উঠিছে। পুৰণি ঐতিহ্যক বুকুত সাবটি ৰাজধানীৰ জীৱন, যুগৰ লগত খোজ মিলাই আগুৱাই আহিছে। ৰাজধানীত বহুত মানুহ দেখিছোঁ, বহুত মানুহক লগ পাইছোঁ। কিন্তু এটা প্ৰশ্ন বাৰে বাৰে মনত উদয় হৈছে ঃ দিল্লীৰ প্ৰকৃত অধিবাসী কোন? এই প্ৰশ্ন কেইবাজনকো কৰি চাইছোঁ। কেইবাজনে মোকো এই প্ৰশ্ন কৰিছে। কিন্তু এই প্ৰশ্নৰ উত্তৰ ময়ো পোৱা নাই। কাকো মই দিবও পৰা নাই।

ছাবিশ লাখ দিল্লীবাসীৰ ভিতৰত বহুতেই ধনিক শ্ৰেণীৰ। তেওঁলোক কোনোজন উচ্চপদস্থ চৰকাৰী চাকৰিয়াল, নাইবা নানা তৰহৰ ব্যৱসায়ী। সেই বুলি মধ্যবিত্ত শ্ৰেণীৰ সংখ্যাও কম নহয়। তেওঁলোকে জীৱনটো হেলাৰঙে গ্ৰহণ কৰিছে। সামান্য দৰমহাৰে নানা অভাৱ-অভিযোগৰ মাজেৰে এখন সংসাৰ চলায়ো তেওঁলোকে তেওঁলোকৰ মুখৰ হাঁহিবোৰ ম্লান হবলৈ দিয়া নাই। কিন্তু এই মহানগৰীতে এচাম মানুহ আছে, তেওঁলোকে কেনেকৈ জীৱন ধাৰণ কৰিছে, তেওঁলোকৰ জীৱিকা নিৰ্ব্বাহৰ উপায় কি—এই মহানগৰীতে থকা ধনিক শ্ৰেণীয়ে উপলব্ধি কৰিব নোৱাৰে। প্ৰকৃত দিল্লীবালা কোন, এই প্ৰশ্নৰ উত্তৰ বিচাৰি মই এই মানুহবোৰৰ কাষ চাপিছিলোঁ। এই প্ৰশ্নৰ বিনিময়ত মহানগৰীৰ বুকুৰে এখন সুকীয়া জগতৰ সন্ধেদ পালোঁ।

মহানগৰীৰ চকৰি হেজাৰ হেজাৰ এনে ধৰণৰ কিছুমান মানুহে নিজৰ কপালৰ ঘাম আৰু দেহৰ শ্ৰমৰ বিনিময়ত গতিশীল কৰি ৰাখিছে। এইবোৰ মানুহেই মহানগৰীৰ বিৰাট অট্টালিকাবোৰ বিলাতী মাটি আৰু ইটাৰে গঢ়িছে। এইবোৰ মানুহেই টাঙ্গাগাড়ী চলায়। এইবোৰ মানুহেই দুবেলা দুমুঠিৰ কাৰণে ধন থকা মানুহৰ ঘৰত বন কৰে। এইবোৰ মানুহেই সৰু সৰু দোকানো দিয়ে। এইবোৰ মানুহেই চৰকাৰী আৰু ব্যৱসায়ী হেজাৰ হেজাৰ ৰঙা ফিতাৰ ফাইল ঘাটে। আচলতে এইবোৰ মানুহেই মহানগৰীৰ চকৰি গতিশীল কৰি ৰাখিছে। এইবোৰ মানুহৰ ইতিহাসেই মহানগৰীৰো ইতিহাস।

॥ ঠেলাগাড়ী চলোৱা মানুহ ॥

মহানগৰীৰ কৰ্ম্মব্যস্ত জনবহুল আলিত ঠেলি ঠেলি মালগাড়ী চলোৱা হৰিয়া, প্ৰভু, লিলুৰামহঁতৰ কথা কব খুজিছোঁ। অলিয়ে-গলিয়ে গাড়ী ঠেলি ঠেলি মাল কঢ়িয়াই, ৰাতিটোৰ বাবে জিৰণি লয় ষ্টেচনৰ প্লেটফৰ্ম্মত। নহলেবা দোকানৰ পকী বাৰাণ্ডাত। ছুঅনীয়া দোকানৰ অলপ তৰকাৰি-ৰুটীৰে সিহঁতৰ ভোক পলুৱায়। শৰীৰৰ এবোজা ভাগৰে, মনৰ অনা-পইচাৰ হিচাপবোৰ তল পেলায়। এই মহানগৰীৰ বুকুত হৰিয়াহঁতৰ দৰে মানুহ পাঁচ হেজাৰৰো অধিক আছে। হৰিয়া দিল্লীলৈ পোনতে আহে দহ বছৰৰ আগতে। তাৰ লৰা-তিৰোতা পঞ্জাৱৰ এখন গাঁৱত আছে বুলি মোক কৈছিল। আৰ্থিক অনাটনে, সংসাৰৰ দায়িত্বই তাক দিল্লীলৈ টানি আনিলে। সি আৰু তাৰ লগৰ তিনিজনে এজন ঠিকাদাৰৰপৰা ঠেলাগাড়ী একোখন মাহেকীয়া বন্দৱস্তত ভাৰালৈ ললে। মাহেকীয়া ভাৰা হিচাপে হৰিয়াহঁতে মালিক ঠিকাদাৰক দিব লাগিব বাৰ টকা। হৰিয়াৰ মতে, তাৰ দিনে বাৰ অনাৰপৰা তিনি টকালৈকে উপাৰ্জ্জন হয়। মাৰ্চ্চ-এপ্ৰিল মাহত আৰু ইপিনে অক্টোবৰ-নবেম্বৰ মাহত উপাৰ্জ্জনৰ বাট সুচল হয় বুলি সি মোক কলে। তেনে দিনত দৈনিক উপাৰ্জ্জন কেতিয়াবা পাঁচ টকাও হয়। ৰাতিপুৱা আঠ বজাত হৰিয়াহঁতৰ দৈনিক কাৰ্য্যসূচী আৰম্ভ হয়। চাঁদ্‌নি-চৌকৰপৰা নয়া বজাৰলৈ একোবাৰতে দহ মাইল বাট সিহঁতে গাড়ী ঠেলিব-লগীয়া হয়। প্ৰখৰ সূৰুযৰ তাপত গাড়ী ঠেলি ঠেলি হৰিয়াই মাথোন মনত পেলায়, পঞ্জাৱৰ গাঁৱত এৰি থৈ অহা এহাল পোনাৰ ছুখন শুকান মুখ। আৰু হেজাৰ অনাটনকো আওকাণ কৰি সলজ হাঁহিৰে বুৱাই ৰাখিব খোজা সিহঁতৰ মাকৰ মুখখনলৈ।

লিলুৰামৰ সংসাৰখন হৰিয়াৰ সংসাৰখনতকৈ বেলেগ। ছটা লৰা-ছোৱালীৰে তাৰ এখন সংসাৰ আছে, নিজাকৈ অকণমানি ঘৰ এটা আছে। লিলুৰামৰ মাহিলি উপাৰ্জ্জন হয় এশ টকা। তাৰেই ছটা লৰা-ছোৱালীৰে ভৰপূৰ সংসাৰখন চলি যায়। লৰা-ছোৱালীক স্কুললৈ পঠোৱাৰ কথা লিলুৰামে কোনো দিনে ভবা নাই। "মোৰ লৰাই মোৰ দৰেই মালগাড়ী ঠেলি জীৱিকা নিৰ্ব্বাহ কৰিব" বুলি লিলুৱে সগৌৰৱেৰে কয়। লৰাক শিক্ষা দি উন্নতিৰ বাটলৈ ঠেলি দিয়াৰ কথা লিলুৰামে ভাবিব নোৱাৰে। লিলুৰামে বঢ়িয়াকৈ জানে এটা সন্তানক শিক্ষাৰ পোহৰ দি জীৱনৰ মানদণ্ড উন্নত কৰিব নোৱাৰে। সেই কাৰণে লিলুৰাম তাতেই সুখী। মাল কঢ়িওৱা গাড়ীখনতেই তাৰ জীৱনটো, গাড়ীখনেই তাৰ সকলো আশা-ভাৰসাৰ থল।

॥ টাঙ্গা-চালক ॥

এগৰাকী বান্ধৱীৰে সৈতে এঠাইলৈ যাবলৈ বুলি বাছ-ষ্টেণ্ডত বৈ আছিলোঁ। দিল্লীত পাব্‌লিক ট্ৰেন্সপ'ৰ্টৰ ব্যৱস্থা অতি নিৰাশজনক বুলি এটা জনৰৱ আছে। ভুক্তভোগীয়েহে এই জনৰৱৰ মোল বুজিব। ওচৰতে দুখনমান টাঙ্গা বৈ থকা দেখিছিলোঁ। বাছৰ কাৰণে বৈ বৈ আমাৰ মনবোৰ কিমান টেঙাই গৈছিল—টাঙ্গা-চালক কেইজনে বুজিব পাৰিছিল, আমাৰ মুখৰ ভাব-ভঙ্গিৰপৰাই। আমাৰ গন্তব্যস্থান আছিল অলপ দূৰৈত। তাৰে টাঙ্গা-চালক এজনে আঢ়ৈ টকা দিলে গন্তব্যস্থানত থৈ আহিবগৈ পাৰিব বুলি আমাৰ আগত

এটা প্ৰস্তাৱ দাঙি ধৰিলে। কিন্তু, আৰু কিছু সময় বৈ হলেও বাছত চাৰি অনা খৰচ কৰিম নে টাঙ্গাত আঢ়ৈ টকা দি উঠিম, এই কথা চিন্তা কৰি আমাৰ মনবোৰ তেতিয়া বেছি হিচাপী হৈ পৰিছিল। অৱশেষত টাঙ্গা-চালকজনে আমাক অতি নিৰ্লিপ্তভাৱে এষাৰ মাথোন কথা কলেঃ "ঠিক আছে, আপোনালোকে ফুটা-কড়ি এটাও দিব নেলাগে। মোৰ পখীঘোঁৰাই নিজেই খুজি লব।" তেওঁৰ কথা শুনি মই আৰু মোৰ বান্ধৱীগৰাকীয়ে হাঁহিছিলোঁ। অৱশেষত পখীঘোঁৰা আৰু তাৰ গৰাকীজনবেই জয় হল। আমাৰ লাগতিয়াল বাছখন তেতিয়াও আহি নেপালেহি। আমি টাঙ্গাখনত উঠি পৰিলোঁ। টাঙ্গা-চালকজনে পখীঘোঁৰাৰ পিঠিত চাবুক মাৰিলে।

"কাঠৰ পখীঘোঁৰাত উঠি ফুলকোঁৱৰে
মাৰি যাই চাবুকৰ ছাট্
আকাশে-পাতালে উৰাৱত কৰিলে
আলাসত কৰিলে বাট।"

তুৰন্তে পখীঘোঁৰাই পকী আলিয়েদি বিশ্বাশৱদে লৰিবলৈ ধৰিলে। সেই মুহূৰ্ত্তত টাঙ্গা-চালকজনৰ "মোৰ পখীঘোঁৰাই নিজেই খুজি লব" কথাষাৰ বাৰে বাৰে আমাৰ উপলব্ধি হবলৈ ধৰিলে।

টাঙ্গাখনত উঠি সঁচাকৈয়ে সাধুকথাৰ পখীঘোঁৰাজনীৰ পিঠিত উঠি অজান দেশলৈ উৰা মৰা যেন লাগিল। মনতে ভাব হল দ্বাৰকাৰ শ্ৰীকৃষ্ণই কুণ্ডিল নগৰৰপৰা এনে এখন দ্ৰুতবেগী ৰথত তুলিয়েই হয়তো ৰুক্মিণীক পলুৱাই আনিছিল।

ষ্টেশুত বাছলৈ বৈ থাকোঁতে টাঙ্গা-চালক কেইজনৰ লগত কথা পাতিছিলোঁ। বহুত সুখ-দুখৰ কথা। সহানুভূতিৰ ইঙ্গিত পাই তেওঁলোকে আমাৰ লগত মন খুলি কথাবোৰ পাতিছিল।

আজিৰ বৈজ্ঞানিক যুগত বৈজ্ঞানিক পদ্ধতিৰে তৈয়াৰ হোৱা যান-বাহনৰ আগত তেওঁলোকৰ চাৰিঠেঙীয়া জীৱই টানি নিয়া বাহনখন যে দিনে দিনে অচল হৈ পৰিছে, এইযাৰ কথা তেওঁলোকে আমাক কলে। "কিন্তু আমিওতো জীয়াই থাকিব লাগিব, আমাৰ লৰা-ছোৱালীক পোহপাল দিব লাগিব"—আজিমুদ্দিনে কলে। পথীঘোঁৰাৰ গৰাকীজনৰ নাম আজিমুদ্দিন। "আমি এটা উপায় উলিয়ালোঁ। বৈজ্ঞানিক পদ্ধতিৰে চলোৱা যান-বাহন য'ত অচল বা কম পৰিমাণে চলাচল কৰে, তেনে ঠাইত আমি খোপনি পুতিলোঁ।" আজিমুদ্দিনে আমাক কলে।

ওচৰতে বহি থকা ইছাকে আমাৰ কথোপকথনত ভাগ ললে। ইছাকৰ মুখত বয়সৰ ছাপ পৰিছিল। আজিমুদ্দিন ডেকা লৰা। সম্ভৱতঃ ত্রিশৰ দেওনা এতিয়াও পাৰ হোৱা নাই। পুৰণি দিনৰ স্মৃতিয়ে ইছাকৰ চকুহাল উজলাই তুলিছিল। ইছাকে সুঁৱৰিছিল যুদ্ধৰ দিনৰ কথা। সেই দিনত ইছাকৰ দিনটোত ডেৰকুৰি টকালৈকে উপার্জ্জন হৈছিল।

"কিন্তু সেই দিন আৰু নাই" ইছাকে হুমুনিয়াহ কাঢ়ি কলে। আজিকালি দিনটোত আঠটা টকাও গোটাব নোৱাৰোঁ। তাৰে ঘোঁৰাক খুৱাওঁতে-বুৱাওঁতেই দিনৌ চাৰিটা টকা যায়েই। ঘোঁৰাটো কিনোতেও এহেজাৰ টকা খাব লাগিল। আগৰ দিন হোৱা হলে অৱশ্যে এনেকুৱা ঘোঁৰা তেওঁ তিনিশ টকাতে অনায়াসে কিনিব পাৰিলেহেঁতেন। কালিলৈ ঘোঁৰাটো মৰি থাকিলে কি হব, ইছাকক সুধিবৰ মন গৈছিল, কিন্তু সুধিবলৈ সত নগল।

ইছাকৰ সংসাৰখনত সাতোটা লৰা-ছোৱালী আৰু সিহঁতৰ মাক। ঘৰ বুলি যিকণ আশ্রয়ৰ ঠাই, তাৰ কাৰণে মাহে মাহে ভাৰা দিব লাগে। টাঙ্গা আৰু ঘোঁৰাটো থোৱা ঠাইকণৰ কাৰণেও ওঠৰ টকা নগদ ধন গৰাকীক শোধাব লাগে। যুদ্ধৰ দিনৰ সাঁচতীয়া দুই-চাৰি পইচা আছিল বুলিহে, আজিৰ এই মহঙা দিনত কোনোমতে

জোৰা-টাপলি মাৰি চলিব পাৰিছোঁ—" ইছাকে বেজাৰ মনেৰে আমাক কলে।

ওচৰতে থকা আন এজন টাঙ্গা-চালকেও মনৰ দুখৰ কথা দুষাৰ নকৈ নোৱাৰিলে। "আইদেউ, ইছাক ভাইৰ অৱস্থাতকৈও আমাৰ অৱস্থা আৰু শোচনীয়"—নাৰায়ণে কলে। উত্তৰ প্ৰদেশৰ এখন পিছ পৰি থকা গাঁৱৰপৰা নাৰায়ণ আহিছিল দিল্লীলৈ, অৰ্থোপাৰ্জনৰ সংস্থান বিচাৰি। সেয়া বহুতো বছৰৰ আগৰ কথা। তেতিয়া নাৰায়ণ আছিল চেঙেলীয়া ডেকা। এতিয়া তেওঁ চাৰিটা লৰা-ছোৱালীৰ বাপেক। ব্যৱসায়ী এজনৰ টাঙ্গা এখন ভাৰালৈ লৈ চলাইছে। তাৰ কাৰণে গৰাকীক দিব লাগে দিনে চাৰে সাত টকা। কিন্তু যিহে দিন-কাল হৈছে, দিনটোত দহ টকা ঘটিব পাৰিলেও বৰ কথা। হাতত দুটা টকা কেতিয়াবা কথমপি ৰয়হে। পিছে ভগৱানৰ কৃপাত ঘোঁৰাটোক খুওৱা-বুওৱাৰ খৰচ-পাতি গৰাকীয়ে নিজে বহন কৰিছে কাৰণেহে ৰক্ষা। তথাপিও নাৰায়ণ নিৰাশ হোৱা নাই। ডাঙৰ লৰাটোক শিক্ষাৰ পোহৰ দিবলৈ মনত অদম্য হেপাহ। ওচৰৰে স্কুল এখনত পঢ়ুওৱাৰ ব্যৱস্থা কৰি দিছে তেওঁৰ টাঙ্গাৰ মালিকেই। মালিকৰ অনুগ্ৰহতে মাচুলটোও ৰেহাই পাইছে। নাৰায়ণ থকা ঘৰত বিজুলী চাকিৰ ব্যৱস্থা নাই। গতিকে নাৰায়ণে পুতেকক পঢ়াৰ দিহা কৰি দিলে আলিবাটৰ বিজুলী চাকিৰ তলত এখন ঢৰা পাৰি। নাৰায়ণে কল্পনা কৰিছিল, পুতেকৰ উজ্জ্বল ভৱিষ্যতৰ এখন ছবি। অন্ততঃ তেওঁৰ পুতেকে যুগৰ লগত সংঘৰ্ষ কৰি যাতে পেটৰ ভাতমুঠি মোকলাব লগা নহয়।

॥ কাপোৰ ইস্ত্ৰী কৰি ফুৰা মানুহ ঃ প্ৰেছৱালা ॥

ৰাজধানীলৈ অহাৰ আগেয়ে যেতিয়া দিল্লীখন আমাৰ কাৰণে সপোন-পুৰী আছিল, তেতিয়া কোনো কোনোৰে কোৱা-মেলা কৰা শুনিছিলোঁ, দিল্লীত বৰ সুবিধা, মানুহৰ ঘৰে ঘৰে গুৱালে গৰু-ম'হ লৈ গৈ গাখীৰ খীৰাই দি থৈ যায়, আনকি ধোবায়ো ঘৰতে আহি কাপোৰ ইস্ত্ৰী কৰি দিয়েহি। ইয়ালৈ আহি অৱশ্যে গুৱালে ঘৰতে খীৰাই দিয়া গাখীৰৰ সোৱাদ পোৱা নাই। আমি যি অঞ্চলত আছোঁ, সেই ঠাইলৈ ইস্ত্ৰী কৰি দিয়া মানুহো নাহে। প্ৰায়বোৰৰে ঘৰৰপৰা ৰিং মাৰিলে শুনা দূৰত্বত ধোবাৰ ঘৰ আছে বুলি আৰু থাউকতে ইস্ত্ৰী কৰাই আনিব পাৰি বুলিয়েই হয়তো ইস্ত্ৰী কৰি ফুৰা মানুহৰ বজাৰ এই অঞ্চলত মন্দা। মোৰ ধাৰণা, এই কাৰণেই তেনে মানুহ ইয়ালৈ নাহে।

কিন্তু তেনে এজন মানুহক লগ পাইছিলোঁ, এগৰাকী মানুহৰ ঘৰলৈ যাওঁতে। চকা লগোৱা গাড়ীখনৰ ওপৰতে পূৰণে ইস্ত্ৰী কৰিবলৈ সকলো সজুলি গোটাই লয়। বৃদ্ধ প্ৰেছৱালা পূৰণ। ৰাতিপুৱা আঠ বজাতে পূৰণে ইস্ত্ৰী গৰম কৰি গ্ৰাহকৰ পদূলিত উপস্থিত হয়গৈ। তাৰপিছত পূৰণে অবিৰাম গতিৰে কাপোৰ ইস্ত্ৰী কৰি যায়। লৰা-ছোৱালী স্কুললৈ যোৱা কাপোৰ, গিৰিহঁত অফিচলৈ যোৱা কাপোৰ, আকৌ কোনো ঘৰৰ গৃহিণীৰ অফিচলৈ যোৱা সাজ-পোছাক সময়ত মজুত কৰি দিয়াৰ দায়িত্ব পূৰণৰ। বয়োবৃদ্ধ পূৰণে এই দায়িত্ব অকণো হেৰফেৰ নোহোৱাকৈ পালন কৰি যায়।

বৃদ্ধ পূৰণে দিনটোৰ পোন্ধৰ ঘণ্টা কাম কৰি পাঁচ টকা উপাৰ্জ্জন কৰে। দুপৰীয়া অকণমান খাই, জিৰাই লৈ আকৌ কামত লাগে।

যিমানে তেওঁৰ কামৰ পৰিধি বঢ়াব পাৰিব, সিমানেই ব্যৱসায়ত লাভ হব। কিন্তু পূৰণে অলপ কাম হাতত লৈ নিয়াৰিকৈ কৰি যোৱাটোহে বেছি বিশ্বাস কৰে। মাত্ৰ পাঁচোটা টকাৰে এখন ঘৰৰ খৰচ বহন কৰিবলৈ টান হৈ পৰে। পূৰণে দিল্লীৰ ডায়েৰীৰ ডিপোত কাম ললে। ডায়েৰীৰপৰা গাখীৰৰ বটল লৈ অহা গাড়ীবোৰ ডিপো পায়হি ৰাতি তিনিমান বজাতে। গাখীৰৰ ডিপো খোলে পাঁচ বজাত। সেইখিনি সময়ৰ কাৰণে গাখীৰৰ বটল-বোৰৰ দায়িত্ব লবলৈ এজন চকীদাৰৰ প্ৰয়োজন। বৃদ্ধ পূৰণে সেই চকীদাৰৰ কামকে ললে। তাৰ কাৰণে তেওঁ কুৰি টকা মাহেকৰ মূৰত বানচ হিচাপে পায়। সেই কুৰি টকাৰে পূৰণৰ ছজনীয়া সংসাৰখনৰ ভালেখিনি তাৰৰ মৰে। পঁচপন বছৰীয়া পূৰণ কিন্তু দৰাচলতে প্ৰেছৱালা। দহসেৰীয়া ওজনৰ ইস্ত্ৰীটো পূৰণে এই দীঘলীয়া জীৱনটোত যিমান ভালকৈ চিনি পালে, এই পাৰ্থিৱ পৃথিৱীখনৰ কোনো বস্তুকে তেনেকৈ চিনি পোৱা নাই।

বৃদ্ধ পূৰণক এজ্‌মা বেমাৰটোৱে সময়ে সময়ে আমনি কৰিছিল যদিও, সহজতে ভাগি পৰা বিধৰ পূৰণ নহয়। বাৰ্দ্ধক্যই আঁচুৰি যোৱা শোটোৰা পৰা হাতখন নিপুণভাৱে চলি যায় দহসেৰীয়া ইস্ত্ৰীটো কঢ়িয়াই। ইখনৰ পিছত সিখন কাপোৰ ইস্ত্ৰী কৰি পূৰণে শেষ কৰে চকুৰ পচাৰতে। জীৱনৰ বিয়লি বেলাত ভৰি দিয়া বৃদ্ধ পূৰণৰ জীৱনটোত ভূমুকি মৰাৰ হাবিলাষ দমাব নোৱাৰিলোঁ।

"বাক প্ৰেছৱালা, এই কাম হাতত লোৱা তোমাৰ কিমান বছৰ হল?"—মই বুঢ়া পূৰণক সুধিলোঁ।

বুঢ়াই অলপ হাঁহিলে। বাঁওহাতখন মূৰৰ পকা চুলি কেইডালেদি বুলাই দি তেওঁ কলে: "আইদেউ, এই যে পকা চুলি-কেডাল দেখিছা, এই কাম কৰি কৰিয়েই চুলিকেডালি পকালোঁ। ডেকা বয়সতে যেতিয়া এখন দৰ্জ্জীৰ দোকানত কাম শিকিবলৈ লৈছিলোঁ, তেতিয়া মনতে আশা ৰাখিছিলোঁ, ভালকৈ কাম-কাজ

শিকি কেতিয়াবাকৈ নিজেই এখন দৰ্জ্জীৰ দোকান খুলিম। দৰ্জ্জীৰ কাম শিকিবলৈ লওঁতে সহায়কাৰী হিচাপে বেছিভাগ সময় দৰ্জ্জীয়ে কাটি দিয়া টুকুৰা কাপোৰবোৰ ইস্ত্ৰী কৰিবলৈ পাইছিলোঁ। দিনবোৰ পাৰ হোৱাৰ লগে লগে দৰ্জ্জীৰ কামতকৈ এই ইস্ত্ৰী কৰা কামটোৱেহে মোক বেছি আকৰ্ষণ কৰিলে। কপালত বিধতাই যি লেখি থৈছে, সেই লেখা কোনে খণ্ডন কৰিব?"—বেদনামিশ্ৰিত কথাবোৰে আমাক বেছ আমোদ যোগাইছিল, লগে লগে বহুত কথাৰ সম্ভেদ পাইছিলোঁ।

পূৰণৰ ছুটা লৰা, ছুজনী ছোৱালী। আটাইকেইটা লৰা-ছোৱালী নিজে খুটি খাব পৰা হোৱা নাই। কেৱল ডাঙৰ লৰাটোৱেহে ইখন-সিখন কৰিব পৰা হৈছে। সৰুটো লৰাক স্কুলত দিছে। "ছুখীয়া মানুহৰ লৰা, কিনো পঢ়া-শুনা কৰিব। লাচনি-পাঁচনি কৰিব পৰা হোৱালৈকে স্কুলতে ছুটা-এটা আখৰ চিনি থাওকচোন।" এই বুলি কৈ বুঢ়াই হাঁহিছিল। বুঢ়াৰ হাঁহিত নিৰাশাৰ এখন ছবি ভাহি উঠিছিল। ছোৱালী ছুজনী তেনেই সৰু হৈ আছে যদিও অদূৰ ভৱিষ্যতত সম্ভাৱ্য দায়িত্বই বৃদ্ধ পূৰণক এতিয়াই হেঁচা মাৰি ধৰিব খোজে। "বিয়া দিওঁতে কমেও এহেজাৰ টকাতো লাগিব"—পূৰণে কলে।

গ্ৰাহকৰ মাজত পূৰণ অতি সৰবৰহী বুলি খ্যাতি আছে। কাৰণ আনবোৰৰ দৰে পূৰণে ইস্ত্ৰী কৰাৰ বাবদ পইচা বেছিকৈ নলয়। একোখন কাপোৰ ইস্ত্ৰী কৰোঁতে পূৰণে ছয় পইচাকৈ লয়, সৰু-সুৰা কাপোৰত তিনি পইচাহে লয়। এইদৰে কাম কৰি পূৰণে আঠ টকামান উপাৰ্জ্জন কৰে। পেটে-ভাতে কোনোমতে খাই আছে যদিও ক'তো এটা পইচাও দিবলগীয়া নাই বুলি পূৰণে গৌৰৱেৰে কয়। হঠাতে কিবা কথাৰ সোঁৱৰণে পূৰণৰ মনটো সেমেকাই পেলালে। অতি বেজাৰ মনেৰে তেওঁ কলে: "আজি পৰ্য্যন্ত এই দেহাৰে সংসাৰৰ বোজা কঢ়িয়াই আহিছোঁ। কালিৰ

কথা আজি ভাবিব নোৱাৰোঁ। লৰা-ছোৱালীকেইটাৰ মোৰ অবিহনে কি হ'ব ভগৱানেহে জানে। সিহঁতৰ মাকো ভালে থকা হ'লে"—এই বুলি কৈ পূৰণে হুমুনিয়াহ কাঢ়িলে।

পূৰণৰ কথাবপৰা বুজিব পাৰিলোঁ, বুঢ়ায়ে কথাও কব নোৱাৰে, কাণেৰেও নুশুনে। এইবোৰ দুখৰ কথা পাগুলিনো কি হ'ব, এনে এটা ভাব লৈ বুঢ়াই কাপোৰ ইস্ত্ৰী কৰাত মনোনিবেশ কৰিলে। ইতিমধ্যে কোনোবা গ্ৰাহক আহিছে নেকি চাবলৈও ধৰিলে। পূৰণক আমনি নিদিওঁ বুলি আমিও লাহেকৈ আঁতৰি পৰিলোঁ।

॥ বটল বেচা মানুহ ॥

মেডিকেল ইন্‌ষ্টিটিউটৰ গেটৰ সমুখত এটা পেকিং বাকচৰ ওপৰত এটুকুৰা মলিয়ন কাপোৰ পাৰি কেইটামান বটল সজাই লৈ বহি থকা ডঢ়ীয়া বুঢ়াজনক যেতিয়াই ইন্‌ষ্টিটিউটলৈ গৈছোঁ, তেতিয়াই দেখিছোঁ। মেডিকেল ইন্‌ষ্টিটিউট কেৱল দিল্লী-মহানগৰীৰে নহয়, সৰ্ব্বভাৰতৰে প্ৰখ্যাত আস্পতাল। এই আস্পতালৈ যিমানবাৰ যাবলগীয়া হৈছে, আজি ছবছৰে ৰাজঘাট, বিৰলা-মন্দিৰ দৰ্শন কৰিবলৈও সিমানবাৰ যোৱা হোৱা নাই। বিৰাটকায় আস্পতালটো, ইয়াৰ ডাক্তৰ, নাৰ্চ, ৱাৰ্ডবয়, গেটৰ চকীদাৰ, বটল লৈ বহি থকা ডঢ়ীয়া মানুহজন, ইত্যাদি সকলো সেয়েহে মোৰ পৰিচিত হৈ পৰিছিল। কিন্তু এইদৰে বটলবিলাক সজাই লৈ বুঢ়াজন বহি থকাৰ গূঢ়ৰহস্য জানিবলৈ মনটো সদায় উচপিচাই আছিল। ডঢ়ীয়া বুঢ়াজনৰ কাষেদি যাওঁতে সদায় ভাবিছিলোঁ, বুঢ়াজনক তেওঁৰ জীৱন-

বৃত্তান্তৰ বিষয়ে সুধিম বুলি। শিষ্টাচাৰহীন কাম হব পাৰে বুলি মনটো কোনোমতে আগবঢ়াব পৰা নাছিলোঁ। এদিন অৱশেষে মনৰ সকলো সঙ্কোচ আঁতৰাই বুঢ়াৰ কাষ চাপিলোঁ।

কথা-বতৰাৰপৰা বুজিব পাৰিলোঁ, আস্পতাললৈ ঔষধ নিবলৈ অহা মানুহক বুঢ়াই বটলৰ যোগান ধৰে। আৰু তুলে ডজনত দহ অনাকৈ দি বটলবোৰ মানুহৰ ঘৰৰপৰা কিনি আনে। এইদৰে কিনি অনা বটলবোৰক তেওঁ গোটে দুঅনা দৰত বেচে। তাৰপৰা যি লাভ হয়, সেই লাভেৰে আকৌ বটল কিনে। এইদৰে যি উপাৰ্জ্জন হয়, তাৰে নিজৰ সংসাৰৰ লেঠাও মাৰিব লাগে।

বুঢ়াৰ সম্পূৰ্ণ নামটো হৈছে আব্দুল ৰহমান। চুটি-চাপৰ গাঁঠনু আব্দুলক ইমান বছৰে দেখিছোঁ, মানুহজনৰ কোনো পৰিবৰ্ত্তন নাই। দহ বছৰৰ পিছতো আব্দুল সেই একেটা মানুহেই হৈ থাকিব, মানুহজনক দেখিলে তেনে অনুমান হয়। পাণ-চুপাৰি, জৰ্দ্দা-মচলাৰে সেলেঙি লগাই তামোল খোৱা মানুহজনৰ ৰঙা মুখখনত সদায় হাঁহিৰ এটা বোল লাগিয়েই আছে। দেখিলে ধাৰণা হয়, এই অভাৱ-অনাটনেৰে ভৰা পৃথিৱীখনত সদানন্দ আব্দুলক পৰশিব পৰা বস্তু একেবাৰেই নাই। কিন্তু বৰ আচৰিত, তেওঁ মোক লগ পাই কলে: "পুৰাণা জমানা খতম্ হো গয়া"—কথাষাৰ কওঁতে মানুহজনৰ শোটোৱা পৰা মুখখনেদি বেজাৰৰ ধল বাগৰি যোৱা দেখিছিলোঁ। তেওঁ কলে: "তাহানি দিনটোৰ এটকা ৰূপৰ উপাৰ্জ্জনেৰে ঘৰৰ জঞ্জালবোৰ মাৰি, তাৰে দুপইচা-এপইচাকৈ সাঁচি ছোৱালীজনীৰ বিয়াও পাতিছিলোঁ।" কিন্তু সেই 'পুৰাণা জমানা' আৰু নাই। দিনটোৰ আঠোটা ঘণ্টা একেলেথাৰিয়ে এনে ধৰণেৰে বহি থাকিও এটকা ৰূপ গোটোৱা টান হৈ পৰিছে। তাতে তেওঁৰ দৰে দুই-তিনিজন বটল বেচা মানুহ ইতিমধ্যে আহি আব্দুলৰ ওচৰতে বেপাৰ পাতিছেহি। তাতোকৈ ডাঙৰ কথা,

আজিকালি মানুহবোৰে ঔষধ নিবলৈ ঘৰৰপৰাই বটল লৈ আহিবলৈ ধৰিছে।

"জমানা বদল গিয়া" আব্‌দুলে আকৌ হুমুনিয়াহ পেলাই কলে। যুগৰ পৰিবৰ্ত্তন হৈছে, সঁচা কথা। বস্তুৰ দাম, থকা-মেলাৰ মানদণ্ড, লৰা-ছোৱালীৰ শিক্ষাৰ উচ্চহাৰ, সকলোবিলাকে সাংসাৰিক জীৱনক কেউপিনৰপৰা জুমুৰি দি ধৰিছেহি। জীয়াই থাকিবলৈ খোজে প্ৰতি টকা-অনাৰ যোগ-বিয়োগ কৰিবলগীয়া হৈছে। খোজে প্ৰতি সাৱধান নহলে নচলা হৈছে। আগৰ দিন হোৱা হলে দুঅনা পইচাৰে বটল এটা কিনাটো মানুহে একো কথাৰ কথা বুলি নাভাবিলেহেঁতেন। যুগৰ পৰিবৰ্ত্তনে দুঅনা পইচাৰ কাৰণেও মানুহক আজিকালি ভাবিবলৈ বাধ্য কৰাইছে।

যুগৰ এই পৰিবৰ্ত্তনে আব্‌দুলৰ আশে-পাশে থকা সৰু পৃথিৱী-খনবো পৰিবৰ্ত্তন আনিছে। ঠায়ে ঠায়ে ন ন অট্টালিকা উঠিছে। বৈজ্ঞানিক পদ্ধতিৰে তৈয়াৰ কৰা নতুন নতুন কল-কাৰখানাৰ সৃষ্টি হৈছে। আব্‌দুলৰ সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ নাই। ভগা ইটা, ফটা থৈলা, ভগা টিনেৰে সাতোটা জোৰা-টাপলি মাৰি সজা অকণমানি পঁজাটোত যুগৰ বা লগা নাই। সমুখত গঢ়ি উঠা চাৰি-মহলীয়া অট্টালিকাটোলৈ আঙুলিয়াই ঘৈণীয়েকে এদিন তেওঁক কৈছিল: "চোৱাচোন, চকুৰ আগতে দিনে দিনে কেনেকৈ পৃথিৱীখনে ৰূপ সলাইছে।" চকিয়াই ভাবিছিল, দুমাহমানৰ পিছত যেতিয়া এই চাৰিমহলীয়া অট্টালিকাটো সম্পূৰ্ণ হৈ উঠিব, তাত নানা তৰহৰ বস্তুৰ দোকান বহিব। ৰঙা-নীলা লাইটৰ পোহৰত ঘৰটো উজলি উঠিব। সেই পোহৰ আহি সিহঁতৰ মৰমী পঁজাটোও পোহৰাই তুলিব।

ভৰ-দুপৰৰ প্ৰখৰ ৰ'দে আমাক ডেই-পুৰি নিছিল। হাতখন চকুৰ আগত থৈ আব্‌দুলে কিবা এটা ভঙ্গিৰে বেলিটোলৈ চালে। বেলিটোৱেই আব্‌দুলৰ ঘড়ী। যান্ত্ৰিক যুগৰ সময় নিৰ্দ্ধাৰণ কৰা

যন্ত্রত আব্দুলৰ বিশ্বাস নাই। সেই মাহটো আছিল ৰম্‌জান মাহ। মধ্যাহ্নৰ নামাজ পঢ়াৰ সময় হল। আব্দুলে ততাতৈয়াকৈ বটলবোৰ মোনাটোত ভৰাই ললে। এটা কাপোৰখন কান্ধত পেলাই এহাতে পেকিং বাকচটো আৰু আনহাতে বটলৰ মোনাটো লৈ বুঢ়া যাবলৈ ওলাল। ঘৰৰপৰা ওলাই আহোঁতে লৰাটোৰে তেওঁক চিলেঠ-পেঞ্চিল এযোৰ কিনি নিবলৈ কৈছিল, হঠাতে আব্দুলৰ মনত পৰিল। একসত্তৰ পইচাৰে এযোৰ চিলেঠ-পেঞ্চিল কিনিব পৰা হব জানো? আটা, নিমখ আৰু অলপ শাক-পাচলি কিনি লৈ যোৱাৰ কথাও চফিয়াই কৈছিল। আব্দুলে নিজকে কোৱাৰ দৰেই কথাখিনি কৈছিল। বহল আলিটো পাৰ হওঁতে আব্দুলে কৈছিল: "আল্লাৰ কৃপাত লৰাটোৰ পঢ়ালৈ বৰ ধাউতি। তাৰ নচিবত কি লেখা আছে, আল্লাইহে জানে"—এই বুলি কৈ আলিবাটৰ জনতাৰ মাজত মানুহজন মোৰ চকুৰপৰা হেৰাই গল।

॥ *বন্দী পেপাৰৱালা* ॥

পোনতে দিল্লীলৈ আহোঁতে মৌ-মাখিৰ গুণ্‌গুণনিৰ দৰে 'বন্দী পেপাৰৱালা'ৰ করুণ অথচ ভীতি-বিহ্বল আৰ্ত্তনাদত সঁচাকৈয়ে অতিষ্ঠ হৈ পৰিছিলোঁ। এই 'বন্দী পেপাৰৱালা' শব্দটো যে মোৰ কাৰণে কিমান ভয়াবহ হৈ পৰিছিল! মুখৰপৰা উফৰি অহা এই শব্দটোৰ লগত সিহঁতৰ করুণ মুখখনৰ অসামঞ্জস্যতা দেখি হওঁতে পুতৌ সুপজাকৈ নাছিল। সেই মুখখনত কিমান কাৰুণ্য, কিমান অনুকম্পা লুকাই আছিল, লেখনীৰে ফুটাই তোলা কঠিন।

লাহে লাহে সিহঁতৰ মাতষাৰ ৰেডিঅ'ত প্ৰায়েই বাজি থকা হিন্দী গান একোটাৰ দৰেই আমাৰ পৰিচিত হৈ পৰিছিল। 'বন্দী পেপাৰৱালা' শব্দটোৱে আমাক আৰু অতিষ্ঠ কৰি নোতোলে। আমাৰ মানসিক ভাৰসাম্যই সিহঁতৰ অৱস্থাৰ লগত সন্ধি কৰিলে।

এই বন্দা পেপাৰৱালাবোৰে ঘৰে ঘৰে পুৰণি অলাগতিয়াল কাগজবোৰ কিনি ফুৰে। মানুহৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সিহঁতে বিকৃত সুৰেৰে চিঞৰা শুনিলে সকলোৰে ধৈৰ্য্য হেৰাব। তাতোকৈ ধৈৰ্য্য হেৰাব সিহঁতৰ চকুৰ পচাৰতে ধূলি মাৰিব পৰা দক্ষতা দেখি। ইমান নিখুঁতভাৱে সিহঁতৰ তৰ্জ্জুখন পুৰণি কাগজৰ বোজা লৈ উঠা-নমা কৰে, তাত কিবা সন্দেহ কৰিবলগীয়া থাকিব পাৰে বুলি ভাবিবলৈও বেয়া লাগে। কিন্তু সিহঁতে আমাৰ চকুত ধূলি মাৰে, নহলে ব্যৱসায়ৰ কাহানিবাই টেকেলি কাতি হলহেঁতেন।

পান্নালাল আমাৰ নিগাজী কাগজ কিনোতা। এই মানুহটোৰ প্ৰতি আমাৰ কিয় ইমান সহানুভূতি হল, ভাবি চালে কাৰণ কেইবাটাও ওলাব। প্ৰথমটো হল—তাৰ মুখখন দেখিলেই মানুহটো ধাৰ্ম্মিক যেন লাগে। পোনপটীয়াকৈ কবলৈ গলে, সি যেন সহজ-সৰলভাৱেই ব্যৱসায় কৰিব খোজে। ফাকি-ফুকা একো নাই যেন লাগে। এনে ধাৰণাৰ বশৱৰ্ত্তী হৈয়েই পান্নালালকেই ঘৰৰ পুৰণি কাগজবোৰ বেচিবলৈ লৈছিলোঁ। দ্বিতীয় কাৰণ হল—প্ৰধান প্ৰধান বাতৰিবোৰ কাটি উলিওৱা কাগজবোৰ আন বন্দী পেপাৰ-ৱালাই নিব নোখোজে। পান্নালালৰ লগত মিতিৰালি হোৱাৰ ইও এটা কাৰণ। মাহে মাহে থুপ খোৱা কাগজবোৰ সদায় পান্নালালেই নিছিল, আন পেপাৰৱালাই বিচাৰিলেও কিয় জানো সিহঁতক দিবৰ মন নগৈছিল। হয়তো পান্নালালৰ প্ৰতি সিহঁতৰ ঈৰ্ষাও হৈছিল।

ইমান প্ৰতিযোগিতাৰ ব্যৱসায়ত কিমান লাভ-লোকচান হয়, এদিন পান্নালালৰ লগত এই বিষয়ে কথা পাতিবলৈ মন কৰিছিলোঁ,

সি হাতযোৰ কৰি কলে: "মাইজী, মুঝে মাফ কিজীয়ে। বহুত দেৰ হো বহা হ্যায়। ফিৰ কভী আ জাওঙ্গা।"

কিন্তু পান্নালাল সেই দিনাই আবেলি আহিল। তাৰ কথা-বতৰাৰপৰা বুজিলোঁ, মাহৰ শেষ ভাগত পান্নালালৰ ব্যস্ততা বাঢ়ে। পান্নালালে বঢ়িয়াকৈ জানে যে মাহৰ শেষত গৃহিণীৰ জোলোঙা উদং হয়। তেতিয়া পুৰণি কাগজ-পত্ৰ বেচি ছুটকামান পালেও অন্ততঃ বজাৰৰ খৰচটো ওলায়। পান্নালালৰ মতে মানুহৰ মাজত তেওঁ সৰবৰহী। কাৰণ তেওঁ অন্যায়-অধৰ্ম্ম নকৰে। দাম-দৰ কৰিও গৃহিণীক আমনি নকৰে।

ব্যৱসায়ৰ লাভ-লোকচানৰ কথা ওলাওঁতে পান্নালালে কলে: "মাইজী, দিনটোৰ সাতোটা ঘণ্টা এই কাম কৰোঁ। বাকী পাঁচ ঘণ্টা কাপোৰ ফেৰি কৰোঁ। ৰ'দে-বতাহে অনাই-বনাই যি উপাৰ্জ্জন কৰোঁ, সাতোটা লৰা-ছোৱালীৰে সংসাৰখন চলোৱাই টান।" আওপুৰণি চাইকেলখন টানি টানি পান্নালালে কিজানি ত্ৰিশ-চল্লিশ মাইল ঘূৰা-পকা কৰে। এই ব্যৱসায়ত প্ৰতিযোগীৰ সংখ্যাও দিনে দিনে বাঢ়ি আহিছে। পান্নালালে আমাৰ মৰমৰ নেতা নেহৰুজীৰ লগত সুৰ মিলাই কব খোজে: "আৰাম হাৰাম হ্যায়।"

আন ব্যৱসায়লৈ আওকাণ কৰি সি কিয় এই ব্যৱসায় বাছি ললে, পান্নালালক মই সুধিলোঁ। অলপ চিন্তিত হৈ সি কলে: "অলপ পৰিশ্ৰম কৰিব পাৰিলে এই ব্যৱসায়ত লাভ আছে। পৰিশ্ৰম কৰিব পৰাটোহে আচল কথা"। কিন্তু এই ব্যৱসায়ৰ যে ভৱিষ্যৎ বেয়া হৈ আহিছে, সেইবাৰ কথাও সি মোক কলে।

দিনে দহ টকা উপাৰ্জ্জনৰ ঠাইত আজিকালি কেৱল তিনি টকা মান কোনোমতে উপাৰ্জ্জন হয়। সেই কাৰণেই পান্নালালে কাপোৰ ফেৰি কৰাৰ কাম হাতত লবলগীয়া হৈছে। এই ব্যৱসায়ৰপৰাও তিনিটামান টকা তাৰ হাতলৈ আহে। পান্নালালৰ সাতোটা লৰা-ছোৱালীৰ ভিতৰত চাৰিটা লৰা-ছোৱালী স্কুলত পঢ়ে। ছুৰছুৰ-

মানৰ পিছত ছোৱালীজনী বিয়া দি উলিয়াই দিব লাগিব। ইও এটা খৰচৰ বাট ওলাই আছে। ডাঙৰ লৰাটোৱে এশ্রেণী-দুশ্রেণীকৈ নৱমমানলৈকে আগবাঢ়ি আহিছে। লৰাটোৰ বুদ্ধিও বেয়া নহয়। শক্তিয়ে আঁটিলে তাক কলেজত পঢ়ুৱাবলৈও পান্নালালৰ ইচ্ছা।

ইন্দুমতী পান্নালালৰ ঘৈণীয়েক। ইন্দুমতীয়েও ভাবে, দুখে-কষ্টে হলেও শিক্ষাৰ পোহৰ লৰা-ছোৱালীকেইটাই দেখক। সিহঁতে নিজৰ ভৰিত থিয় হব পৰা হলে, বাপেকৰো দুখ-কষ্ট লাঘৱ হব। ইন্দুমতীয়ে ইয়াকে মনে-প্রাণে বাঞ্ছা কৰে। সংসাৰৰ কামবোৰ কৰি আজৰি পৰত ইন্দুমতীয়ে ছুৰেটাৰ গুঁঠে। ছুৰেটাৰ গুঁঠি যি দুটা-এটা টকা আৰ্জ্জে, তাৰে সংসাৰৰ ভালেখিনি জোৰা মাৰে। ইন্দুমতীৰ ডাঙৰ ছোৱালীজনীয়েও মাকক ছুৰেটাৰ গুঁঠাত সহায় কৰিব পৰা হৈছে।

পান্নালালৰ লগত কথা পাতি বহুত কথাৰ সন্ধেদ পালোঁ। এই ভাৰতৰে বুকুত অনেক পান্নালাল, ইন্দুমতী আছে. যি কেৱল জীয়াই থাকিবলৈকে সংগ্রাম কৰা নাই—তেওঁলোকে ভৱিষ্যতৰ সপোন-মাধুৰীও ৰচনা কৰিছে।

।। চাণ্ডু হৰিজন ।।

চুটি-চাপৰ গাঁঠলু চেহেৰাৰ চাণ্ডু হৰিজনৰ লগত আমাৰ সাতোটা বছৰৰ চিনাকি। চকু এটা বেয়া যদিও স্বাস্থ্যৱান চাণ্ডুক দেখিলেই ভাল লাগে। ৰাতিপুৱা সদায় চাণ্ডুৰ লগত দেখা হয়। "নমস্তে মাতাজী, সব ঠিক হ্যায়"—এইষাৰ চাণ্ডুৰ সুপ্রভাতৰ ওলগ।

সকলো ঠিক নাথাকিলে, চাণ্ডুৱে হয়তো সহায় কৰিবলৈ পিছ মুহুঁহকিব, মোৰ দৃঢ় বিশ্বাস। কেতিয়াবা ষ্টেপত বহি, পাণ-চুপাৰিৰ টোপোলা খোঁচনিৰপৰা উলিয়াই লৈ চাণ্ডুৱে পাণ খায়। লগতে দুষাৰ-এষাৰ কথাও কয়। বাতৰি কাকতৰপৰা মূৰ তুলি চাণ্ডুৰ কথাবোৰ শুনিবলৈ বেয়া নালাগে। চাণ্ডুৱে বহুত কথা কয়— দিল্লীৰ বতৰৰ কথা, কেনেকৈ চাউথ এভিনিউখন মানুহেৰে ভৰি পৰিল, ইত্যাদি বহুত কথা। চাণ্ডুৰ কথাবোৰ শুনি ভাল লাগে।

সেই দিনা আছিল দুই অক্টোবৰ। আন দিনাৰ দৰে ষ্টেপত বহি পাণ-চুপাৰিৰ টোপোলাটো খুলি খুলি কলে: "হমে ভো আজ ৰাজঘাট জানা হ্যায়, বাপুজীকো প্রণাম কৰনেকে লিয়ে।" বাপুজীয়ে অস্পৃশ্যতা বৰ্জ্জন কৰিবলৈ শিকালে, তথাপিও আমি জানো অবাধে মন্দিৰত প্ৰৱেশ কৰিব পাৰোঁ?? বাপুৰ সমাধিত প্ৰণাম জনাই চাণ্ডুৱে ঈপ্সিত আকাঙ্ক্ষা পূৰণ কৰিব। যেতিয়ালৈকে হাতৰ ঝাকডাল দলিয়াই পেলাবলৈ সক্ষম নহয়, তেতিয়ালৈকে চাণ্ডুহঁতৰ লেখীয়া মানুহৰ অৱস্থাৰ উন্নতি নহয়। চাণ্ডুৱে বঢ়িয়াকৈ বুজিছিল, সেই সক্ষমতাৰ কাৰণে শিক্ষাৰ প্ৰয়োজন।

এদিন চাণ্ডুৱে মাছ বেচা মানুহটোৰপৰা এসেৰমান মাছ লোৱা দেখি আচৰিত হলোঁ। মনৰ কৌতূহল দমাব নোৱাৰি সুধিলোঁ: "এতনা মছলী কৌন খায়েগা চাণ্ডু?" চাণ্ডুৱে কলে, ঘৰখনত খাওঁতা এঘাৰটা প্ৰাণী। অৱশ্যে তাৰে ছয়টাই অ'ত-ত'ত কাম কৰি দুই-চাৰি পইচা উপাৰ্জ্জন কৰিছে। নিজৰ সৰু লৰা-ছোৱালী-হালে দুবছৰমানৰ পিছত কাম কৰিব পৰা হব। কিন্তু সিহঁতক পঢ়ুৱাবৰহে মন। জীয়েকৰ নাতিনীয়েক তিনিটাকো পাৰিলে পঢ়াব লাগিব। অৱশ্যে এতিয়াও সিহঁত সৰু হৈয়ে আছে। চাণ্ডুৰ ইচ্ছা, সিহঁত পঢ়ি-শুনি জ্ঞানী হওক। অলপ শিক্ষা পালেও হাতৰ সাতামপুৰুষীয়া ঝাকডাল কিজানিবা এৰিব পাৰেই। চাণ্ডুৱে বৰ আগ্ৰহেৰে কলে, সিহঁতৰ চুবুৰিৰ তিনিটা লৰাই পঢ়ি-শুনি উন্নতি

কৰিছে। ভগৱানে কৰিলে, সিহঁতে অফিচত কাম কৰিব পাৰিব। উপৰি পুৰুষক হেঁচা মাৰি থকা অস্পৃশ্যতাৰ কালিমা সিহঁতে মচিব পাৰিব। চাণ্ডুৰ ইচ্ছা, সকলো হৰিজনৰ লৰা-ছোৱালীয়ে বিদ্যালাভ কৰক। শিক্ষাৰ পোহৰ পাওক। শিক্ষাৰ পোহৰ পাই সিহঁতৰ জীৱনৰ মানদণ্ডৰ উন্নতি কৰক। চাণ্ডুৰ মতে, সেই দিন আহিবলৈ কমেও আৰু পঁচিশ বছৰ লাগিব।

চাণ্ডুৱে মাহে পঁইসত্তৰ টকা আৰ্জ্জে। ঘৈণীয়েকে কেবা ঘৰতো কাম কৰি মাহে পঞ্চল্লিশ টকা ঘৰলৈ আনে। ডাঙৰ লৰা-ছোৱালী-হাল আৰু তাৰ তলৰ সৰু ছোৱালী দুজনীয়েও অ'ত-ত'ত কাম কৰি পইচা গোটাই আনে। টকা ভালেখিনি গোট খায় যদিও, খৰচৰ বাট বহুত। বস্তুৰ দামো বেছি। আটা, নিমখ-তেল, শাক-পাচলি আদি কিনিবলৈকে মাহেকত ভালেখিনি টকাৰ প্ৰয়োজন। তাৰোপৰি কাপোৰ-কানিৰ লেঠা আছেই। চাওঁতে চাওঁতে ডাঙৰ লৰাটোৰো বিয়াখন পাতিবৰ হল। ছোৱালীজনীৰ দৰা এঠাইত ঠিক হৈ আছে। লৰাটোৰ কাৰণেও ছোৱালী এজনী পালে, একেটা খৰচতে দুয়োখন বিয়া পতাৰ ইচ্ছা আছে বুলি চাণ্ডুৱে মোক কলে।

চাণ্ডুৰ থকা ঠাই বহুত দূৰত। আঠ মাইলমান বাট আহিবলৈ চাণ্ডুৱে পুৰণা চাইকেল এখন কিনি লৈছে। ছয় বজাত কামত হাজিৰ হবলৈ চাণ্ডুৱে চাৰে পাঁচ বজাতে ঘৰ এৰিব লাগে। ইমান কেইবছৰে দেখি বুজিলোঁ, চাণ্ডুৰ কামৰ প্ৰতি এলাহ নাই। ভগৱানৰ নাম লৈ বাপুজীক স্মৰণ কৰি নিজৰ কৰ্ত্তব্য কৰি যায়। অদূৰ ভৱিষ্যতত যদি বাপুজীৰ সপোনৰ ভাৰত এখন গঢ়ি উঠে, তেতিয়া চাণ্ডুৰ দৰে হেজাৰজনৰো জীৱনৰ মানদণ্ড উন্নততৰ হৈ উঠিব—এয়ে চাণ্ডুৰ স্বপ্ন আৰু জীৱন-দৰ্শন।

॥ বাছৰ কণ্ডাক্টৰ ॥

এটকীয়া নোটখন আগবঢ়াই দি ছুটা পূৰা আৰু এটা আধা টিকেট দিবলৈ কৈ হঠাতে কণ্ডাক্টৰৰ চকুৰে চকুৰে পৰি স্তম্ভিত হৈ গৈছিলোঁ। খাকী ৰঙৰ কোট-পেণ্ট, মূৰত টুপী, হাতত ভঙনীয়া পইচাৰ জোলোঙাৰে সৈতে বালমুকুন্দক চিনি পাবলৈ সঁচাকৈয়ে টান হৈছিল। বালমুকুন্দ আমাৰ ওচৰ-চুবুৰীয়া। সদায় নেদেখিলেও কেতিয়াবা বালমুকুন্দক দেখিছোঁ বগা সাজ-পোছাকেৰে, মূৰত তেতিয়া টুপীও নাথাকে। গতিকে চলন্ত বাছৰ ভিতৰত এটা নতুন পৰিবেশত আচহুৱা পোছাকেৰে বালমুকুন্দক চিনি পোৱা সঁচাকৈয়ে টান হৈছিল। সেই মুহূৰ্ত্ততহে প্ৰথমবাৰৰ কাৰণে জানিব পাৰিছিলোঁ বালমুকুন্দই দিল্লীৰ ট্ৰেন্সপ'ৰ্ট বিভাগত কণ্ডাক্টৰৰ কাম কৰে বুলি।

লাহে লাহে বালমুকুন্দৰ লগত আমাৰ ঘনিষ্ঠতা বাঢ়ি আহে। তেওঁৰ সংসাৰত মাক, এজনী ভনীয়েক আৰু তিনিটা ভায়েক। ভনীয়েকজনী আৰু ভায়েককেইটা স্কুলত পঢ়ে। দহ বছৰ পূৰ্ব নৌহওঁতেই যেতিয়া বাপেক মৃত্যুৰ মুখত পৰে, তেতিয়া বালমুকুন্দ অথাই-সাগৰত পৰাৰ দৰে হৈছিল। মাক আৰু কণ কণ ভায়েক-কেইটাৰ ভবিষ্যতৰ কথা ভাবি দহ বছৰীয়া বালমুকুন্দৰ কপাল কোঁচ খাই আহিছিল। সেই দিনাই তেওঁ শিক্ষা লভি ভবিষ্যতৰ সোণালী সপোন ৰচিবলৈ এৰি দি সংসাৰ-ৰণস্থলীলৈ আগবাঢ়ি ওলাইছিল। জীৱনৰ সংগ্ৰামত পৰাজিত হৈ তেওঁ হতাশ হোৱা

ৰাছিল। শিক্ষা নিচেই কম, অভিজ্ঞতা নাই। গতিকে বালমুকুন্দই প্ৰতিযোগিতাৰ জগতখনত বহুত সংঘাতৰ সম্মুখীন হবলগীয়া হৈছিল। এদিন কিবা বিশেষ কথাত আমাৰ ঘৰলৈ টেলিফোন কৰিবলৈ আহি, বালমুকুন্দই তাৰ জীৱনৰ এটা করুণ অধ্যায়ৰ আভাস দিছিল।

এতিয়া বালমুকুন্দ চৌবিশ বছৰীয়া ডেকা লৰা। মাকৰ ইচ্ছা, বিয়াখন কৰাই দি কিবা এটা দিহা তেওঁৰ লগাই দিবলৈ। তেওঁ কিন্তু অনিচ্ছুক। ভনীয়েকজনীক বিয়া নিদিয়াকৈ আৰু অন্ততঃ ডাঙৰ ভায়েকটোক কিবা এটা কামত মূৰ গুঁজি দিব নোৱাৰালৈকে বিয়া-বাৰু কৰাবলৈ বালমুকুন্দৰ সমূলি ইচ্ছা নাই। "বিয়া মানেই সংসাৰৰ দায়িত্ব বঢ়োৱা"—হাঁহি মাৰি বালমুকুন্দই কলে।

বালমুকুন্দৰ মাহেকীয়া আৰ্জ্জন এশ পঞ্চল্লিশ টকা। মাকে এঘৰত আয়া কাম কৰি মাহে ত্ৰিশ টকা উপাৰ্জ্জন কৰে। মাকে কাম কৰি টকা ঘটা কথাষাৰ, বালমুকুন্দই মনে-প্ৰাণে বিচৰা নাছিল। প্ৰথম দিনা কামৰপৰা আহি মাকে যেতিয়া অতি উৎসাহেৰে দিনটোৰ কৰি যোৱা কামবোৰৰ আৰু চাহাব-মেমচাহাবৰ মৰম-চেনেহৰ কথা হিয়া উজাৰি লৰা-ছোৱালী কেইটাৰ আগত কৈছিল, তেতিয়া বালমুকুন্দৰ চকুচ উপচি পানী ওলাইছিল। ক্ষান্ত হৈ থাকিব নোৱাৰি মাকৰ বুকুত মূৰ গুঁজি হুকহুকাই কান্দিছিল। তেওঁৰ চকুত ভাহি উঠিছিল এৰি অহা মধুৰ দিনবোৰৰ কথা। দেউতাক থাকোঁতে কেনেকৈ নিয়াবিকৈ সংসাৰখন তেওঁ চলাই নিছিল। টোপ পৰিবলৈ নিদিয়াকৈ মাকক আদৰ-যত্ন কৰিবলৈ দেউতাকে তেওঁলোকক শিকাইছিল। সেই মাকেই এতিয়া দৈৱৰ দুৰ্ব্বিপাকত আনৰ ঘৰত কাম কৰি টকা ঘটিবলৈ যাবলগীয়া হল, এই কথা ভাবি বালমুকুন্দক বেজাৰে হেঁচা মাৰি ধৰিলে। সেই দিনাই তেওঁ মাকৰ বুকুত সোমাই অঙ্গীকাৰ কৰিছিল—সৎ পথ অৱলম্বন কৰি, সৎ জীৱন যাপন কৰি ঘৰলৈ আকৌ সুখ-শান্তি ঘূৰাই আনিবলৈ।

বালমুকুন্দই মোক কৈছিল: "যদিও অতি কষ্টেৰে কামটো যোগাৰ কৰি ললোঁ, এই কামত আৰাম নাই। সময়ে সময়ে খং সম্বৰণ কৰা টান হৈ পৰে।" বাছৰ আৰোহীসকলৰ নানা হাক-বাধনকো আওকাণ কৰি বাছত উঠিবলৈ কৰা প্ৰয়াস, তাৰোপৰি টিকেট নোলোৱাকৈ নামি যাবলৈ কৰা চেষ্টা যেতিয়া দেখে, তেতিয়া স্বাভাৱিকতে তেওঁৰ মনটো উৰলি যায়। যি বাপুজীয়ে সত্যৰ বাণী প্ৰচাৰ কৰিলে, সেই বাপুজীৰ দেশতে অন্যায়-অসত্যৰ বহুল প্ৰচাৰ দেখি বালমুকুন্দৰ মনটো উৰলি যোৱাটো তেনেই স্বাভাৱিক।

বালমুকুন্দৰ দিনটো আৰম্ভ হয়, যেতিয়া ৰাজধানী শুই থাকে। পুৱা চাৰে চাৰি বজাত ট্ৰেন্সপ'ৰ্ট চাৰ্ভিচৰ বাছে তেওঁক লৈ যায়হি। আন আন কণ্ডাক্টৰকো তুলিবলৈ বাছখন অ'লৈ-ত'লৈ যাওঁতে বালমুকুন্দই বাছৰ আৰোহী হৈ ঘূৰি ফুৰে। তেতিয়া আৰু তেওঁ আৰোহীৰপৰা টিকেটৰ পইচা গোটাই ফুৰিব নালাগে। তাৰপিছত যেতিয়া বাছৰ ডিপো পায়হি, তেতিয়াহে তেওঁৰ কৰ্ত্তব্য আহি পৰে। প্ৰথম কাম, বিভিন্ন বাছ-ষ্টপলৈ নিৰ্দ্ধাৰিত কৰি ৰখা বেলেগ বেলেগ টিকেটৰ বহীবোৰ অফিচৰপৰা গোটাই লোৱা। তাৰপিছত দহ টকাৰ ভঙনীয়া অনা-পইচাখিনি জোলোঙাখনত ভৰাই লোৱা। বালমুকুন্দৰ ডিউটি যি লাইনত, সেই লাইনত একাৱনটা বাছৰ ষ্টপেজ। আঠ ঘণ্টাৰ ভিতৰত এশ দুমাইল অহা আৰু যোৱাত অতিক্ৰম কৰি আহি ডিপোৰ সৰু খিৰিকীখনৰ সমুখত থিয় হওঁতে বালমুকুন্দ ভাগৰি পৰে। 'ক্যাশ্বিয়াৰ'ক পইচাৰ হিচাপ দিওঁতে প্ৰায়ে কমহে হয়। কেতিয়াবা হিচাপত বেছি হলেও বালমুকুন্দই কেতিয়াও নিজৰ জেপত ভৰাই যে নথলেহেঁতেন, ই ধ্ৰুৱ কথা। সত্যনিষ্ঠ বালমুকুন্দই সদায় বাপুজীকে পূজা কৰি আহিছে। বালমুকুন্দৰ বিশ্বাস, যি সত্য আৰু অহিংসাৰ বাণীয়ে ভাৰতক দাসত্বৰপৰা মুকলি কৰিলে, সেই বাণীৰ মূল্য কত?

GAUHATI MUNICIPALITY
5 DEC 1969
গুৱাহাটি মিউনিচিপালিটি

।। দিন-হাজিৰা কৰা মানুহ ।।

আমাৰ ঘৰটোত চূণ-কাম কৰা বৰ প্ৰয়োজন হৈ পৰিছিল। অৱশ্যে ইয়াত আহুকাল নাই। চাউথ এভিনিউৰ এনকোয়্যাৰী অফিচত খবৰ এটা দিলেই নিৰ্দ্দিষ্ট মানুহে সময়ত কামখিনি কৰি দি থৈ যায়হি। আমি কেৱল ঘৰখনৰ লামলাকতি কেইপদ সামৰি-সুতৰি দিলেই হয়। তাকে কৰিবলৈ বাৰপাচি এলাহে আগুৰি ধৰে। সেই কাৰণে বছৰি চূণ-কাম কৰোৱা নহয়েই।

মূৰত বৰ পাগুৰি, পৰিধানত কামিজ-চুৰিয়া, ভৰিত জোতা-মোজা পিন্ধা ভুলুৰামে যিদিনা আমাৰ ঘৰত আহি বেল বজালেহি, সেই দিনা ভুলু আমাৰ তেনেই অপৰিচিত আছিল। বয়সে গৰকি নিয়া ভুলুৰামৰ কামৰ তৎপৰতা দেখি সঁচাকৈয়ে মোৰ কিবা এটা ভাল লাগি গল। সৰবৰহী ভুলুৰামে হাতত চুখা মলি মলি আমাৰ লৰাহঁতৰ খবৰ সুধিলে। "লৰা-ছোৱালীক শিক্ষা দি উপযুক্ত কৰিব পৰাটো এটা ভৱিষ্যতৰ কাৰণে মূলধনহে। কিন্তু হাতত টকা-পইচাৰ মূলধন নাথাকিলে ধন সাঁচিব ক'ৰপৰা ? ইয়াৰ মিউনিচিপেলিটিৰ স্কুল এখনত লৰা এটা পঢ়া মাচুল বাবদ নটা পইচা দিব লাগে। ইয়াকে দিবলৈ দিনটোৰ উপাৰ্জ্জনৰ দুটা টকাৰ এটা পইচাও ৰাহি নহয়।" সংসাৰ-যুদ্ধত জুকলা হোৱা ভুলুৰামে কথাষাৰ মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰি মোক কৈছিল। ভুলুৰ মুখত কথাষাৰ শুনি মোৰ ভাল লাগিল। আমাৰ মধ্যবিত্ত পৰিয়াল এটাৰো পৰিকল্পনা

তাতোকৈ আগবঢ়া নহয়। অগাধ সম্পত্তি, টকা-পইচা লৰা-ছোৱালীৰ ভৱিষ্যৎ সংস্থানৰ কাৰণে এৰি যোৱাৰ কোনো অৰ্থ নাই। যদিহে সেই সম্পত্তি বা টকা-পইচা সৎ উদ্দেশ্যেৰে খৰচ কৰিবলৈ লৰা-ছোৱালী সমৰ্থ নহয়। এইখিনিতে ভূলুৰামৰ মতৰ লগত মোৰ মতৰ মিল দেখি তেওঁৰ প্ৰতি শ্ৰদ্ধাত মোৰ মূৰ দোঁ খাই আহিছিল।

ছটা লৰা-ছোৱালীৰ বাপেক ভূলুৰাম। ভায়েক-ভনীয়েকৰ সৈতে দহোটা প্ৰাণীৰ সংসাৰখনত একমাত্ৰ আৰ্জ্জোতা ভূলুৰাম। ডাঙৰ লৰা-ছোৱালীহালক চুবুৰিতে থকা প্ৰাইমাৰী স্কুল এখনত ভৰ্ত্তি কৰি দিছে। সিহঁতৰ কাৰণে গাই-পতি ন পইচাকৈ মাহে ওঠৰ পইচা মাচুল দিয়া টান কথা নহয় যদিও কিতাপ, কাগজ, কলমৰ যোগান ধৰাহে কঠিন কাম বুলি ভূলুৰামে কয়। যোৱা বছৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পাঠ্যপুথি কিনিবলৈ এঠাইত কুৰি টকা ভূলুৰামৰ ধাৰ কৰিবলগীয়া হৈছিল। এই বছৰো যদি ভগৱানে কৰে, দুয়োটা লৰা-ছোৱালীয়ে ওপৰ শ্ৰেণীলৈ উঠিব। তেতিয়া নতুন কিতাপ-পত্ৰ যোগাৰ কৰিবলৈ যে কিমান টান হব—ভূলুৰামে দুমাহ আগৰপৰাই ভাবি চিন্তাৰ পাৰ পোৱা নাই।

লৰা-ছোৱালীহালক শিক্ষাৰ পোহৰ দি মানুহ কৰাৰ কথা ভূলুৱে মনে-প্ৰাণে বিচাৰিলেও, সিহঁতৰ ভৱিষ্যৎ সম্পৰ্কে তেওঁ সন্দিহান হৈ পৰিছিল। ভূলুহঁতৰ চুবুৰিত মেট্ৰিক শ্ৰেণীলৈকে পঢ়া লৰা এটাও নাই। চুবুৰিত কৃষাণলালেই একমাত্ৰ শিক্ষিত লৰা। পঞ্চমমান শ্ৰেণীলৈকে কৃষাণলালে পঢ়িছিল। সেই কাৰণে কিবা এটা বুজাই দিবলৈও চুবুৰিত এটাও শিক্ষিত মানুহ নাই। শ্ৰেণীতো শিক্ষকসকলৰ প্ৰতি সমান মনোযোগ দিব নোৱাৰে, কাৰণ বাবুৰাৰ শ্ৰেণীত পঞ্চাশজন আৰু সেইদৰে কৃষাণলালৰ শ্ৰেণীতো তিয়াল্লিশজন লৰা। গতিকে ভূলুৰামৰ দৰে মানুহৰ লৰা-ছোৱালীৰ ভৱিষ্যতৰ

কথা ভাবিবলৈ সম্বল নাই। একুৰি এটা সমস্যাই তেওঁলোকৰ সন্তান-সন্ততিৰ ভৱিষ্যৎ ছাৰখাৰ কৰি দিয়ে। অভাৱ-অনাটনেৰে ভৰা সংসাৰখনত বিদ্যাশিক্ষা কৰাৰ পৰিবৰ্ত্তে, লৰাই কাম কৰি দুই-চাৰি পইচা ঘটি আনি দিয়াটোহে মাক-বাপেকৰ কাম্য। অৱস্থাৰ তাড়নাই তেওঁলোকক এইদৰে বিচাৰিবলৈ বাধ্য কৰে।

।। বিয়াৰ বেণ্ডপাৰ্টি ।।

এদিন আমাৰ ঘৰৰ মানুহজনে চুপতি মাৰিছিল, "দিল্লীত ইমান সহজতে বিয়া পাতিব পাৰি, আকৌ এবাৰ বিয়া কৰাবৰহে মন গৈছে।" কথাষাৰ মিছা নহয়। টেলিফোনৰ ওপৰতে ইয়াত অতি সহজে একোখন বিয়াৰ যোগাৰ কৰিব পাৰি। ইয়াত ৰভা তৰি দিয়া, ৰঙা-নীলা লাইটেৰে জাক-জমক কৰি সজাই দিয়া মানুহ আছে। আনকি দৰা উঠি যাবলৈ সজোৱা-পৰোৱা ধুনীয়া জীন পিন্ধোৱা ঘোঁৰা, দৰাৰ লগত যোৱা সমদলত যোগ দিবলৈ গেছ লাইটৰ দৰে লাইট লৈ মানুহবোৰ (সাধাৰণতে চেঙেলীয়া লৰা এজাকে এই লাইটবোৰ মূৰত লৈ সমদলত যোগ দিয়ে), এই সকলোবোৰ টেলিফোনৰ জৰিয়তে যোগাৰ কৰিব পাৰি। বিয়াৰ বেণ্ডপাৰ্টিও সেইদৰে যোগাৰ কৰিব পাৰি। নিমন্ত্ৰিত অতিথিক জলযোগ কৰাবলৈও 'কোকাকোলা'ৰ ব্যৱস্থা আছেই। এটা টেলিফোনৰ কাম মাত্ৰ। ধুনীয়া ড্ৰেত সজাই-পৰাই সিহঁতৰ কোম্পানীৰ মানুহেই বিয়া-বাহৰত আপোনাৰ মুখৰ আগত দাণ্ডি ধৰিব। কোনোখন

বিয়াত ছুটামান কাজুবাদাম, ছুখনমান বৰফি কোকাকোলাৰ লগতে যাচে। ডাঙৰ ডাঙৰ একোজন ভব্য-গব্য আলহীকো এইদৰে সোধ-পোছ কৰা দেখিলে আচৰিত হওঁ। আমাৰ অসমীয়া মানুহ ধনৰ ছুখীয়া হলেও, মনৰ ছুখীয়া নহয়। অৱস্থাই নাটিলেও সাতোটা জোৰা মাৰি আলহী সুধিবলৈ চিৰা, কোমল চাউল, দৈ, গাখীৰ, মিঠাই আদি বিবিধ বস্তু যোগাৰ কৰে। ইয়াতো হওঁতে দৰাঘৰীয়া মানুহক আৰু কইনাঘৰৰো অঙহী-বঙহীক খুওৱাৰ আয়োজন ডাঙৰকৈয়ে কৰে। কথাৰ ফালৰি কাটি আহি ভালেখিনি দূৰ পালোঁহি। ইপিনে অসমৰ বিয়াৰ জলপানটোলৈ মনত পৰি লোভৰ পানী ওলাইছে।

আমাৰ বিয়াবোৰত অমুকাৰ বিয়াত তিনিযোৰা গায়ন আনিলে, তমুকাৰ বিয়াত এযোৰাহে আনিলে ইত্যাদি বহুত আলোচনা হয়। সাধাৰণতে এযোৰা গায়নেৰেই কাম চলে। কোনোৱে এই নিয়মৰ ব্যতিক্ৰম কৰি নিজৰ পৰাক্ৰম প্ৰচাৰ কৰিবলৈ ছুযোৰা-তিনিযোৰা গায়ন-বায়নো আনে। কোনো কোনোৱে গায়ন-বায়নৰ লগতে আধুনিকতাৰ বহণ সানিবলৈ বেণ্ডপাৰ্টিৰো আয়োজন কৰে। ইয়াৰ বিয়াবোৰতো তেনে বেণ্ডপাৰ্টিৰ যোগাৰ আছে। এনে পাৰ্টিও টেলিফোনৰ যোগেৰে যোগাৰ কৰিব পাৰি।

আমাৰ ঘৰৰ নিচেই কাষতে এখন বিয়া হৈছিল। বাহিৰা সজোৱা-পৰোৱা সকলো আয়োজন আদিৰপৰা অন্তলৈকে দেখিছিলোঁ। কাৰণেই আজি বুকু-ডাঠি কথাখিনি সদৰী কৰিব পাৰিছোঁ।

লাজপট্ৰায় মাৰ্কেটলৈ বজাৰ কৰিবলৈ গৈ বাদ্য-যন্ত্ৰেৰে উপচি থকা দোকান এখনৰ সমুখত এদিন হঠাৎ উপস্থিত হলোঁগৈ। মৃদু-ধ্বনিৰে প্ৰায় দহ-বাৰজনমান মানুহে হিন্দী গানৰ সুৰ এটাৰ আখৰা দি আছিল। দোকানৰ সমুখত যেতিয়া উপস্থিত হলোঁগৈ তেওঁলোকৰ আখৰা বন্ধ হল। তাৰে এজনে উঠি আহি আমাক সুধিলে: "মাইজী, আপকো ক্যা................"

"নহী, অগৰ আপ্‌কা কষ্ট তক্‌লীফ না হ' ত' আপ্‌কো এক ৰাত পুছনা হ্যায়।"—মই কলোঁ।

"পুছ লিজীয়ে। তক্‌লীফকা ক্যা বাত হ্যায়?" মানুহজনৰ মোলায়েম কথাখিনিয়ে মোৰ কৌতূহলী মনটোক ইন্ধন যোগালে।

বহুত দিনৰেপৰা এওঁলোকৰ ব্যক্তিগত জীৱনৰ কথা জানিবলৈ মনটো খুদুৱাই আছিল। এনে এটা সুবিধা পাই এৰিবৰ মন নগল। আমি কথা পতা মানুহজনেই আছিল দলটোৰ মুৰব্বী। তেওঁৰ নাম জনাৰ্দ্দন সিন্‌হা। জনাৰ্দ্দনে কলিকতা বিশ্ববিদ্যালয়ৰপৰা বি. এ. ডিগ্ৰী লাভ কৰিছিল। নিখুঁত উচ্চাৰণত সাৱলীল গতিত ইংৰাজী কৈ যোৱা শুনি মই স্তম্ভিত হৈ তেওঁৰ মুখলৈ চাইছিলোঁ। মই দেশৰ কোন অঞ্চলৰ তেওঁ নিজেই অনুমান কৰি লৈছিল। কলিকতাত পঢ়ি থাকোঁতে কেবাগৰাকী অসমীয়া ছোৱালী লগ পোৱাৰ কথা মোক তেওঁ কলে। গ্ৰেজুৱেট এজন হৈ সামান্য বেণ্ডপাৰ্টি এটাৰ নায়ক হোৱা দেখি আচৰিত নহৈ নোৱাৰিলোঁ। এই বিষয়ে জনাৰ্দ্দনক সোধোঁতে, সৰুৰেপৰা বেণ্ডপাৰ্টিৰ প্ৰতি থকা দুৰ্ব্বলতাই ইয়াৰ ঘাই কাৰণ বুলি তেওঁ মোক কলে।

"আপোনালোকৰ আশীৰ্ব্বাদত, এতিয়া সকলো খৰচ-পাতি বাদ দি দুশ পঞ্চাশ টকামান মাহেকৰ মূৰত মোৰ হাতত থাকি যায়। জীৱিকা আৰ্জ্জনৰ আন উপায় হোৱা হলে হয়তো দুশ পঞ্চাশ টকা হাতত ৰখা দূৰৰ কথা, ধাৰহে লাগিলহেঁতেন"—এই বুলি কৈ জনাৰ্দ্দনে হাঁহিলে।

জনাৰ্দ্দনৰ দলৰ গোপাল সিং আৰু আলম সিঙকো লগ পাইছিলোঁ। নিৰক্ষৰ গোপাল সিঙে কলে: "যদিও কোনো দিনে এশ টকাৰ বেছি আৰ্জ্জিব পৰা নাই, তথাপি তেওঁৰ তিনিওটা লৰাকে শিক্ষা দিয়াৰ একান্ত ইচ্ছা। প্ৰত্যেকখন বিয়া বা উৎসৱত যিমান টকা পায়, তাৰে শতকৰা পঁচিশ টকা দলটোৰ সকলোকে সমানে ভগাই দিয়া হয়। তাৰোপৰি তেওঁলোকৰ সাজ-পোছাকো

বিনামূল্যে দিয়া হয়। এশটা টকাৰে কোনোমতে মাহটো চলি যাব পাৰিলেও কেতিয়াবা আৰ্থিক অনাটনে খুব বেয়াকৈয়ে গোপাল সিঙক আহুকালত পেলায়।

কথাৰ ভাগ লৈ আলম সিঙে কলে, "জীৱনত তেওঁ শিক্ষাৰ পোহৰ দেখিবলৈ সুবিধা নাপালে। আনকি তেওঁৰ 'ক্ল্যাৰিয়নেটত' তোলা সুৰ সম্বন্ধেও কোনো দিন ক'তো শিক্ষা লোৱা নাই। কেৱল অধ্যৱসায় আৰু একাগ্ৰতাৰ কাৰণেই আজি এই অৱস্থাত উপনীত হৈছেহি। গোপাল সিঙৰ দৰে তেওঁৰো মাহেকত এশটা টকাই উপাৰ্জ্জন হয়।

আলম সিঙৰ লগৰ আনবোৰ মানুহেও বিয়া-বাৰু নোহোৱা বতৰত গাঁৱলৈ যায়গৈ। গাঁৱত ঘৰৰ মানুহক খেতিৰ কামত সহায় কৰি, নাইবা শাক-পাচলি বেচি, নহলে চহৰৰপৰা লৈ যোৱা খেলনা, পুতলা আদি ফেৰি কৰি বাহিৰাকৈ দুপইচামান আৰ্জ্জন কৰে।

ওপৰত উল্লেখ কৰা সাজ-পোছাকৰ কথা কওঁতে এটা কথা কোৱা নহল। এওঁলোকে বেগু বজাওঁতে ইউনিফৰ্মৰ দৰে একোটা পোছাক (নীলা লংপেণ্ট আৰু ডিঙিবন্ধ কোট) পিন্ধি লয়। একে ধৰণেৰে কৰা পোছাকে তেওঁলোকৰ দলটোৰ গাম্ভীৰ্য্য বঢ়ায়।

......বাট দূৰণীয়া, বেলিও পৰি আহিল। আমি জনাৰ্দ্দন সিন্‌হাহঁতক মাত লগাই গুচি আহিলোঁ। জনাৰ্দ্দন, গোপাল, আলম সিঙে কি ভাবিছিল কব নোৱাৰিলোঁ, বহুত দিনৰেপৰা মনত গুমৰি থকা প্ৰশ্নৰ সমাধান হোৱা দেখি মোৰ মনটো ফৰকাল লাগিল।

।। প্ৰাসাদ সাজোঁতা ।।

মহানগৰীৰ সৰ্ব্বশ্ৰেষ্ঠ হোটেল এখনৰ কেইনলমান আঁতৰৰ জুপুৰি ঘৰবোৰৰ এটা জুপুৰি ঘৰত ভোলাই নিৰলে কটাই আহিছে সুদীৰ্ঘ আঠোটা বছৰ। পঁচপন বছৰীয়া ভোলাই জুপুৰিৰ দুৱাৰডলিত বহি গুড়গুড়ী টানি টানি কিবা ভাবত নিমগ্ন হৈ পৰিছিল। অদূৰত হোটেলৰ ৰঙা-নীলা লাইটবোৰ তৰা একোটাৰ দৰে তিৰবিৰকৈ জ্বলিছিল। ভোলাৰ চিন্তাৰ সোঁত ভটীয়াই বৈছিল।

সেয়া আঠোটা বছৰৰ আগৰ কথা। চণ্ডিগড়ৰ হাইকোৰ্ট, ইঞ্জিনিয়াৰিং কলেজ, নতুন দিল্লীৰ নাৰ্চিং হোম—প্ৰত্যেকটো অট্টালিকাৰ ইটাৰ গাঁথনিৰ মাজে মাজে ভোলাইঁতৰ বুকুৰ তেজ আৰু উশাহ-নিশাহবোৰ শুই আছে।

দিনটোৰ হাড়ভগা খাটনিৰ বিনিময়ত দুটকা চাৰি অনা ভোলাৰ হাতলৈ আহে। সেইখন হাতলৈ সতৃষ্ণ নয়নেৰে চাই থাকে নটা লৰা-ছোৱালী আৰু সিহঁতৰ মাকে। ধীৰে ধীৰে কৈ যোৱা ভোলাৰামৰ কথাবোৰ শুনি বিস্ময়াভিভূত হৈ পৰিছিলোঁ।

“কিন্তু সুখে-দুখেই জীৱন। আঁউসীৰ অন্ধকাৰ নিশা জোনবাইটো লুকাই নপৰা হলে শুক্লপক্ষৰ জোনটোৰ মূল্য নাথাকিলহেঁতেন”—বঢ়িয়া লাগিল ভোলাৰামৰ মুখত কথাষাৰ শুনি।

ভোলাৰামৰ সংসাৰৰ লেঠা বহুত। তিনিজনীকৈ গাভৰু ছোৱালী। সিহঁতৰ বিয়াৰ বয়স কেতিয়াবাই পাৰ হৈছে। তাৰোপৰি ভোলাই পঙ্গু ককায়েক-বৌৱেক আৰু ককায়েকৰ বিধৱা বোৱাৰীয়েককো পোহ-পাল দিব লাগে। “নাও হোৱা হলে বুৰিলহেঁতেন। কিন্তু ভগৱানে নাও বুৰিবলৈ নিদিয়ে”—হাত দুখন

যোৰ কৰি কপালত লগাই ভোলাই কলে। ঈশ্বৰৰ ওপৰত ভোলাৰ অটল বিশ্বাস।

চুবুৰিটোৰ আন দুজনমানৰ কথাও ভোলাই কলে। কিছুমানে মাহটোৰ আটাইকেইটা দিন কাম কৰিবলৈকে নাপায়। তাৰোপৰি সিহঁতৰ দিনটোৰ বানচ এটকা বাৰ অনাহে। তাৰে টকাটোত ন পইচাকৈ জিমাদাৰকো দিব লাগে। তেওঁলোকৰ আহুকাল বেছি। জিমাদাৰহঁতক হাতত ৰখা ভোলাহঁতৰ দৰে মানুহৰ নিতান্ত প্ৰয়োজন।

।। অফিচৰ কেৰাণী ।।

এদিন আবেলি চাণক্যপুৰীৰ পিনে ওলাই গৈছিলোঁ। পৰলোকগত আমাৰ মৰমৰ পণ্ডিত নেহৰুজীৰ ঘৰৰ সীমা পাৰ হৈয়েই এটা ডাঙৰ গড়খাবৈ পায়। দলঙৰ দৰে পকা পাৰটোতে এখন অস্থায়ীভাবে শাক-পাচলিৰ বজাৰ বহে। আবেলি অফিচত কাম কৰা মানুহবোৰে ঘৰলৈ উভতি যাওঁতে তাৰেপৰাই আলু, মূলা, বেঙেনা আদি যি পায়, থাউকতে কিনি লৈ যায়। খুব ভাল শাক-পাচলি নহলেও, সস্তীয়া দৰত কিছু তৰকাৰি-পাচলি কিনিব পাৰি। আবেলি পাঁচ বজাত বহা এই অস্থায়ী বজাৰখনে অফিচত কাম কৰা সকলক সুবিধা যে দিছে, সেই কথা মুই কৰিব নোৱাৰি। নহলে ইমান দূৰ বাট চাইকেল মাৰি গৈ বজাৰ কৰিবলৈ যাবলৈ তেওঁলোকৰ সময় নো ক'ত? তাৰোপৰি ভাগৰেও হেঁচা মাৰি ধৰিব।

তাতে এদিন সুমথিৰা বাইদেউৰ লগত পৰিচয় হৈছিল। সুমথিৰা বাইদেউ এই কাৰণেই বুলিছোঁ, চাইকেল মাৰি আহোঁতে আহোঁতে, বেচেৰীৰ সুগোল মুখখনিয়ে সুমথিৰা টেঙাটোৰ বৰণ ধৰিছিল।

তাৰপিছত এদিন সুমথিৰা বাইদেউ আমাৰ ঘৰলৈ আহিছিল। আমাৰ এইগৰাকী বাইদেউ অবিবাহিতা। সংসাৰৰ ঘাত-প্ৰতিঘাতত জৰাজীৰ্ণ হোৱা বাইদেৱে বিয়াৰ কথা ভাবিবলৈ পাহৰিলেই। যেতিয়া মনত পৰিল, তেতিয়া বহুত পলম হৈ গল—ককায়েকৰ ছোৱালীজনীকে উলিয়াই দিবৰ হল।

ল'ৰাৰ ডিভিজনত চাকৰি কৰা আজি বাইদেউৰ উনৈশ বছৰত ভৰি দিলেহি। এই সুদীৰ্ঘ উনৈশটা বছৰ কলম চলাই চলাই বাইদেৱে ত্ৰিশ টকাৰপৰা ছয়ষষ্ঠি টকালৈ দৰমহাৰ হাৰ উঠাব পাৰিছে। অবিবাহিতা সুমথিৰা বাইদেউজনীৰ চাবলৈ গলে একো আছুকালেই নাছিল। কিন্তু মনে খন্দা পুখুৰীৰ পানী খাবলৈ কেইজনে পায়? কথা নাই বতৰা নাই, এই হেন গজেন্দ্ৰ পুৰুষ যেন ককায়েকটো থিতাতে বেমাৰত পৰিল আৰু গল। সুমথিৰা বাইদেৱে চকুপানী টুকিছিল। মোৰ চকু দুটাও সেমেকি পৰিছিল। সেইদিনাৰেপৰা ককায়েকৰ ছটা লৰা-ছোৱালী আৰু বিধৱা বৌৱেকৰ দায়িত্ব, এগছী এনাজৰীৰ দৰে বাইদেউৰ ডিঙিত সাঙোৰ খালে।

ভগৱানৰ ওপৰত সুমথিৰা বাইদেউৰ অগাধ বিশ্বাস। "ভগৱানে কেতিয়াও বিপদত নেপেলায়"—এই বুলি বাইদেৱে সদায় ভাবি আহিছে। দহ বজাত অফিচ বহে যদিও বাইদেৱে ঘৰৰপৰা ওলায় চাৰে আঠ বজাতে। তেওঁ লগতে ককায়েকৰ ছোৱালী-জনীও লৈ আহে, তাই খাদ্য-সংৰক্ষণ বিভাগৰ এটা বেচৰকাৰী অনুষ্ঠানত শিক্ষা লৈছে।

সুমথিৰা বাইদেউ থাকে যিটো ঘৰত (ঘৰ মানে এটা কোঠালি) তাৰ ভাৰা মাহে বাৰ টকা। সেইটো ঘৰত যোৱা বাৰ বছৰে

বাইদেউ আছে। গবৰ্ণমেণ্টৰ চাকৰি কৰে বাবে, নিয়ম অনুসাৰে এটা গবৰ্ণমেণ্টৰ কোৱাৰ্টাৰ পায়। কিন্তু ক'ৰবাৰ দূৰৰ ঠাইত যদি ঘৰটো পায়, ককায়েকৰ লৰা-ছোৱালী কেইটাৰ পঢ়া শুনাৰ ব্যাঘাত জন্মিব। গতিকে সুমথিৰা বাইদেউৱে চৰকাৰী ঘৰ লোৱাৰ কথা কোনো দিনে ভবা নাই।

...বাইদেউ যাবলৈ উঠি চাইকেলখন ভালকৈ নিৰীক্ষণ কৰিছিল। চাইকেলখনৰ ওপৰতে বাইদেউৰ চাকৰি জীৱনটো নিৰ্ভৰ কৰিছে। চাইকেলৰ চকা এটা ফুটিলে কিজানি বাইদেউৰো ভৰি এখন খোৰা হোৱা যেন লাগিব।

বাইদেউ গললৈগে। একেঠাইতে বহি বাইদেউৰ কথাকে ভাবি আছিলোঁ। বাইদেউক মইহে সুমথিৰা নাম দিলোঁ। আচল নামটো মোৰ নজনাকৈয়ে থাকি গল ...

॥ জলপুৰি ঘৰৰ বাসিন্দা ॥

উনৈশ শ সাতাৱন চনৰ এটা দিনৰ কথা। সেই মুহূৰ্ত্তত পশ্চিম দিগন্তত বেলিটো এটা ৰঙা বেলুন হৈ ওপঙি ফুৰিছে। আকাশৰ নীলাৰ বুকুত ৰঙৰ পোহাৰ বহিছে। আমাৰ ট্ৰেইনখন ৰাজধানীৰ বুকুলৈ ক্ৰমাৎ আগুৱাই আহিছে। স্বাধীন ভাৰতৰ ৰাজধানী দিল্লী নগৰী আমাৰ কাৰণে তেতিয়াও সপোনপুৰী হৈয়ে আছিল। আমাৰ মনতো কল্পনাৰ সাতৰঙী পখিলাবোৰে পাখি মেলি উৰিছিল।

দ্ৰুতবেগী ট্ৰেইনখন ক্ৰমাগত আগবাঢ়ি আহি যমুনা নৈৰ দলংখনৰ ওপৰেদি আগুৱাই আহিল। আমাৰ কৌতূহলী চকুৱে

চাৰিওপিনে চাবলৈ ধৰিলে। তেতিয়া আমাৰ চকুত যমুনা-পাৰৰ কেঁচা খেৰৰ গছবোৰ আৰু কঁহুৱা বনবোৰ ধৰা পৰিছিল। যমুনা নৈখন বাটি কাঢ়ি থোৱা দহনেছীয়া সূতাৰ কাপোৰ এখনৰ দৰে পৰি আছিল। দূৰণিত কিছুমান জুপুৰি ঘৰ। আমি আগুৱাই আহিলোঁ আৰু বহুতো। এয়া দিল্লী ষ্টেচন পাওঁ পাওঁ। তেতিয়া প্ৰায় আন্ধাৰেই হৈছিল। কিন্তু গেছ লাইটৰ পোহৰে গোটেইখন দিন যেন পোহৰ কৰি থৈছিল। আমি দিল্লীৰ মাটিত ভৰি দিলোঁ। কোলাহল-মুখৰ ব্যস্ত ষ্টেচনটোৰপৰা ওলাই আহোঁতে দুয়োকাষৰ দোকান-পোহাৰবোৰ আৰু ব্যস্ততাৰে অহা-যোৱা কৰা মানুহ, মটৰ, চাইকেল, টেক্সি—সকলোবোৰ নিৰীক্ষণ কৰিছিলোঁ। সেই দিনটোৰ সোঁৱৰণী এটা ধুনীয়া সপোন হৈ আজিও আমাৰ মনত শুই আছে।

লাহে লাহে ৰাজধানীত আমাৰ কেইবাটাও বছৰ পাৰ হল। এই কেইবছৰে আমি বহুতো দেখিলোঁ, বহুতো শুনিলোঁ। প্ৰতিটো দিনেই যেন একোটা মনোৰম অভিজ্ঞতা। ধুনীয়া সুসজ্জিত ঘৰবোৰ দেখি আমি নিষ্পলক হৈ চাই ৰওঁ। কিন্তু লাহে লাহে উপলব্ধি কৰিছোঁ—সেই চোৱা, কেৱল চকুৰ তৃপ্তিৰ কাৰণেহে। সেই ধুনীয়া ঘৰবোৰে আমাৰ মনত সম্মোহনৰ সৃষ্টি কৰিব পৰা নাছিল। এটা কথা নিবিড়ভাৱে উপলব্ধি কৰিছিলোঁ;—সমগ্ৰ ভাৰতৰ জীৱনৰ মানদণ্ড এয়া হব নোৱাৰে। সেয়া হবলৈ হলে বহুতো বছৰ বাট চাব লাগিব। ধুনীয়া অট্টালিকাবোৰে আমাৰ মনত সম্মোহনৰ সৃষ্টি কৰিব পৰা নাছিল, আমাক আকৰ্ষণো কৰিব পৰা নাছিল। আমি শুনিছিলোঁ, আমাক যেন কোনোবাই বিড়িয়াই মাতিছে, সেই জৰাজীৰ্ণ ঘৰবোৰৰপৰা।

দুবছৰমানৰ পিছৰ কথা। আমি কেইবাগৰাকীও একেলগ হৈ যমুনা-পাৰৰ জুপুৰি ঘৰৰ বস্তিখনলৈ গৈছিলোঁ। দুবছৰৰ আগৰ সেই দিনটোলৈ মনটো মোৰ উৰা মাৰিছিল। যমুনাৰ দলংখনৰ ৰিণিকি-ৰিণিকি আমাৰ চকুত পৰিছিল।

প্ৰায় চাৰি হেজাৰ মানুহৰ বসতি এই অঞ্চলত। চাপৰ চাপৰ ঘৰবোৰৰ মাজে মাজে লুংলুঙীয়া বাটেৰে আগ বাঢ়িছিলোঁ। ঝুপুৰি এটাৰ কাষতে মহিলা এগৰাকীয়ে বাল্টিৰে সজা চুলা এটাত আটাৰ ৰুটী সেকি আছিল। ওচৰতে নাৰিকলৰ বছীৰে গুঁঠা বিচনা এখনত ছুবছৰীয়ামানৰ ছোৱালী এজনী বহি আছিল। তাই আমাক আচহুৱা যেন দেখি মাকৰ কোলালৈ থুন্‌থুনালে। দীঘলকৈ ওৰণিখন টানি মাকে আমাক বহিবলৈ বিচনাখনকে আগবঢ়ালে।

দিনটোৰ কৰ্ম্মব্যস্ততাৰ পিছত গিৰিহঁতবোৰ ঘৰলৈ উভতি আহিব। প্ৰায়বোৰ তিৰোতা মানুহকে খোৱাৰ আয়োজন কৰাত ব্যস্ত দেখিলোঁ। পোনতে লগ পোৱা মহিলাগৰাকীৰ নাম শ্ৰীমতী ভগীৰথ। অতিথি শুশ্ৰূষাৰ কাৰণে তেওঁ ব্যস্ত হৈ পৰিল। আমি তেওঁক ওচৰতে বহি কথা পাতিবলৈ মাতিলোঁ।

শ্ৰীমতী ভগীৰথে নিজেই আৰম্ভ কৰিলে। তেওঁৰ গিৰিহঁত কামৰপৰা উভতি অহা নাই এতিয়াও। অভাৱ-অভিযোগ, নানা আলৈ-আহুকালৰ মাজত থাকিও শ্ৰীমতী ভগীৰথে সেই এধানমানি ঝুপুৰিটোতে প্ৰাণগঙ্গা বিচাৰি পাইছে। শ্ৰীমতী ভগীৰথ তৃপ্তিৰ এটি প্ৰতিমূৰ্ত্তিহে যেন।

শ্ৰীমতী বলৰাজক কিন্তু একেবাৰে বিপৰীত যেন লাগিল। অভাৱ-অনাটনে তেওঁক জুৰুলা কৰিছে। তেওঁৰ স্বামীয়ে পাইকাৰী দৰত বজাৰৰপৰা শাক-পাচলি কিনি আনি ঘৰে ঘৰে বেচি ফুৰে। তাৰপৰা কোনোমতে ছুটা টকা উপাৰ্জ্জন হয়। প্ৰত্যেক মাহতে ধাৰ লাগে, ছুটা টকাৰে এটা পৰিয়ালৰ চলিবলৈ টান হয়। তাৰোপৰি সেই চুবুৰিত পানী, বিজুলী চাকি আদি একোৰে সুবিধা পাবলৈ নাই। দিনটোৰ কাৰণে পানী গোটাই থবলৈ হলে ৰাতি চাৰি বজাতে শোৱাপাটী এৰিব লাগে। তাৰোপৰি ঘিট্‌মিটীয়া এন্ধাৰ। অন্ধকাৰ নিশাতো দিন যেন পোহৰ হৈ থকা দিল্লী

মহানগৰীৰ বুকুত অন্ধকাৰ গাঁও আছে। সেইবোৰ গাঁৱৰ বাসিন্দা-সকলৰ অন্ধকাৰময় জীৱনৰ কথা কোনেও নাজানে।

...মহানগৰীৰ ব্যস্ত জীৱনৰ মাজৰপৰা লৰবি আহিছিলোঁ অন্ধকাৰ জুপুৰি ঘৰৰ বিং শুনি। মহানগৰীৰ পোহৰবোৰ আন্ধাৰ জুপুৰিলৈ আনিব নোৱাৰিলোঁ। তাৰ পৰিবৰ্ত্তে মনবোৰ সমবেদনাত ভাৱাক্ৰান্ত হৈ এলান্ধুক'লীয়াহে হৈ ৰল।

॥ মটৰ গাড়ী চাফা কৰা লৰা ॥

দিল্লী মহানগৰীত সৰহ সংখ্যক লোকৰে নিজা গাড়ী আছে। তেনে মটৰ গাড়ী থকা লোকসকলৰ গাড়ী থৰলৈ গেৰেজ আছে, এজন ড্ৰাইভাৰো থাকে। নাইবা গৰাকীয়ে নিজে গাড়ী চলালেও এজন তেওঁলোকৰ ঘৰুৱা বন কৰা লৰা থাকে, যিজনে গাড়ীখন ধুই, মচি-কাচি সুন্দৰকৈ যতনাই থয়, যাতে গিৰিহঁতে সময়ত থাউকতে গেৰেজৰপৰা গাড়ীখন উলিয়াই লৈ যাব পাৰে। তেওঁলোকৰ অৱশ্যে সমস্যা নাই। কিন্তু এনে কিছুমান মানুহৰ গাড়ী আছে, তেওঁলোকে গাড়ী থয় পদূলি-মুখত বাটৰ একাষৰীয়াকৈ। গাড়ী থৰলৈ তেওঁলোকে গেৰেজ সজা নাই, হয়তো তেনে এজন মটৰ গাড়ীৰ গৰাকীয়ে ড্ৰাইভাৰৰ হাতত গাড়ীখন এৰি দিয়াতকৈ নিজে চালক হৱলৈহে ভাল পায়। কিন্তু তেওঁলোকে নিজে মটৰ গাড়ীখন ধুই-পখালি লৱলৈও আহুকাল পায়। ঘৰৰ ইটো-সিটো লাচনি-পাঁচনি কৰোঁতে বন কৰা লৰাটোৰো আজৰি নাই। তেনেস্থলত গাড়ীৰ গৰাকীয়ে কোনো সমস্যাৰ সম্মুখীন হব নালাগে।

দিল্লীত, সাময়িকভাৱে মটৰ গাড়ী ৰখি দিয়া, গাড়ী চাফচিকুণ কৰি দিয়া লৰা বিচাৰিলে পায়। সম্ভৱতঃ মহানগৰীৰ বাহিৰে অনেকৈ গাড়ী চাফ কৰি দিয়া লৰা আন ঠাইত নাপায়। কলিকতা, বম্বেৰ অভিজ্ঞতা মোৰ নিচেই তাকৰ।

এইষাৰ কথা আবিষ্কাৰ কৰিছিলোঁ, সিদিনা অলপতে। আমাৰ প্ৰতিবেশীৰ ৗ বন কৰা লৰা নাই। প্ৰতিবেশিনীৰ সদায় ওজৰ-আপত্তি, টকা দিলেও মানুহ পাবলৈ নাই বুলি। কিন্তু সদায় ৰাতিপুৱা দেখোঁ, লৰা এটাই তেওঁলোকৰ গাড়ীখন মচি-কাচি চিকুণকৈ দিয়েহি।···তেৰ-চৈধ্য বছৰীয়া সুন্দৰলালে প্ৰত্যেক দিনে ৰাতিপুৱা আহি প্ৰতিবেশীৰ গাড়ী চাফ কৰি দিয়েহি। বিনিময়ত তেওঁ মাহৰ মূৰত দহটা টকা লয় গৰাকীৰপৰা। এদিন ৰাতিপুৱা ফুৰিবলৈ যাওঁতে গাড়ীখনৰ ওচৰতে বৈ সুন্দৰলালে কাম কৰা চাই আছিলোঁ। তেতিয়াই সুন্দৰলালে কৈছিল, এইদৰে তিনি-চাৰি ঘৰত কাম কৰি, কোনো ঘৰত দহ টকা, কোনো ঘৰত বাৰ টকা, এঘৰত পোন্ধৰ টকাও পায়। সুন্দৰলালৰ টকাৰ অভাৱ নাই। দুপৰীয়া কাৰখানা এটাত গাড়ীৰ কাম শিকে। লৰামতীয়া সুন্দৰলালেও ভগৱানৰ নাম লবলৈ নাপাহৰে। ভগৱানে কৰিলে, কেইটামান বছৰৰ পিছত ড্ৰাইভাৰৰ কাৰণে লাইচেঞ্চ লব পাৰিব বুলি তেওঁ মোক কয়। তেতিয়া মাহে এশ-ডকুৰি টকা অনায়াসে তেওঁৰ হাতলৈ আহিব বুলিও কয়। এখুজি-দুখুজিকৈ মই আঁতৰি আহিছিলোঁ। সুন্দৰে পিছফালৰপৰা মাত লগালে: "মাইজী, আপোনাৰ গাড়ী থাকিলে মই চাফা কৰি দিব পাৰোঁ।" উত্তৰত মই হাঁহি কলোঁ: "এতিয়া নাই, কেতিয়াবাকৈ যদি গাড়ী লব পাৰোঁ, তোমাক ড্ৰাইভাৰ কৰিয়েই লম।" মই লাহে লাহে আঁতৰি পৰিলোঁ। সুন্দৰলাল হয়তো এদিন কাৰোবাৰ গাড়ীৰ ড্ৰাইভাৰ হব, মোৰ কিন্তু গাড়ী লোৱা এই জনমত নহব।

আন এদিনৰ কথা। কৰ্ণাট প্লেছৰ এখন ডাঙৰ দোকানৰ সমুখত এগৰাকী মহিলাই তেওঁৰ মটৰ গাড়ীখন পাৰ্ক কৰিছে। এজাকমান চেমনীয়া লৰাই "মাইজী" "মাইজী" বুলি চিঞৰ-বাখৰ কৰি মানুহগৰাকীক ব্যতিব্যস্ত কৰি তুলিছে। আঁতি-গুৰি একো বুজিব নোৱাৰি সেইখিনিতে অলপ বৈ ঘটনাৰ আলেখ-লেখ চালোঁ। মহিলাগৰাকীয়ে হাতত ভেনিটি বেগটো লৈ গাড়ীৰপৰা নামি আহিল। গাড়ীৰ চাবিওখন দুৱাৰ ভালকৈ বন্ধ হৈছে নে নাই নিৰীক্ষণ কৰিলে। তাৰপিছত এটা পইচা বেগৰপৰা উলিয়াই শূন্যলৈ দলিয়াই দি মিচিকি মিচিকি হাঁহি সিহঁতলৈ চাই থাকিল। ইতিমধ্যে পইচাটো বুটলিবলৈ লৰাহঁতৰ মাজত কঢ়া-আঁজোৰা লাগিছিল। অৱশেষত সিহঁতৰে এটা লৰাই পইচাটো বুটলি লব পাৰিলে। পেন্টৰ জেপত পইচাটো ভৰাই, হাতত থকা কাপোৰখনেৰে মটৰ গাড়ীখন চাফা কৰিবলৈ ধৰিলে। বাকীকেইটা লৰাই আন গাড়ী আহিছে নে নাই, চাই চাই ফালৰি কাটিলে। মহিলাগৰাকী মোৰ কাষেৰেই গৈ দোকানত সোমালগৈ। লৰা কেউটাৰে পৰিধানত ফটা-ছিটা মলিয়ন কাপোৰ যদিও দেখাত মৰম লগা। দহ-বাৰ বছৰমানৰ বেছি এটাৰো নহব। এটা লৰাৰ হাতত কেইখনমান 'Evening News' বাতৰি কাকত। এটা লৰাৰ হাতত আকৌ বিলাসী গ্ৰাহক-সকলে খোপাত মাৰিব পৰাকৈ ফুলৰ মালা। ফুলৰ মালা লৈ থকা লৰাটোক মাতিলোঁ মোৰ ওচৰলৈ। হয়তো সি ভাবিছিল, ময়ো এধাৰ মালা কিনিম বুলি। তাৰ আগ্ৰহ দেখি নিকিনি নোৱাৰিলোঁ, অৱশ্যে খোপাত মাৰিবলৈ নহয়, গোন্ধটো বৰ ভাল বুলিয়েই কিনিলোঁ। তাৰপিছত তাৰ লগত কথা আৰম্ভ কৰিলোঁ। লৰাটোৱে মোৰ লগত কথা পাতিছিল যদিও, তাৰ চকু আছিল আলিবাটত। জানোচা, এইবাৰো তাৰ দুপইচা পোৱাৰ সুদা যাবে। সি কৈছিল, সিহঁতে এইদৰে গাড়ী চাফা কৰি চাবি অনা,

আঠ অনা পায়। কোনোবা সহৃদয়া মহিলাই এটকা পর্য্যন্তও দিয়ে। বিশেষকৈ বিদেশী মহিলা বা পুৰুষে পইচা দিওঁতে হাত নধৰে। দিনটোত বোলে সিহঁতৰ এইদৰেই চাৰি টকামান উপাৰ্জ্জন হয়। ইয়াৰ মাজতে আজৰি সময়ত সি আৰু তাৰ লগৰ কেইটা-মানে ফুলৰ মালা বেচে। আৰু আন কেইটামানে 'Evening News' বাতৰি কাকত বেচে। তাৰপৰাও সিহঁতৰ অলপ পইচা ওলায়। সেই লৰাজাকৰ ভিতৰৰে কেইটামানে মটৰ গাড়ীত ৰং লগাই পালিচ কৰি দিবলৈও গাত লয়। অৱশ্যে সিহঁতৰ পাৰিশ্ৰমিক বেছি—তিনি টকা। কিন্তু তেনেকৈ পালিচ কৰাবলৈ খুব কম গাড়ীৰ মালিকেই মান্তি হয়। বুট-পালিচ কৰা লৰাতকৈ ইহঁতৰ ব্যৱসায় ভাল। কাৰণ গাড়ীখন চাফ কৰিবলৈ এটিন পানী, অলপমান ফটা কাপোৰ আৰু তাৰ হাতৰ পৰিশ্ৰমেই যথেষ্ট। বুট-পালিচৰ লৰাবোৰে আকৌ জোতাৰ ৰং কিনিব লাগে, ব্ৰাছ কিনিব লাগে। সেইবোৰ খৰচ আছেই। লৰাটোৱে কথাখিনি কৈ থাকোঁতেই এখন গাড়ী আহি ৰলহি। তাকে দেখি লৰাটো ভিৰাই লৰ মাৰিলে। হাতৰ মালাধাৰৰ সুগন্ধ লৈ ময়ো মোৰ গন্তব্যস্থানলৈ আগ বাঢ়িলোঁ।

।। সাপ-নচুওৱা মানুহ ।।

চেমছ্‌ফোৰ্ড ক্লাব, দিল্লী মহানগৰীৰ এটা লেখত লবলগীয়া অনুষ্ঠান। ইয়ালৈ বৰ বৰ মানুহ, বিদেশী ৰাষ্ট্ৰদূতসকল অহা-যোৱা কৰে। এই ক্লাবৰ পদূলি-মুখতে দুজন সাপ-নচুওৱা মানুহে সাপ নচুৱাই আছিল। দিল্লীত এই মানুহবিধৰ সেই যাদু-মিহলি

বাজনাটোৰ মন নাচি উঠা সুৰ নিলগৰপৰাই শুনিছোঁ। কিন্তু নাচোন হলে দেখা নাছিলোঁ। আমি ফুৰিবলৈ ওলাই গৈ বাটতে থমকি বলোঁ, সাপ-নচুওৱা চাবলৈ। দুয়োজন সাপ-বাজিকৰে মুখ ফুলাই ফুলাই পেঁপা বজাইছিল। সেই পেঁপাৰ সুৰটো আৰু ইয়াত প্ৰচলিত বাঁহ এচটাৰে সজা বীণখনৰ সুৰটো শুনিবলৈ বৰ ভাল লাগে। ইমান নিপুণভাৱে লতাই গোৱা একোটা হিন্দী গানৰ সুৰ এই বাঁহ এচলাৰে সজা বীণখনত ফুটাই তোলে, শুনিলে আচৰিত নহৈ নোৱাৰি। মনতে ভাব হয়, এওঁলোকক নি কোনোবা সঙ্গীতজ্ঞৰ ওচৰত থব পৰা হলে কিমান যে কি শিকি নেপেলালেহেঁতেন।

সাপ-নচুওৱা মানুহজনে পেঁপাটো বজাই বজাই কাপোৰেৰে বান্ধি থোৱা জপাটো খুলিলে। পেঁপাৰ সুৰৰ তালে তালে এটা ফেটীসাপ নাচি নাচি মূৰ দাঙি উঠিল। ইতিমধ্যে এযোৰা ভদ্ৰলোক-ভদ্ৰমহিলা সাপটোলৈ কেৰাহিকৈ চাই লাহেকৈ ক্লাবৰ গেটৰ পিনে আগ বাঢ়িল। সাপ-নচুওৱা মানুহ দুজনে দুগুণে পেঁপা বজালে। চাওঁতে বিদেশী পুৰুষ-মহিলাযোৰা খট্‌খটী বগাই ক্লাবৰ ভিতৰলৈ সোমাই গল। তেওঁলোক দুজন কিন্তু নিৰাশ নহল। ইতিমধ্যে গোটখোৱা মানুহখিনিক এটা এটাকৈ চাৰিটা ডাঙৰ সাপৰ নাচোন দেখুৱালে। খেলাৰ শেষত সকলোৱে দুঅনা, চাৰি অনা পইচা দি আঁতৰি পৰিল।

সাপ-বাজিকৰ জামানে দৰ্শকৰে এজনক কলে: "চাওক, আপোনালোকৰ অনুগ্ৰহত আজি দিনটোৰ ভিতৰত এই কেইটা পইচাই পালোঁ। আজিৰ এই পৃথিৱীখনত মানুহৰপৰা পইচা এটা পোৱা যিমান কঠিন, সাপ এটা হাবিৰপৰা ধৰি অনাও সিমান কঠিন কাম নহয় কিজানি।" জামানেই কলে: "চাওকচোন, আগতে এই বিদেশীসকলেই আমাক এটকা-দুটকা পৰ্য্যন্তও দিছিল, কিন্তু আজিকালি তেওঁলোকে আমালৈ

কেৰাহিকৈও নোচোৱা হল।" ইয়াৰ কাৰণে তেওঁলোকে বোলছবিৰ জগতখনক দোষাৰোপ কৰিলে। বোলছবিয়ে তেওঁলোকৰ ব্যৱসায়ৰ সকলোখিনি গোপনীয় কথা বাহুল্যভাৱে প্ৰচাৰ কৰিলে। ফলত তেওঁলোকৰ ছবেলা পেট ভৰাই খাবলৈও উপায় নোহোৱা হল।

জামানৰ কথাবোৰত অনুসন্ধানৰ বহঘৰা বিচাৰি পাই মযে সুধিলোঁ, তেওঁলোকৰ ঘৰ ক'ত? এই ব্যৱসায় কিমান দিন কৰিছে ইত্যাদি। জামানৰ বয়স প্ৰায় উনপঞ্চাশৰ ওচৰা-উচৰি। কেদাৰ কিন্তু তেনেই চেঙেলীয়া লৰা। পোনতে মই ছয়োকো বাপেক-পুতেক বুলিহে ভাবিছিলোঁ; কিন্তু দৰাচলতে নহয়। জামান, কেদাৰহঁতৰ ঘৰ দিল্লীৰপৰা কেইমাইলমান ব্যৱধানত থকা গাজিয়াবাদৰ ওচৰৰ গাঁৱত। সেইখন গাঁৱত সাপ-নচুওৱা মানুহৰ প্ৰায় নটা পৰিয়ালৰ বসতি। কেদাৰ আৰু জামানৰ ভিতৰত কোনো সম্বন্ধ নাই যদিও ছয়ো ওচৰা-উচৰিকৈ থাকি একে ব্যৱসায়কে কৰি তেনেই আপোন যেন হৈ পৰিছে। তেওঁলোক ছয়োৰে মাজত মুঠতে বাইশটা প্ৰাণীক পোহপাল দিব লাগে। ইপিনে দিনটোৰ উপাৰ্জ্জন চাৰি টকা বা পাঁচ টকাৰ বেছি নহয়। আগৰ দিনবোৰ ভাল আছিল। তেতিয়া বিদেশীসকলে কুৰিটা টকা পৰ্য্যন্ত চকুৰ পচাৰতে দি দিছিল।

জামানহঁত থাকে বাপুজীৰ সমাধিস্থান ৰাজঘাটৰপৰা অলপ দূৰত। নিজে সাজি লোৱা মাটিৰ জুপুৰি ঘৰত। সপ্তাহে সপ্তাহে তেওঁলোকে গাজিয়াবাদৰ ওচৰত থকা নিজৰ গাঁৱলৈ যায়, সাঁচতীয়া ছই-চাৰি পইচা পৰিয়ালক দিবৰ কাৰণে। জহকালি বোলে তেওঁলোক কেবাজনো লগ লাগি পাগাৰলৈ যায় সাপ ধৰিবলৈ। এবেলি বান্ৱাৰী বোলা এজনে ডাঙৰ ফেটীসাপ এটা কাশ্মীৰৰ হাবিৰপৰা ধৰি আনি মানুহক দেখুৱাই বহুতো পইচা আৰ্জ্জিলে। লৰামতীয়া কেদাৰে আমাৰ লগত প্ৰাণ খুলি কথা পাতিছিল।

কেদাৰে কৈছিল: "একেটা সাপকে কেবাবছৰো ৰাখিব নোৱাৰি। জঁপাত থাকি থাকি সিহঁত তেনেই সোবোঁপা হৈ পৰে। নচুৱাবলৈ হলে সাপটো অলপ তজবজীয়া হব লাগে। তেতিয়া হলে সাপ নচুৱায়ো ভাল লাগে, মানুহেও চাই ভাল পায়। সেই কাৰণেই তেওঁলোকে সোবোপা হৈ যোৱা সাপবোৰ এৰি দি নতুন সাপ ধৰি আনে।

কেদাৰেই কলে: সাপ পোহা এটা ডাঙৰ খৰচ। বিশেষকৈ গাখীৰতে বহুত পইচা যায়। একোটা সাপে বোলে তিনি পোৱা পৰ্য্যন্ত গাখীৰ খাব পাৰে।

"এনে আসন্ন বিপদক হাতৰ ওচৰত লৈ ফুৰাটো মাৰাত্মক কথা নহয় জানো? তাৰ কাৰণে তোমালোকে কি ব্যৱস্থা লোৱা?"—মই কেদাৰক সুধিলোঁ। এইবাৰ কেদাৰ গহীন হল। জামানে কেদাৰলৈ কেৰাহিকৈ চালে। এইষাৰ কথা যে গোপন কৰি ৰাখিব খুজিছে, তেওঁলোকৰ ভাব-ভঙ্গিৰপৰাই বুজিলোঁ। জামানে গহীন হৈ কলে: "অৱশ্যে আমি যদি কেতিয়াবা বিপদত পৰোঁ, তাৰ ঔষধ আমাৰ হাতত আছে। সেই ঔষধ আমি আমাৰ উপৰি পুৰুষৰপৰা পাইছোঁ। পুৰুষে পুৰুষে এই ঔষধে কাম কৰি আহিছে। এই ঔষধৰ কথা আমাৰ মাজত গোপনীয় হৈ থাকিব। আমাৰ নাতি-পুতিৰ কাৰণে আমাৰ লৰাহঁতক আমি শিকাই যাম।"

"তোমালোকে লিখা-পঢ়া শিকি এই ব্যৱসায় এৰিবলৈ যত্ন নকৰা কেলেই?" মোৰ প্ৰশ্নটোৱে জ্বলা জুইত যেন ঘিউহে ঢালিলে। কেদাৰে চিঞৰি উঠিল: "কেলেই পঢ়িম? আমি হেজাৰ সুবিধা পালেও কেতিয়াও নপঢ়োঁ। ঈশ্বৰপ্ৰদত্ত এনে ধুনীয়া ব্যৱসায় আমি কেলেই এৰি দিম? বনৰীয়া একোটা হিংস্ৰ প্ৰাণীক বশীভূত কৰিব পৰাটো ঈশ্বৰৰ আশীৰ্ব্বাদ নহয় জানো?"ময়ো মনতে চিন্তা কৰিলোঁ, সঁচাকৈয়ে এনে ব্যৱসায় উলাই কৰা বিধৰ নহয়। মনতে

ভাবিলোঁ, জামান আৰু কেদাৰক সেই গানটো শিকাই দিব পৰা হলে। সেই গানটো:

"নতুন নাগিনী
 কাল-নাগিনী
তোমাক ভুলাবলৈ
 কিমাননো পৰ?"

॥ মোহন হোটেল ॥

এই মহানগৰীত ডাঙৰ ডাঙৰ অলেখ দোকান দেখিছোঁ। ধুনীয়া, জাক-জমকপূৰ্ণ ৰেষ্টোৰাঁ দেখিছোঁ। ডাঙৰ ডাঙৰ দোকানৰ গহীন গহীন বস্তু। দাম শুনিলেই ধাতু উৰিব খোজে। সেইবোৰ বস্তু কিনিবলৈ যোৱাৰ কথা কল্পনাতীত। তথাপিও তেনেবোৰ দোকানে দোকানে ভুমুকি মাৰি বস্তুৰ দাম শুধি ফুৰাটোতো তৃপ্তি আছে। তৃপ্তি এই কাৰণেই যে বৰ বৰ মানুহে যি বস্তু ব্যৱহাৰৰ কাৰণে কিনি নিয়ে, তেনে বস্তু চকুৰে চাই আমি মনৰ হেপাহ পলুৱাওঁ। ডাঙৰ ডাঙৰ ৰেষ্টোৰাঁৰ ক্ষেত্ৰতো সেই একেটা কথা। তাপ নিয়ন্ত্ৰণকাৰী যন্ত্ৰ লগোৱা ধুনীয়া, সুসজ্জিত কোঠালিবোৰ, তাত হেনো "কিবা বোলে খাবও পাৰি, চাবও পাৰি" ব্যৱস্থাৰ কথা সঁচাকৈয়ে গহীন। তেনে একোখন ৰেষ্টোৰাঁত সন্ধি নোহোৱাকৈ মানুহৰ ভিৰ। এনে ভিৰ দেখিলে মনতে ভাব হয়, দেশখনত জানো সঁচাকৈয়ে অনাটন হৈছে। নহলে একোজন মানুহে বা একোটা পৰিয়ালে, একেসাজতে কুৰি-পঁচিশ টকা খৰচ কৰিব পাৰিলেহেঁতেন জানো?

দকৈ ভাবিবলৈ গলে, এই কুৰি-পঁচিশ টকা একোটা মধ্যবিত্ত পৰিয়ালৰ এমাহৰ খোৰাক নহয় জানো? এইখন দেশত ধনী সম্প্ৰদায়তকৈ মধ্যবিত্তৰ সংখ্যাই অধিক নহয় জানো? এই বেষ্টোৰাঁত গোট-খোৱা মানুহবোৰৰ সৰহ সংখ্যকেই মধ্যবিত্ত শ্ৰেণীৰ যেন অনুমান হয়। তথাপিও তেওঁলোকে এই খন্তেকীয়া কৃত্ৰিম জীৱনৰ মাজত নিজক বিলাই দিব খোজা দেখিলে মনটো কেনেবা লাগে। পাশ্চাত্য সভ্যতাই দেশখন শিপাই পেলালে। পশ্চিমীয়া ধৰণ কৰণে আমাৰ মানুহক মতলীয়া কৰিছে। আমাৰ মানুহে নিজৰ জীৱনৰ মানদণ্ডৰ বিষয়ে জ্ঞাতে বা অজ্ঞাতে হওক, সজাগ হব পৰা নাই। আমাৰ জীৱনৰ মানদণ্ড কি, আমাৰ দেশখন কিমান সমৃদ্ধিশালী, এখন দুৰ্দ্দশাগ্ৰস্ত দেশক সকলো পিনৰপৰা সমৃদ্ধ কৰি তুলিবলৈ আমি কিঞ্চিত পৰিমাণে হলেও কি কৰিব পাৰোঁ, এনেবোৰ কথা আমি কেতিয়াও চিন্তা কৰা নাই।…এনেবোৰ চিন্তাই মোৰ অন্তৰখন থকা-সৰকা কৰিছিল। ফুটপাথেদি আগুৱাই আহি আছিলোঁ। হঠাতে টেক্সি-ষ্টেণ্ড এটাৰ অলপ দূৰত এজোপা গছৰ তলত এটা পেট্ৰ'মাক্স লাইট জ্বলি থকা দেখিলোঁ। তাত গোট-খোৱা মানুহৰ মাজত কিবা এক ব্যস্ততাৰ উমান পাই অলপ আগবাঢ়ি গলোঁ। এইজোপা গছৰ তলত যিখন ছবি দেখিলোঁ, সেইখন ছবি মোৰ মনৰ পটত আঁকা হৈ ৰল।…এটা ডাঙৰ কয়লাৰ চুলা। দহ-দহীয়া আঙঠাৰে জুইকুৰাই খাওঁ খাওঁ কৰিছে। চুলাটোৰ দুখন মুখ। এখন মুখত ডাঙৰ পিতলৰ চচ্‌পেন এটাত কিবা গৰম কৰি থোৱা আছে। আনখন মুখত তেৱা পাতি লৈ এজন মানুহে আটাৰ কটী সেকিছে। অপূৰ্ব্ব নৈপুণ্যতাৰে মানুহজনে সানি থোৱা আটাৰ লাড়ু একোটা কৰি লৈ দুয়োখন হাতৰ তলুৱাৰে থপৰিয়াই থপৰিয়াই গোলাকৃতিৰ কটী একোখন কৰি লৈ তেৱাখনত দিছে। অলপ ইলুটি-সিলুটি কৰি সেকাৰ পাছত দহদহীয়া আঙঠাৰ ওপৰত পেলাই দিছে, চকুৰ পচাৰতে ধুনীয়া এখন মুগাবৰণীয়া কটী হৈ পৰিছে।

শকত-আৰত মানুহজন জুইৰ তাপত সেন্দুৰ যেন বণ্ডা হৈছে। নিপুণ হাত দুখন যন্ত্ৰৰ দৰে চলিছে। লগে লগে দুজন সহায় কৰা লৰাই ওচৰৰ চচ্‌পেনটোৰপৰা তৰকাৰি আৰু গৰম গৰম ৰুটী নি মাটিতে লেপেটি খাই বহা মানুহবোৰক খাবলৈ দিছেগৈ। এইখিনি মানুহে যিকণ তৃপ্তিৰে সাধাৰণভাৱে, আটাৰ ৰুটী দুখন আৰু তৰকাৰি খাইছে, তাৰ তুলনাত তাপ নিয়ন্ত্ৰণকাৰী যন্ত্ৰ থকা ডাঙৰ ডাঙৰ দোকানৰ সুসজ্জিত টেবুল-চকীত বহি খোৱা বিবিধ ব্যঞ্জন জেনেই অৰ্থহীন যেন লাগে। এবিধ তথাকথিত ভদ্ৰসমাজৰ অলাগতিয়াল বিলাসিতা, আনবিধ সাধাৰণ জীৱনৰ জীয়াই থাকিবলৈ কৰা অতি প্ৰয়োজনীয় এটি অনাড়ম্বৰ আয়োজন। বাস্তৱ জীৱনৰ এই অপূৰ্ব্ব ছবিখনিয়ে মোৰ মন আকৰ্ষণ কৰিলে—অতি নিবিড়ভাৱে।

গছজোপাৰ গাত আঁৰি থোৱা এডোখৰ পিচবোৰ্ডত হিন্দী আখৰেৰে লিখা আখৰ কেইটা "মোহন হোটেল" মোৰ চকুত পৰিল। গছৰ তলৰ অনাড়ম্বৰ এই পৰিবেশটোৱেই মোহন হোটেলৰ পৰিবেশ বুলি বুজিবলৈ মোৰ বাকী নাথাকিল।

আন এদিনাখনৰ কথা। 'মোহন হোটেল'ৰ কাষেদিয়েই আমি আগবাঢ়ি গৈছিলোঁ। তেতিয়া মোহনে এখন খাটিয়াৰ ওপৰত বাগৰি জিৰণি লৈছিল। সময় তেতিয়া চাৰি বজা। সৰু বাল্টি-চুলা এটাৰ ওপৰত ডাঙৰ কেট্‌লি এটাত পানী বক্‌বক্‌কৈ উতলি আছিল। এটা চেঙেলীয়া লৰাই চাহ বাকিবলৈ গিলাচবোৰ ধুই-পখালি সজাই লৈছিল। আমাৰ আগমনত মোহনে খাটিয়াখনৰ-পৰা উঠি থিয় হল। চেঙেলীয়া লৰাটোৱে চাহ বাকিবলৈ ব্যস্ত হৈ পৰিল। হয়তো সি ভাবিছিল, আমিও চাহ খাম বুলি। চাহ খোৱা আমাৰ উদ্দেশ্য নাছিল। মোৰ উদ্দেশ্য আছিল, মোহন হোটেলৰ মালিকৰ লগত কথা পতাহে।

মোহনে ৰুটী বনায় দুবিধ। এবিধ একঅনীয়া পাতল ৰুটী, আনবিধ দুঅনীয়া জোবান ৰুটী। পিছে জোবান ৰুটীহে বেছিকৈ

বেচা যায়। "অৱশ্যে একঅনীয়া পাতল কটা কিনোতাও নোহোৱা নহয়”—মোহনে কলে। লাভৰ কথা সোধোঁতে মোহনে কলে, আজি এবছৰতকৈও অধিক এইদৰে তেওঁ দোকান চলাইছে। কিন্তু এমাহতো লোকচান হোৱাৰ কথা মনত নপৰে। আটাইতকৈ মহৎ কথা, ইয়াৰপৰা শক্তি অনুযায়ী মানৱ-সেৱাও কৰা হৈছে। কত গৃহহীন দৰিদ্ৰ মানুহক অতি সস্তীয়া মূল্যতে পেট ভৰাই খাবলৈ দিব পৰাটো মোহনে ডাঙৰ মানৱ-সেৱা বুলি ভাবে। অৱশ্যে ভগৱানৰ ওপৰতে সকলো ভাৰসা। তেওঁৰ কৃপা* নোহোৱা হলে হয়তো একো কৰিব পৰা নহলহেঁতেন। ইয়াৰ মানুহৰ ভগৱানৰ ওপৰত থকা বিশ্বাস দেখিলে স্তম্ভিত নহৈ নোৱাৰি।

॥ টেক্সি-চালক ॥

দিল্লীত ঠায়ে ঠায়ে থকা টেক্সি-ষ্টেণ্ডবোৰ দেখিলে, বেলেগ বেলেগ ঠাইৰপৰা আহি কেবাজনে মিলি গোট-খোৱা এটি সৰু পৰিয়াল যেন লাগে। জাৰ-জহ, ব'দ-বৰষুণ, সকলো মূৰ পাতি লৈ তেওঁলোকে সম্প্ৰীতিৰে দিনবোৰ অতিবাহিত কৰে। সম্পত্তিৰ ভিতৰত প্ৰত্যেকৰে টেক্সিখন, সৰুকৈ বিচনাখন আৰু এখন চাৰপায়া। কোনোজন ড্ৰাইভাৰৰ চাৰপায়াখনো নাই। জহকালি সেউজীয়া ঘাঁহনিৰ ওপৰত কাপোৰ পাৰি নিশ্চিন্ত মনে শুই পৰে। জাৰকালি অৱশ্যে তেনেকৈ শুবলৈ আহুকাল হয়। ঠেঁটুৰৈ ধৰা জাৰত নিজৰ টেক্সিখনকে ভালকৈ বন্ধ কৰি লৈ জাৰৰপৰা নিজক ৰক্ষা কৰে।

তেওঁলোকৰ উমৈহতীয়া সম্পত্তি হল টেলিফোনটো। সকলোৱে মিলি পইচা গোটাই টেলিফোন এটা যোগাৰ কৰে। টেলিফোনটো নহলে তেওঁলোকৰ ব্যৱসায়ত ব্যাঘাত ঘটিব। কাৰণ টেলিফোনৰ জৰিয়তে প্ৰায় মানুহে টেক্সি বিচাৰে। এইদৰে ফোনত আহ্বান পালে ৰাতি মাজনিশাও চাপলি মেলিবলগীয়া হয়। বৰষুণ দিলে, তেওঁলোকে এখন সৰুকৈ ডাঠ কাপোৰ তৰি দিয়ে টেলিফোনটোৰ ওপৰত। টেক্সি চলাওঁতেও তেওঁলোকে পাল পাতি লয়। কোনো এজনে নিয়ম অমান্য নকৰে। বৰঞ্চ ইজনে সিজনক সহায়হে কৰে। পৰিয়ালৰ ইজনৰ প্ৰতি সিজনৰ আন্তৰিকতা, সহৃদয়তা থকাৰ দৰে, তেওঁলোকৰ মাজতো সহৃদয়তা গঢ়ি উঠে।

ওচৰৰ 'মোহন হোটেল'ৰ দৰে সস্তীয়া দৰৰ দোকানৰপৰা ৰুটী, তৰকাৰি, চাহ, আদি আনি খায়। 'মোহন হোটেল'ৰ দৰে আলিৰ কাষৰ দোকান দিল্লীৰ ঠায়ে ঠায়ে আছে। তেনে দোকানে টেক্সি-ড্ৰাইভাৰসকলক আৰু লগতে আন মানুহকো খোৱা-বোৱাৰ সুবিধা দিছে। তেওঁলোকৰ পৰস্পৰৰ মাজত যি সম্প্ৰীতি, সেই সম্প্ৰীতি অতি মধুৰ।

টেক্সি-ড্ৰাইভাৰৰ কোনোজনৰ ঘৰ উত্তৰ প্ৰদেশত। কোনোজনৰ পঞ্জাবৰ গাঁৱত, কোনোজনৰ মিৰাটত আৰু কোনোজনৰ দিল্লীৰ ওচৰৰে গুৰুগাঁৱত। প্ৰায়বোৰৰে পৰিয়াল নিজৰ নিজৰ গাঁৱত আছে। সময়ে সময়ে পৰিয়ালৰ সঙ্গসুখৰ অভাৱ অনুভৱ কৰিলেও, সেই অভাৱ তেওঁলোকে লেখত নলয়।

আমাৰ ওচৰৰে টেক্সি-ষ্টেণ্ডৰ ড্ৰাইভাৰ চৌধুৰীৰ একমাত্ৰ লৰাটোৱে ওচৰৰে স্কুলত পঢ়িছে। মাউৰা লৰাটোক কাৰো হাতত এৰি নিদি চৌধুৰীয়ে সদায় নিজৰ চকুৰ আগত ৰাখিছে। চৌধুৰীৰ মনৰ ইচ্ছা, লৰাটোক উচ্চ শিক্ষা দিয়াৰ। শিক্ষাৰ মুখ দেখিলে ভৱিষ্যতে সি টেক্সি নচলালেও হ'ব পাৰে বুলি চৌধুৰীয়ে আশা কৰে।

টেক্সি চলোৱা কাৰবাৰত লোকচান খুব কমেই হয় যদিও সময়ে সময়ে ব্যৱসায়ত ঘাটি নপৰাকৈও নাথাকে। জহকালি, বিশেষকৈ মে-জুন মাহত খুব কম আৰ্জ্জন হয়। কোনো কোনো সময়ত অৱশ্যে আশাতীতভাৱে লাভ হয়। টেক্সি-ড্রাইভাৰৰ জীৱন অতি বিপদাপন্ন। কাৰণ টেক্সিত কেনে ধৰণৰ মানুহ উঠে, ধৰিব নোৱাৰি। দুনিয়াত মানুহ চিনি পোৱা অতি কঠিন কাম বুলি চৌধুৰীয়ে কয়। "তথাপিও টেক্সি চলাবই লাগিব। দুৰ্ব্বৃত্তৰ হাতত মৃত্যু আছে যদি কোনে খণ্ডাব?"—এইবুলি চৌধুৰীয়ে হুমুনিয়াহ কাঢ়ি কয়।

টেক্সি-চালকে তেনে বিপদৰ সম্মুখীন হৈ মৃত্যুক বৰণ কৰা বাতৰি বাতৰি কাকতত সচৰাচৰ পোৱা যায়।

॥ ডি. টি. ইউ. ॥

ডি. টি. ইউ.—ডেল্‌হি (দিল্লী) ট্রেন্সপ'র্ট আণ্ডাৰটেকিং। দৰাচলতে ডি. টি. ইউ.ৰ অৰ্থ এয়ে হলেও, সৰ্ব্বসাধাৰণৰমতে এইটো আচল অৰ্থ নহয়। জনসাধাৰণে ইয়াৰ নতুন ব্যাখ্যা দি লৈছে। ডি. টি. ইউ.—ইয়াৰ অৰ্থ হৈছে 'ড'ণ্ট ট্ৰাষ্ট আছ্' অৰ্থাৎ আমাক বিশ্বাস নকৰিব (কেতিয়াও)। 'কেতিয়াও' শব্দটো আমি বিনা-দ্বিধাই বাক্যটোত লগাই লব পাৰোঁ। জনসাধাৰণৰ এই মৌলিক ব্যাখ্যাৰ অৰ্থ কিন্তু গধুৰ। দিল্লী মহানগৰীলৈ আহি যিজনে ইয়াৰ ট্রেন্সপ'র্টত উঠি সোৱাদ নোপোৱাকৈ আছে, তেনে মানুহৰ মহানগৰীৰ যাত্ৰা তেনেই অসাৰ্থক হল বুলি কম। এতিয়াও যদি কোনোবাই 'দিল্লীকা লাড্ডু'ৰ সোৱাদ পোৱা নাই, সেইসকলৰ বাবে সময় উকলি যোৱা নাই। আহক, এবাৰ দিল্লীলৈ আহি জুতি লওকহি।

দিল্লী মহানগৰীৰ কোনোবা এটা বাছ-ষ্টপত বাছলৈ বুলি বাট চাই ৰওক। ইখনৰ পিছত সিখনকৈ বাছবোৰ আপোনাৰ চকুৰ আগেদিয়েই কলেজীয়া ছোৱালী ডেকা-লৰাৰ আগেদি গুচি যোৱাৰ দৰেই গুচি যাব। আপুনি সেইখিনিতে বোন্দা-পৰ দি থাওক। আপুনি বিচৰা বাছেই আকৌ চকুৰ আগেদি বিপৰীতমুখে গতি কৰিব। আপুনি থিয় হৈ থকা ঠাইতে গতিহীন হৈ থিয় হৈ

থাওক। ইতিমধ্যে আপুনি কব নোৱাৰাকৈয়ে, দুটামান হামিয়েই নে' হুমুনিয়াহেই আপোনাৰ নাক-মুখেদি সৰকি ওলাই বতাহৰ লগত মিহলি হব। ভাগৰে-জুগৰে আপোনাৰ মুখখনো লোণত দি থোৱা নেমুটেঙাটোৰ দৰে চুমৈ হৈ পৰিব। তথাপিও উপায় নাই। আপুনি বৈয়ে আছে। ধৈৰ্য্যশীল ব্যক্তি হোৱাৰ যদি কিবা মানস কৰিছে, আহক ভাৰতৰ ৰাজধানী দিল্লী মহানগৰীৰ বাছ-ষ্টপলৈ। বিপদত ধৈৰ্য্য ধৰিব লাগে বুলি জ্ঞানী-সমাজে কয়। সেইবুলি ধৈৰ্য্যৰো জানো সীমা নাই? ধৈৰ্য্যও জানো কেতিয়াবা অধৈৰ্য্য হৈ নপৰাকৈ থাকে? এইখিনিতে এটা আমোদজনক কাহিনীৰ কথা কব খুজিছোঁ। এবাৰ এগৰাকী মহিলাই বাছ-ষ্টপত বৈ আছিল। জাৰৰ দিনৰ ৰ'দটো গালে-মুখে পেলাই লৈ মহিলাগৰাকী থিয় হৈ আছে। ইপিনে তেওঁৰ প্ৰয়োজনীয় বাছখন নাহে হে নাহে। অৱশেষত লগত লৈ অহা মোনাটোৰপৰা উলৰ বোৱনখন উলিয়াই মহিলাগৰাকীয়ে ছুৱেটাৰ গোঁঠাত লাগিল। পঞ্জাৱী মহিলা, এওঁলোকে সময়ৰ মূল্য বঢ়িয়াকৈ বুজে। এফালে বাছলৈ চাইছে, আনফালে ছুৱেটাৰ গুঁঠিছে। বাছ নাহে হে নাহে, কি কৰিব। ইমান চখৰ ছুৱেটাৰটো হলেই যেতিয়া নিপিন্ধাকৈ থাকিব নে? মোনাৰপৰা বেজী উলিয়াই ছুৱেটাৰটো সী পেলালে। গাত ছাটি মাৰি লোৱা স্কাৰ্ফখন মোনাত ভৰাই থৈ ছুৱেটাৰটো পিন্ধি ললে। নতুনকৈ গোঁঠা ছুৱেটাৰ পিন্ধি তেওঁৰ কেনে লাগিল, কব নোৱাৰোঁ, কিন্তু বাটৰ মানুহৰ তেওঁক যে একেবাৰে নতুন নতুন লাগিল, সেই বিষয়ে সন্দেহ নাই। লিপিত খাই লাগি ধৰা ছুৱেটাৰটোৱে মানুহগৰাকীৰ গাটো উলিয়াই দিলে। কথাৰাৰ শুনি আপোনাসকলে 'গাঁজা' বুলি ভাবিব পাৰে। তথাপি পঞ্জাৱী মহিলাৰ যিহে হাত-খৰ বোৱন, আৰু দিল্লীৰ বাছৰ যি লেহেম গতি, আপুনিনো কথাৰাৰ মিছা বুলি কোন সাহেৰে কয়?

এদিন এজন ভদ্ৰলোকে ৰাতিপুৱা খাই-বৈ উঠি অফিচলৈ বুলি ওলাই আহিল। বাছ-ষ্টপত বৈ আছে—মানুহৰ এটা দীঘল শাৰীৰ মাজত থিয় হৈ। ইখনৰ পিছত সিখনকৈ বাছবোৰ আহিছে আৰু গৈছে। কিন্তু ভদ্ৰলোকজনৰ গন্তব্যস্থানৰ নম্বৰৰ বাছ এখনো অহা নাই। অৱশেষত এখন আহিল, কিন্তু যাত্ৰী ঠাহ খাই অহাৰ কাৰণে সেই ষ্টপেজত বাছখন নৰলেই। আঠ বাজি পঞ্চল্লিশ মিনিটৰ-পৰা বৈ বৈ দহ বাজিবলৈ পাঁচ মিনিট থকা পৰ্য্যন্ত বাছ এখনো নাপাই, হতাশ হৈ ভদ্ৰলোকজন লাহেকৈ ঘৰমুৱা হল। কপালত যি লেখা আছে হব বুলি লাহেকৈ ঘৰ সোমাই কাপোৰ-কানি সলাই ঠাইতে শোৱাপাটীত বাগৰ দিলে। ভদ্ৰলোকৰ পৰিবাৰ অলপ তেজী মুখ চোকা ধৰণৰ মানুহ। কাকো কেতিয়াও কোনো কথাতে সাৰি যাবলৈ নিদিয়ে। ভদ্ৰলোকজন যেতিয়া ঘৰ সোমায়, সেই সময়ত মহিলাগৰাকী গা-ধোৱা ঘৰত কাপোৰ ধোৱাত ব্যস্ত আছিল। কাপোৰ-কানি ধুই ৰ'দত মেলি দি আহি ঘৰ সোমাই পাটীত লালকাল দি শুই থকা গিৰিয়েকক দেখি মানুহগৰাকী অবাক হল। পোনতে কিবা অথন্তৰ ঘটিল বুলি ভালকৈ সুধি-পুছি আচল কথাষাৰ যেতিয়া গম পালে যে বাছ নাপাইহে উভতি আহিল, তেতিয়া আৰু ভদ্ৰমহিলাক পায় কোনে? ভদ্ৰলোকক বাক্য-বাণেৰে থকা-সৰকা কৰাৰ উপৰিও ছুইহে নিকিলালে। বেচেৰা ভদ্ৰলোকজনৰ নিটাল মাৰি শুনি থকাৰ বাহিৰে আন একো উপায় নাছিল। এইদৰে ডি. টি. ইউ.য়ে কেৱল বাছৰ ভিতৰত নাইবা বাছ-ষ্টপতে কাজিয়া-পেঁচালৰ বাবে সুযোগ নিদিয়ে, সময়ে সময়ে ঘৰুৱা কন্দলৰ বাবেও সুযোগ দিয়ে। ফলত ৰাতিলৈ ভদ্ৰলোকৰ ঘৰত ৰান্ধনিশালত জুই নজ্বলিল। ভদ্ৰলোকেও নিৰহ-নিপানীকৈ পাটীত পৰি দিনটো কটালে, যেন ডি. টি. ইউ.ৰ অফিচৰ আগতহে তেওঁ অনশন ধৰ্ম্মঘট কৰিছে।

বাছ-ষ্টপত লাইনৰ মাজত থিয় হৈ আপুনি হয়তো নিশ্চিন্ত হৈছে, বাছ এখন আহিলে উঠিবলৈ সুবিধা পাব বুলি। কিন্তু বাছখন আহিলে দেখিব, সেই লাইন ছেদেলি-ভেদেলি হৈ আপুনি ক'ৰবাত পিছ পৰি আছে। কোনে আগতে বাছখনত উঠিব পাৰে, সেই ভাবনা লৈ লাইনত থকা মানুহখিনিৰ মাজত শৰীৰৰ শক্তিৰ প্ৰতিযোগিতা চলিছে। আনকি তথাকথিত ভদ্ৰসমাজৰ শিক্ষিত লোকসকলেও মহিলা, লৰা-ছোৱালী সকলোকে হেঁচি-ঠেলি বাছখনত উঠিবলৈ তৎপৰ হয়। এই হেঁচা-ঠেলাৰ মাজতে আপুনি যদি কেনেবাকৈ বাছখনত উঠিব পাৰে, তেনেহলে নিজকে পৰম ভাগ্যবান বুলি ভাবিব। কিন্তু অনতিবিলম্বে আপুনি অনুভৱ কৰিব, আপোনাৰ দুয়োপিনৰপৰা দুটা শক্তিয়ে আপোনাক চেপি আনিছে। অলপ মন কৰি দেখিব, আপোনাৰ সমুখত থিয় হোৱাজনে এহাতে জুলীয়া পদাৰ্থৰ টিন এটা লৈ আন হাতে বাছৰ খুঁটা এটাত ধৰি চলন্ত বাছখনত সমতা ৰক্ষা কৰিব খোজোঁতে ঢোলোকনি খাই জুলীয়া পদাৰ্থৰ ভালেখিনি তলত ছিটিকি পৰিছে। আপোনাৰ কাপোৰ নষ্ট হোৱাৰ সম্ভাৱনা দেখি আপুনিও সাৱধান হব লগা হৈছে। কেৱল সেয়ে নহয়, আপোনাৰ পিছফালে থিয় হোৱাজনে অনিচ্ছা-সত্ত্বেও আপোনাৰ কাণৰ কাষতে উগাৰিব লগা হৈছে, লগে লগে পিঁয়াজ আৰু নহৰুৰ অপূৰ্ব্ব গোন্ধে আপোনাক অসহনীয় কৰি তুলিছে।

ডি. টি. ইউ.ৰ বাছবোৰত মহিলাৰ কাৰণে চাৰিখন আছুতীয়া আসন আছে। এই চাৰিখন আসনত কোনোবা পুৰুষ কেনেবাকৈ বহিলেও, মহিলাৰ আগমন হোৱাৰ লগে লগে উঠি দিয়াৰ নিয়ম। কোনো কোনো চতুৰ মানুহে মূৰ পুলুকা মাৰি মহিলাৰ আসন এৰি নিদিয়াকৈ থাকে। এইখিনিতে ঘটনা এটাৰ কথা কব খুজিছোঁ। এবাৰ ডেকা-লৰা এজন বাছত উঠিল। ডেকাৰ গাত আধুনিক ৰুচিৰ সাজ-পোছাক, ড্ৰেইন পাইপ, আঁক-বাঁক হাত দীঘল কামিজ,

চুলিত সাগৰৰ ঢৌ, চকুত গগনচুম্বী। মহিলাৰ বাবে আছুতীয়াকৈ থকা আসন এখন খালী পাই ডেকাজন বহি পৰিল। কিছুদূৰ বাট বহি যোৱাৰ পিছত মহিলা এগৰাকী বাছখনত উঠিল। মহিলাগৰাকীক দেখিও আসন এৰি নিদি ডেকাজন নিৰ্বিকাৰ হৈ বহি বাহিৰৰ দৃশ্য উপভোগ কৰাত লাগিল। বাছৰ কণ্ডাক্টৰ-জনে কোৱাৰ আগতেই থিয় হৈ থকা মহিলাগৰাকীয়ে তুৰাবো আসন এৰি দিবলৈ ডেকাজনক অনুৰোধ কৰিলে। ডেকাজনে শুনিও নুশুনাৰ ভাও জুৰি থাকিল। ব্যস্ত কণ্ডাক্টৰে পিছৰপৰা চিঞৰি কলে, "ভাইচাহাব, লেডিজ চিট্ খালী কৰ্ দিজীয়ে।" এইবাৰ ডেকাজনে নিমিষতে এটা কাম কৰিলে। অতি সযতনে ফণিয়াই অহা চুলিখিনি জপৰা কৰি মুখত এটা বিষাদৰ ভাব আঁকি ললে। যেতিয়া কণ্ডাক্টৰ আহি ওচৰ চাপিল, তেতিয়া মুখত সকলো বেদনা আঁকি লৈ কবলৈ ধৰিলে: "মেৰে তবিয়ৎ ঠিক নহী হ্যায়।" অভিনয়খিনি সম্পূৰ্ণ সফলতাৰে কৰিছিল যদিও, ওচৰৰ আনখন আসনত বহি অহা মহিলাগৰাকী, আনকি থিয় হৈ অহা গৰাকীয়েও হাঁহি সামৰিব নোৱাৰিলে। ডেকাজনে কিন্তু সেই বিষণ্ণতা আৰু বেদনাৰ কোনো পৰিবৰ্ত্তন নঘটাকৈ একেবাহে বেমাৰীৰ ভাও জুৰি একেঠাইতে বহি থাকিল। ব্যস্ততাৰ মাজতে পৰিস্থিতিৰ ৰসিকতা উপলব্ধি কৰি কণ্ডাক্টৰে চিঞৰি কলে: "আপ্‌কো আস্পতাল পহুঁছা দুঁ ক্যা?"

লেডিজ চিট্ লৈ আৰু এদিন এটা ঘটনা হল। স্বামী-স্ত্ৰী এযোৰা বাছত উঠিল। বাছখন সেই সময়ত প্ৰায় উদঙেই আছিল বুলিব লাগে। বিশেষ যাত্ৰীৰ সমাগম নাছিল। মহিলাগৰাকী মহিলাৰ আসন এখনত বহিল। তেওঁৰ স্বামীয়েও পত্নীৰ আসনৰ ওচৰতে বহিব খোজোঁতে মহিলাগৰাকীয়ে প্ৰায় চিঞৰিয়ে কলে: "নবহিব ইয়াত, এইটো লেডিজ চিট্।" স্বামী উঠি গৈ আন এখন আসনত বহিলগৈ। কিছু সময়ৰ পিছত এটা ষ্টপত এজন ডাঢ়ীয়া

পঞ্জাবী উঠিল। কোনো চিন্তা-ভাবনা নোহোৱাকৈ মহিলা-গৰাকীৰ ওচৰৰ খালী আসনখনত তেওঁ বহি পৰিল। মহিলা-গৰাকীৰ মনৰ অৱস্থা কেনে হৈছিল, বৰ্ণোৱা টান। গোটেই বাটছোৱা মহিলাগৰাকী তলমূৰ কৰিয়েই থাকিল, জানোচা স্বামীৰ চকুৱে চকুৱে পৰে। সেই ভয়তে বাছৰপৰা নমাৰ পিছতো তেওঁ বহুত পৰলৈকে স্বামীৰ মুখলৈ চাব পৰা নাছিল।

আছুতীয়াকৈ আসন আছে যদিও মহানগৰীৰ বাছত মহিলা বুলি কোনো বিশেষ আগ্ৰহ দেখুওৱা নহয়। এইখিনিতে কণ্ডাক্টৰ, ড্ৰাইভাৰ সকলোকে বৰ নিষ্ঠুৰ যেন লাগে। আমাৰ অসমৰ বাছ-চাৰ্ভিচলৈ মনত পৰে। যাত্ৰীৰে এজনে যদি কয়, 'মাইকী মানুহ আছে, লৈ যোৱা ড্ৰাইভাৰ'—তেতিয়া আৰু কোনো কথা নাই। ইয়াত কিন্তু তেনে প্ৰশ্ন নুঠে। তেনে প্ৰশ্ন উঠিলেও কণ্ডাক্টৰে নিৰ্ব্বিবাদে আওকাণ কৰি যায়। বাছত চিট্ নাপাই মাইকী মানুহে থিয় হৈ গলেও কোনেও স্ব-ইচ্ছাই অসন এৰি দি মহানুভৱতাৰ পৰিচয় নিদিয়ে। বিশেষকৈ বেছি ধুন-পেচ মাৰি যোৱা মহিলাক বেছিকৈহে আওকাণ কৰে। মনতে চাগে ভাবে, 'ইমানেই যদি ধুন মাৰিবলৈ ধন হৈছে, টেক্সি ভাৰা কৰি নগৈ বাছত উঠিবলৈ আহিছা কেলেই?'

এইদৰে ধুন মৰা মহিলাৰ ওপৰত প্ৰতিশোধ লোৱাৰো কাৰণ নোহোৱা নহয়। নাৰী অবলা বুলি কথা এষাৰ প্ৰাচীন যুগৰেপৰা চলি আহিছে যদিও, যুগৰ পৰিবৰ্ত্তনৰ লগে লগে এইষাৰ কথাৰ সাল-সলনি কৰিবলগীয়া হল। অলপতে দিল্লীৰ এখন বাছত এটা অপ্ৰীতিকৰ ঘটনা ঘটিল। বাছখনৰ কণ্ডাক্টৰজনে এগৰাকী মহিলাৰপৰা ভুলতে দহ পইচা বাছৰ ভাৰা বেছিকৈ বিচাৰিলে। অন্যায়ভাৱে লব খোজা দহটা পইচাৰ বিনিময়ত মহিলাগৰাকীয়ে কণ্ডাক্টৰজনক দিলে এটা কাণতলীয়া চৰ মাৰি। এনে এটা অভাৱনীয় ঘটনাৰ কাৰণে বাছৰ আন যাত্ৰীসকল প্ৰস্তুত নাছিল,

বাছৰ কণ্ডাক্টৰজনো নাছিল। সকলো মানুহ অবাক হল। মুহূৰ্ত্তৰ ভিতৰতে পুলিচৰ কনিষ্টবল প্ৰমুখ্যে এজাক মানুহ ঘটনাস্থলীত জুম বান্ধিলহি। মানুহৰ জুম দেখি মহিলাগৰাকীৰ খং গৈ টিংখোপত উঠিল। কণ্ডাক্টৰজনো এৰি দিয়া ভকত নহয়। পুলিচ-থানালৈ গৈ মহিলাগৰাকীৰ বিৰুদ্ধে গোচৰ দিবলৈ উদ্যত হল। 'হাজাৰ হওক, মহিলা' বুলি সকলোৱে বুজাই-বঢ়াই কণ্ডাক্টৰক সৈমান কৰিলে যদিও চৰ খোৱা গালখনৰ ফৰ্ফৰণি আৰু অন্তৰত জ্বলি উঠা প্ৰতিশোধৰ জুইকুৰা যে সমানে জ্বলি থাকিল তাত সন্দেহ নাই। মনত পৰা দিনৰেপৰা ডেকা বয়সলৈকে হয়তো এনে ধৰণৰ কাণতলীয়া চৰ কণ্ডাক্টৰজনে মাকৰপৰাও খোৱা নাছিল।

অলপতে 'মাই ফেয়াৰ লেডি' নামৰ ইংৰাজী ছবি এখন চালোঁ। এনে অভূতপূৰ্ব্ব ছবি আগতে দেখা মনত নপৰে। তাত এষাৰ কথা আছে: 'Why should woman be not like man', ওপৰত উল্লিখিত ঘটনাটোৰ ক্ষেত্ৰত মোৰো ছবিৰ নায়ক প্ৰফেচৰ হিগিন্সৰ ভাষাতে ভাবিবৰ মন গৈছে, সঁচাকৈয়ে নাৰী পুৰুষৰ দৰে নহয় কিয়? অৱশ্যে মনত সন্দেহো হয়, পুৰুষে ইমান সাধাৰণ কথাতে চৰ মাৰি নিদিলেহেঁতেন হয়তো। নাৰী সকলো কথাতে ক্ষিপ্ৰ।

এটা কথা মন কৰিবলগীয়া। বাছত কিমান মানুহ অহা-যোৱা কৰে, মহিলাৰ কাষতে বহি পুৰুষ একোজন বহুত দূৰ বাট যাবলগীয়াও হয়। কিন্তু এনে অৱস্থাতো পুৰুষে মহিলাৰ প্ৰতি কোনো অভদ্ৰ আচৰণ কৰা শুনা নাযায়। মহানগৰীৰ চেক্ৰেটেৰীয়েটত পুৰুষ যিমানে কাম কৰে, মহিলাৰো সংখ্যা সমান নহলেও তেনেই কম নহয়। তাৰ ভিতৰত বিবাহিতা, অবিবাহিতা, বয়সীয়া সকলো ধৰণৰ মহিলা আছে। তেওঁলোকে বছৰৰ পিছত বছৰ চাকৰি কৰি আহিছে। দুটা-এটা অপ্ৰিয়জনক ঘটনা ঘটিছে

যদিও, পুৰুষৰ অসৎ আচৰণ, অশোভনীয় ইঙ্গিতে মহিলাক ক্ষুণ্ণ কৰাৰ বতৰা তেনেই বিৰল।

দিল্লীৰ ট্ৰেন্সপ'ৰ্টে হেজাৰ হেজাৰ মানুহক অফিচৰ সময়ত কৰ্ম্মস্থলীত উপস্থিত কৰেহি। সেইদৰে অফিচ ছুটীৰ পিছতো সেই-সকলক নি ঘৰত থৈ আহেগৈ। এইবাৰ কথা দুই কৰাৰ থল নাই। মহানগৰীত চৰকাৰী-অনাচৰকাৰী অফিচৰ অভাব নাই। সকলো মানুহেই যে বাছেৰেই অহা-যোৱা কৰে, সেই কথাও নহয়। ইয়াৰ ভিতৰত চাইকেল, অট'ৰিক্সা, স্কুটাৰ, মটৰ গাড়ী আদি কিবা নহয় কিবা এবিধ যান-বাহনেৰে অহা-যোৱা কৰা মানুহ যথেষ্ট আছে। এনে বাহন থকা মানুহে ডি. টি. ইউ.ৰ আতিথ্য গ্ৰহণ কৰিবলৈ প্ৰস্তুত নহয়।

এবাৰ তিনিজন বন্ধু বাছেৰে লালকেল্লা চাবলৈ গৈছিল। লালকেল্লা চোৱাৰ পিছত তিনিও আকৌ বাছত উঠিবলৈ আহিল। যাত্ৰীৰ ভিৰ থকা হেতুকে কেবাখনো বাছ সেই ষ্টপত নবৈ পাৰ হৈ গল। অৱশেষত বাছ এখন তেওঁলোকে পালে। সেই ষ্টপত বাছ যেতিয়া ৰল, বাছখনৰপৰা এজন যাত্ৰী তাতে নামি পৰিল। সেই যাত্ৰীৰ পৰিবৰ্ত্তে ষ্টপত ৰৈ থকা এজনকহে কণ্ডাক্টৰে উঠিবলৈ কলে। বহুত অনুৰোধ কৰাতো বাকী দুজনক উঠিবলৈ নিদিলে। কণ্ডাক্টৰৰ মুখৰপৰা এবাৰ যদি 'না' শব্দটো উচ্চাৰিত হয়, সেই শব্দটোৰ লৰচৰ নহয় কেতিয়াও। তেওঁৰ একেটা মাথোন সমিধান, বাছত ঠাই নাই। তাৰপিছত অলপ আগবাঢ়ি আহি দেখাত কোনো কাৰণ নোহোৱাকৈ বাছৰ গতি হঠাৎ মন্থৰ হৈ পৰিল। লগে লগে দুজন পুলিচ বাছখনত জঁাপ মাৰি উঠিল। ঠাই নোহোৱা বাছখনত দুজন পুলিচৰ কাৰণে ঠাই কেনেকৈ হল? ইয়াৰ অলপ আগতে দুজন বন্ধুক এৰি থৈ অহা ডেকাজনে মনে মনে থাকিব নোৱাৰিলে। ডেকাজনে পাৰেমানে কণ্ডাক্টৰক প্ৰশ্ন কৰিলে। লৰাজনৰ প্ৰশ্নত যুক্তি আছিল যদিও, বাছৰ যাত্ৰীসকলৰ কাৰো-

পৰাই কোনো সমৰ্থন তেওঁ নাপালে। কণ্ডাক্টৰেও নিজকে ব্যস্ত দেখুৱাবলৈ, অতি ব্যস্তভাৱে যাত্ৰীক টিকট দিয়াত মনোনিৱেশ কৰিলে। পুলিচ দুজনেও অন্যমনস্কভাৱে বাহিৰলৈ চাই নিৰ্ব্বিবাদে গৈ থাকিল। তেওঁলোকৰো কোনো সঁহাৰি নাই। সেই লৰাজনৰ কথা আৰু যুক্তি বতাহৰ লগত বিলীন হৈ গল।

ডি. টি. ইউ. বাছৰ মহিমা অপাৰ। সেই মহিমাৰ কথা কৈ থাকিলেও ওৰ নপৰে।

অলপতে ডি. টি. ইউ. কৰ্তৃপক্ষই দুমহলীয়া বাছ মহানগৰীত ব্যৱহাৰ কৰিবলৈ লৈছে। একে ধৰণৰ মানুহৰ হেঁচা-ঠেলা, একে অনিয়মতা দেখি প্ৰশ্ন হয়, মহানগৰীত জনসংখ্যা বাঢ়িছে নে বাছ কৰ্তৃপক্ষৰ অকৰ্ম্মণ্যতা বাঢ়িছে, এইটো এটা জটিল প্ৰশ্ন।

॥ লালকেল্লাৰ চঁ এঁ লুঁ মিঁ য়েৰ ॥

চঁ এঁ লুঁমিঁয়েৰ ফৰাচী শব্দ। চঁ শব্দৰ অৰ্থ হল 'ধ্বনি', লুঁমিয়েৰ শব্দৰ অৰ্থ 'পোহৰ' আৰু এঁৰ প্ৰতিশব্দ 'আৰু'। ধ্বনি আৰু পোহৰৰ অপূৰ্ব্ব সমাৱেশত যোৱা বাইশ মাৰ্চ্চৰ সন্ধিয়া, লালকেল্লাৰ বুকুত সুপ্ত হৈ থকা প্ৰায় তিনিশ ছাবিশ বছৰৰ এটি যুগ প্ৰাণ পাই উঠিল। নীলা আকাশখনৰ বুকুত জিল্‌মিলাই আছিল, অ'ত-ত'ত এটা-দুটা তৰা। লালকেল্লাৰ ভিতৰৰ দেৱান-ই-খাচৰ সমুখৰ সেউজীয়া ঘাঁহনিডৰাত বহি আমি নিৰ্ব্বাক হৈ শুনিছিলোঁ, কালৰ বুকুত আজিও অমৰ হৈ থকা এটি যুগৰ কাহিনী। চকুৰে চাইছিলোঁ, নানা ৰঙৰ পোহৰৰ সমাৱেশত উদ্ভাসিত হোৱা সমৃদ্ধিশালী মোগল ৰাজত্বৰ কালছোৱাৰ কথা। কালক্ৰমত এই সমৃদ্ধিশালী জাতিটো কেনেকৈ জাঠসকলৰ আক্ৰমণত অতিষ্ঠ হৈছিল, তাৰপিছত নাদিৰচাহৰ অমানুষিক অত্যাচাৰে কেনেকৈ দেশবাসীৰ বিলাই-বিপত্তি নোহোৱা কৰিলে, এই সকলোবোৰ বিভিন্ন দিশত, বিভিন্ন কণ্ঠস্বৰৰ মাজেদি অপূৰ্ব্বভাৱে ফুটাই তোলা হৈছে। যমুনাৰ বুকুৰপৰা বৈ অহা চেঁচা বতাহজাকে শৰীৰ-মন চুই যোৱাৰ লগতে আমাক ভটীয়নি পানীৰে লৈ গৈছিল অতীতৰ বুকুলৈ।

চঁ এঁ লুঁমিঁয়েৰ বৈজ্ঞানিক যুগৰ শব্দ আৰু পোহৰৰ এটি অপূৰ্ব্ব কৌশল। এই অপূৰ্ব্ব কৌশলৰ জৰিয়তে বুৰঞ্জী-প্ৰখ্যাত ঠাইসমূহৰ

গৌৰৱোজ্জ্বল অতীতক জীয়াই ৰাখিবলৈ চেষ্টা কৰা হৈছে। ভাৰতৰ বুকুত এই অভিনৱ কৌশলৰ প্ৰথম প্ৰচেষ্টা লোৱা হৈছে—লালকেল্লাত। এই ব্যৱস্থা এতিয়ালৈকে এচিয়াত প্ৰথম, এচিয়াৰ কোনো এখন দেশতে নাই। কথা আৰু পোহৰৰ সংযোজনাত কালক্ৰমত হয়তো ভাৰতৰ প্ৰত্যেকখন বুৰঞ্জী-প্ৰসিদ্ধ ঠাইৰে অতীত কাহিনী প্ৰাণ পাই উঠিব, পৃথিৱীৰ আন আন বুৰঞ্জী-প্ৰসিদ্ধ ঠাইতো, যেনে ভাৰ্ছাই, ফ্ৰান্সৰ লইৰ উপত্যকাৰ ছেট্ৰো, হেম্পডন ক'ৰ্ট, ইংলণ্ডৰ লণ্ডন-টাৱাৰ, গ্ৰীচৰ এথেনিয়াম, ইজিপ্তৰ পিৰামিড আৰু স্ফীংক্স আদি ঐতিহাসিক স্তূপৰাশিত এই অভিনৱ কৌশল প্ৰয়োগ কৰা হৈছে। অভিনৱ এই শব্দ আৰু পোহৰৰ সংযোজনাই, লাখ লাখ দেশ-বিদেশৰ দৰ্শকক এই ঠাইসমূহৰ অতীত বুৰঞ্জীৰ প্ৰতি সজাগ কৰি আহিছে। চকুৰে দেখাৰ উপৰিও, কথা আৰু পোহৰৰ জৰিয়তে হেজাৰ হেজাৰ বছৰৰ আগৰ অতীতৰ বুকুত ভূমুকি মাৰিবলৈ দৰ্শকক সুবিধা দিছে।

লালকেল্লাৰ অতীত বুৰঞ্জীও সেইদিনা এই অভিনৱ কৌশলৰ জৰিয়তে প্ৰাণ পাই উঠিল। আগলৈকো দিনে দিনে বিভিন্ন দিশৰ-পৰা গোট-খোৱা বিদেশী-অবিদেশী দৰ্শকক লালকেল্লাৰ অতীত বুৰঞ্জীৰ কথাই কব। লালকেল্লাৰ চঁ এঁ লুঁমিঁয়েৰৰ পটভূমি হল, দেৱান-ই-খাচ, খাচ-মহল, হামাম আৰু মতি-মচজিদ। বৰ্ষা দিনৰ দুটি মহল 'শ্ৰাৱণ' আৰু 'ভাদৰ', বৃটিছ আমোলৰ মিলিটাৰী ক'ৰ্ট, য'ত আজাদ হিন্দ ফৌজৰ তিনিজন সেনা-নায়কৰ বিচাৰ হৈছিল, এই কথা আৰু পোহৰৰ কাৰ্য্যক্ৰমৰ পটভূমি আছিল।

চঁ এঁ লুঁমিঁয়েৰৰ বিৱৰণ দুটা ভাষাত দিয়া হৈছে—ইংৰাজী আৰু উৰ্দ্দু-মিশ্ৰিত হিন্দী ভাষাত। ইংৰাজী বিৱৰণ লেখিছে বিখ্যাত সাংবাদিক কুচৱন্ত সিঙে, হিন্দী বিৱৰণ লেখিছে এচ. এইচ. বাৎসায়নে। বিখ্যাত সঙ্গীতজ্ঞ আলি আকবৰ খাঁই সঙ্গীতাংশ প্ৰযোজনা কৰিছে। আলি আকবৰ খাঁ আৰু বত্ৰিশজনীয়া বাদ্য-

বৃন্দৰ সঙ্গীতৰ মূৰ্চ্ছনাৰে কথা আৰু পোহৰৰ গোটেই পৰিৱেশটো শ্ৰুতিমধুৰ হৈ পৰিছে।

চঁ এঁ লুঁমিঁয়েৰৰ কাহিনী আৰম্ভ হৈছে মোগল সম্ৰাট চাহজাহানৰ দ্বাৰা আগ্ৰাৰপৰা মোগল ৰাজধানী দিল্লীলৈ স্থানান্তৰিত কৰা মুহূৰ্ত্তৰপৰা। সম্ৰাটৰ আদেশক্ৰমে নিৰ্ম্মিত হল লালকেল্লা আৰু এই দুৰ্গৰ অন্তৰ্ভুক্ত প্ৰাসাদসমূহ। লালকেল্লা নিৰ্ম্মিত হোৱাৰ পূৰ্ব্বে যমুনা নৈৰ পাৰৰ এইডোখৰ ঠাই আছিল বনৰীয়া জীৱ-জন্তুৰ আশ্ৰয়স্থলী। দিনত শিয়ালে হোৱা দিয়ে, ৰাতি ফেঁচাই কুকলিয়ায়। সম্ৰাট চাহজাহানে এইডোখৰ ঠাইকে বাছি লৈছিল কেন্দ্ৰস্থলীৰ বাবে। সম্ৰাটৰ আদেশত লালকেল্লা নিৰ্ম্মিত হল। ৰাজধানীৰ প্ৰাসাদসমূহ নিৰ্ম্মাণৰ বাবে আৰাৱলী পৰ্ব্বত আৰু দাঁতিকাষৰীয়া পাহাৰ অঞ্চলৰপৰা ৰঙা পাথৰ অনোৱা হল। ভাৰতৰ বিভিন্ন দিশৰ পাৰদৰ্শী কাৰিকৰ সকলোকে আহ্বান কৰি অনা হল। ভাৰতৰ শ্ৰেষ্ঠ কাৰিকৰসকলে সম্মিলিত হৈ নিৰ্ম্মাণ কৰিলে দেৱান-ই-খাচ, খাচ-মহল, সম্ৰাট-সম্ৰাজ্ঞীৰ স্নানাগাৰ, প্ৰসিদ্ধ হামাম। এই হামামলৈ বোৱাই অনা হল যমুনাৰ শীতল পানী। এই ব্যৱস্থা কাৰ্য্যত পৰিণত কৰিবলৈ প্ৰায় ন বছৰ কাল লাগিছিল। সম্ৰাটৰ মনোৰঞ্জনৰ কাৰণে পশুশালাত ৰখা হল বাঘ, সিংহ আদি ভয়ঙ্কৰ হিংস্ৰ জন্তুসমূহ। তাৰোপৰি ঘোঁৰাশালত ঘোঁৰা, হাতীশালত হাতী আছিল। এনে ভয়ঙ্কৰ জীৱ-জন্তুৰ অৱস্থিতিৰ অনুমান দৰ্শকক শব্দৰ জৰিয়তে দিয়া হৈছে। আমি নিৰ্ব্বাক হৈ শুনিছিলোঁ। কল্পনাতে আঁকি লৈছিলোঁ, তিনিশ ছাবিশ বছৰৰ গৌৰৱোজ্জল দিনবোৰৰ কথা।

এই কাৰ্য্যক্ৰমত দেখুওৱা হৈছে, ১৬৪৮ চনৰ এটি দিন, যিদিনা সদ্য-নিৰ্ম্মিত দুৰ্গটো চাবলৈ আড়ম্বৰপূৰ্ণ শোভাযাত্ৰা কৰি সম্ৰাট আহিছিল। শোভাযাত্ৰা আগুৱাই আহোঁতে ৰজাঘৰীয়া বিষয়াই ৰাজভঁৰালৰপৰা সোণ-ৰূপৰ মুদ্ৰা আলিবাটত ছটিয়াই আহিছিল।

এই দুর্গৰ পোনতে নামাকৰণ 'চাহজাহানাবাদ' কৰা হৈছিল, ন দিন জুৰি হোৱা এক উৎসৱৰ যোগেদি।

দেৱান-ই-খাচ, খাচ-মহল আৰু হামামৰ উপৰিও সম্রাট চাহজাহানে নির্ম্মাণ কৰাইছিল পৃথিবীৰ ভিতৰত সৰ্ব্ববৃহৎ মচজিদ, জুম্মা-মচজিদ। প্ৰখ্যাত ময়ূৰ সিংহাসন এইজনা বাদশাহৰ দিনতে নিৰ্ম্মিত হৈছিল। এই সিংহাসনখন দেৱান-ই-খাচতে ৰখা হৈছিল। এতিয়া সেই ঠাইডোখৰ উদং হৈ পৰি আছে। অসংখ্য খনিকৰে দিনে-নিশাই পৰিশ্ৰম কৰি ময়ূৰ সিংহাসন নিৰ্ম্মাণ কৰিছিল। সৌন্দৰ্য্যপ্ৰিয় মহাপ্ৰতাপী চাহজাহানে ভাবিছিল, কালৰ বুকুত তেওঁ এনে সম্পদ থৈ যাব, যি সম্পদে তেওঁৰ স্মৃতি যুগ যুগ ধৰি অম্লান কৰি ৰাখিব।

কথা আৰু পোহৰৰ সংযোজনাত সম্রাট চাহজাহানৰ এটি গৌৰৱময় যুগৰ বাৰতা আমি নিখুঁতভাৱে পাইছিলোঁ। ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাতে মোৰ কবৰ মন গৈছিল : 'চিহ্ন তব পড়ে আছে, তুমি হেথা নাই।'

তাৰপিছত দেখুৱাইছে, আউৰঙ্গজেৱৰ ৰাজত্বৰ কালছোৱা। আউৰঙ্গজেব আছিল নৈষ্ঠিক ভাবাপন্ন ব্যক্তি। কোনো প্ৰকাৰৰ ৰং-ধেমালি এইজনা সম্রাটে অনুমোদন কৰিব পৰা নাছিল। এইজনা মোগল বাদশাহৰ দিনতে ৰাজ্যত নানা ধৰণৰ বিদ্ৰোহে দেখা দিয়ে। এওঁৰ ৰাজত্বকালৰ শেষৰ ফালে মোগল ৰাজত্বৰ পতন পৰিলক্ষিত হৈছিল। সম্রাট আউৰঙ্গজেৱৰ দিনতে বিখ্যাত মতি-মচজিদ নিৰ্ম্মিত হয়; বাহিৰৰপৰা দেখিলে ভাব হয়, তাতেই যেন একান্তমনে সম্রাটে এতিয়াও নামাজ পঢ়ি আছে। এই মচজিদৰ বুকুৰপৰাই আউৰঙ্গজেৱৰ কণ্ঠস্বৰ ভাহি আহিছিল আমাৰ কাৰণে। সেই কণ্ঠস্বৰত আমি শুনিবলৈ পাইছিলোঁ বাৰ্দ্ধক্যৰ দৰ্শন আৰু বেদনা। শুনি থাকোঁতে বৰ সঁচা সঁচা যেন লাগিছিল। মনলৈ এনে ভাব আহিছিল, এতিয়াই যেন বুকুৰপৰা

ওলাই আহি সম্রাটে সেউজীয়া ঘাঁহনিডৰা গচকি দেৱান-ই-খাচত প্ৰৱেশ কৰিব।

ইয়াৰ পিছত মোগল ৰাজ্যৰ পতনৰ আভাস—কথা আৰু পোহৰৰ জৰিয়তে আমি পাইছিলোঁ। বৰ আচৰিত যেন লাগে, যেতিয়া এঠাইৰপৰা আন এঠাইলৈ কথা আৰু পোহৰ সম্মিলিত হৈ যমুনাৰ পানী বাগৰাৰ দৰে বাগৰি যায়। নাদিৰচাহৰ ভাৰত আক্রমণৰ বিৱৰণো এই কাৰ্য্যক্রমৰ জৰিয়তে স্পষ্ট কৰি তোলা হৈছে। ৰাজধানীত কোঁঠ পাতি নাদিৰচাহে জাহিৰ কৰিছিল: 'এই যে তৰোৱাল মোৰ খাপৰপৰা ওলাল, পুনৰ খাপত নোসোমোৱালৈকে এফালৰপৰা হত্যা কৰি যোৱা লৰা-বুঢ়া, মুনিহ-তিৰোতা সকলোকে হত্যা কৰি যোৱা।' যেনে আজ্ঞা, তেনে কাম। তিনি দিন, তিনি ৰাতি অবিৰাম গতিৰে দিল্লীৰ পথাৰ আৰু ৰাজআলিত এই হত্যাকাণ্ড চলিছিল। নাদিৰচাহে তিনি মাহ কাল কোঁঠ পাতি থাকি মোগল সম্রাটৰ ভঁৰাল লুণ্ঠন কৰি হাতী, ঘোঁৰা, উটৰ পিঠিত বোজাই কৰি অলেখ হীৰা-মুকুতা ভাৰতৰপৰা কঢ়িয়াই লৈ গল। সম্রাট চাহজাহানৰ প্ৰখ্যাত ময়ূৰ সিংহাসন আৰু বিখ্যাত কোহিনুৰ হীৰা, এনেবোৰ বস্তুও এই লুণ্ঠন কাৰ্য্যৰপৰা বাদ নপৰিল। নাদিৰচাহৰ আক্রমণ আৰু নিৰ্ম্মম অত্যাচাৰে মোগল ৰাজত্বক বাৰুকৈয়ে আঘাত হানিলে। সেই আঘাতৰপৰা মোগল ৰাজত্বই গা কৰি উঠিব নোৱাৰিলে।

তাৰপিছত দেখুওৱা হৈছে, বৃটিছৰ আগমন আৰু মোগল ৰাজত্বৰ শোচনীয় অৱস্থা। ১৮৫৭ চনৰ ২১ চেপ্তেম্বৰৰ দিনা শেষ মোগল সম্রাট বাহাদুৰচাহে ইংৰাজ প্ৰতিনিধি হড্চনৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হল। লগে লগে শাহাজাদা মিৰ্জা মোগল, মিৰ্জা খিজিৰ চুলতান আৰু মিৰ্জা আবুবকৰ—তিনিওকে হড্চনে বন্দী কৰিলে। আত্মৰক্ষাৰ কাৰণে হুমায়ুনৰ সমাধিৰ আঁৰত এই তিনিওজন শাহাজাদা লুকাই আছিল। বৃটিছৰ হাতত বন্দী হৈ

এওঁলোকে বৃটিছ প্ৰতিনিধি হড্‌চনৰ ওচৰত জীৱন-ভিক্ষা খুজিছিল। কিন্তু হড্‌চনে গৰুৰ গাড়ীৰে হুমায়ুনৰ সমাধিৰপৰা এওঁলোকক তুলি আনি দিল্লী সিংহদ্বাৰৰ সমুখত বিনা বিচাৰে হত্যা কৰিলে। ভুৱা বিচাৰেৰে দোষী সাব্যস্ত কৰি সম্ৰাট বাহাদুৰচাহক, মোগলৰ শেষ বংশধৰক, হিন্দুস্থানৰপৰা বহিষ্কৃত কৰি সুদূৰ ৰেঙ্গুনত বন্দী কৰি ৰাখিলে। সুদূৰ ৰেঙ্গুন আৰু দিল্লী, মাজত ব্যৱধান বিশাল এক ভূখণ্ড। প্ৰৱল প্ৰতাপী বাবৰ-আকবৰৰ বংশজ হিন্দুস্থানৰ বাদশাহ বাহাদুৰচাহ জাফৰ, এইজনা সম্ৰাটৰ সম্ভাৱনা আছিল প্ৰচুৰ। বাবৰ, আকবৰ, চাহজাহানৰ দৰে ইতিহাসৰ পাতত অমৰ কীৰ্ত্তি ৰাখি থৈ যাবলৈ সুযোগো আছিল অলেখ। কিন্তু ক্ষমতা নাছিল। চাৰিত্ৰিক দৃঢ়তাও নাছিল। তৰোৱালৰ পৰিৱৰ্ত্তে এইজনা বাদশাহৰ হাতত উঠিছিল লেখনী, সেই লেখনীয়ে চাৰিখন গ্ৰন্থৰ গ্ৰন্থকাৰ শেষ মোগল বাদশাহ বাহাদুৰচাহ জাফৰক অমৰ কৰি ৰাখিছে। প্ৰখ্যাত কবি গালিব, জউক, মমিনৰ সৈতে সমান আসন অধিকাৰ কৰিছিল শেষ মোগল বাহশাহ বাহাদুৰ-চাহ জাফৰে। উৰ্দ্দু, পঞ্জাবী, ফাৰ্চী তিনিওটা ভাষাতে তেওঁ সমান আসন অধিকাৰ কৰিছিল। বৃটিছৰ হাতত বন্দী অৱস্থাত যিদিনা হিন্দুস্থান এৰিলে, সেইদিনা তেওঁ হুমুনিয়াহ কাঢ়ি নিজে নিজে আক্ষেপ কৰিছিল: 'হায় অভাগা, নিজা মাতৃভূমিত তোৰ কবৰৰ কাৰণে দুগজ মাটিও নোলাল।' বাহাদুৰচাহ জাফৰৰ তলত উদ্ধৃত কৰা কবিতা পংক্তিত সপ্তসমুদ্ৰৰ বেদনা পুঞ্জীভূত হৈ আছে—

'কিত্‌না হ্যায় বদ্‌ নসীব্‌ জাফৰ
দাফন্‌ কে লীয়ে
দো গজ জমীন ভি না মিলি
কুইয়াৰ মে'

এই কাৰ্য্যক্ৰমত দেখুওৱা হৈছে বাহাদুৰচাহ জাফৰৰ আমোলত বহা মুশায়েৰা এখনৰ ছবি। কথা আৰু পোহৰে মুশায়েৰাখন

ইমান জীৱন্ত কৰি তুলিছে, ভাবিলে আচৰিত লাগে। দেৱান-ই-খাচৰ ওপৰভাগত ৰঙীণ পোহৰৰ সংযোগত মুশায়েৰাৰ বাতাবৰণ সৃষ্টি কৰা হৈছিল। গালিব, জউক আৰু জাফৰৰ স্বলিখিত উৰ্দ্দু কবিতা আমি তলৰ ঘাঁহনিডৰাত বহি শুনিছিলোঁ। যদিও, আমাৰ ভাব হৈছিল, আমি যেন সেই সভাতে বহি মুশায়েৰাৰ উৰ্দ্দু কবিতাৰ সোৱাদ লৈছোঁ। এনে জীৱন্ত আৰু প্ৰাণস্পৰ্শী বাতাবৰণ, কথা আৰু পোহৰ কাৰ্য্যক্ৰমৰ অলৌকিক সফলতা।

বাদশাহ বাহাদুৰচাহৰ জীৱন-কাহিনী নিতান্তই করুণ, বেদনা-দায়ক। বন্দী অৱস্থাত লালকেল্লাৰ অন্ধকাৰ কাৰাগাৰত লেখিবলৈ এডাল কলমো তেওঁৰ হাতত নাছিল। প্ৰাসাদৰ পকা বেৰত কাঠ-কয়লাৰে কবি জাফৰে লেখিছিল :

'না কিসিকী আখোঁকা নুৰ হুঁ
না কিসিকে দিল্‌কা কাৰাৰ হুঁ
জো কিসিকা কাম না আ সকা
মেঁ ওহী এক মস্ত ঘুবৰ হুঁ।'

'কাৰো চকুৰ ৰশ্মি মই নহওঁ
কাৰো আত্মাৰ আনন্দও নহওঁ
কোনো কামত কাৰো বাবে নহা
তুচ্ছ এমুঠি ধূলিহে মই।'

মোগল ৰাজত্বৰ অৱসানৰ পিছত বৃটিছ শাসনে মূৰ দাঙি উঠিল। কেউপিনে আধিপত্য দখলৰ চিহ্ন। লালকেল্লাৰ বুকুতো বহুত নতুন নতুন পৰিবৰ্ত্তনে দেখা দিলে। পুৰণি সৌন্দৰ্য্য, পুৰণি সৌষ্ঠৱৰ মাথোন নাম মাত্ৰ অৱশিষ্ট ৰল। বৃটিছ শাসকে সৈন্য থাকিবৰ কাৰণে লালকেল্লাৰ ভিতৰত বহুতো ছাউনি সজালে। ১৯১১ চনত ৰজা পঞ্চম জৰ্জ্জ আৰু ৰাণীৰ আগমনত এই লালকেল্লাৰ বুকুতে

জাক-জমক আৰু আড়ম্বৰপূৰ্ণভাৱে দৰবাৰ পতা হল। ইয়াৰ পিছতে ৰজা পঞ্চম জৰ্জ্জে বৃটিছ শাসনাধীন ভাৰতৰ ৰাজধানী, কলিকতাৰ-পৰা দিল্লীলৈ স্থানান্তৰিত কৰিবলৈ মনস্থ কৰিলে।

দ্বিতীয় মহাসমৰৰ সময়ত দেশৰ স্বাধীনতাৰ অৰ্থে নেতাজীৰ নেতৃত্বত গঠিত হল, আজাদ হিন্দ ফৌজ। নেতাজীৰ নেতৃত্বত এই আজাদ হিন্দ ফৌজ আগবাঢ়ি আহিল গীত গাই গাই: 'কদম কদম বঢ়ায়ে যা, খুশীসে গীত গায়ে যা।' তেওঁলোকৰ লক্ষ্যস্থান দিল্লীৰ লালকেল্লা। উদ্দেশ্য লালকেল্লাৰ যি ঠাইত নব্বৈ বছৰ কাল ইংৰাজৰ ইউনিয়ন জেক্ পতাকা উৰিছিল, সেই ঠাইত স্বাধীন ভাৰতৰ পতাকা উত্তোলন কৰা। তেওঁলোকক আগভেটা দিলে বৃটিছৰ সামৰিক বাহিনীয়ে। দ্বিতীয় মহাসমৰত বৃটিছ বিজয়ী হল। আজাদ হিন্দ ফৌজৰ কেইজনমান সাহসী সেনা-নায়ক বৃটিছৰ হাতত বন্দী হল। সেই কেইজনৰ ভিতৰত প্ৰধান হল তিনিজন, এজন শিখ, এজন মুছলমান আৰু এজন হিন্দু। ধীলন, শ্বাহ নৱাজ খাঁ আৰু সায়গল। সময়ত এই তিনিজন বীৰ-যোদ্ধাৰ বিচাৰ লালকেল্লাৰ বুকুত আৰম্ভ হল। তেওঁলোকৰ পক্ষ সমৰ্থন কৰি ওকালতি কৰিলে স্বৰ্গীয় ভুলাভাই দেশায়ে। সেইসকল দেশপ্ৰেমী উকীলৰ মাজত আছিল, আমাৰ শ্ৰদ্ধেয় মৰমৰ নেতা জৱাহৰলাল নেহৰু। চঁ এ লুঁমিঁয়েৰৰ কথা আৰু পোহৰ, লালকেল্লাৰ এমূৰে থকা প্ৰাসাদ এটালৈ আঁতৰি গল। তাৰপৰা আমাৰ কৰ্ণগোচৰ হল সেই ঐতিহাসিক বিচাৰৰ প্ৰত্যেকটো কথা। প্ৰত্যেকজন বীৰ যোদ্ধাই নিজৰ নিজৰ জবানবন্দী দাখিল কৰিলে। সেই কণ্ঠস্বৰসমূহৰ ভিতৰত শ্বাহ নৱাজ খাঁনৰ পৰিচিত কণ্ঠস্বৰ যেতিয়া শুনিলোঁ, আমাৰ মন তৎক্ষণাৎ স্বাধীনতাৰ আগ-মুহূৰ্ত্তৰ এক উদ্বিগ্ন পটভূমিলৈ ভটিয়াই গৈছিল।

ইয়াৰ পিছত কথা আৰু পোহৰে আমাৰ মনৰ দিগন্তলৈ কঢ়িয়াই আনিলে আমাৰ জাতীয় জীৱনৰ সেই স্বৰ্ণমুহূৰ্ত্তটো, পোন্ধৰ

আগষ্ট, উনৈশ শ সাতচল্লিশ চন। সেইদিনাৰ জনসভাত পতাকা উত্তোলন, জনসাধাৰণৰ উল্লাস, প্রত্যেকটো কথা আমাৰ কাৰণে জীৱন্ত হৈ উঠিল। শেষত শুনিবলৈ পালোঁ, আমাৰ অতি মৰমৰ চিৰপৰিচিত পণ্ডিত নেহৰুৰ কণ্ঠস্বৰ। সেই কণ্ঠস্বৰত ধ্বনিত হৈছিল ভৱিষ্যতৰ আশা আৰু উদ্দীপনা, ৰূপ আৰু ৰেখা। লালকেল্লাৰ বুকুত অশৰীৰী আত্মাই কথা কৈছিল। ইতিহাসৰ বুকুত নিশ্চিহ্ন হৈ যোৱা এটা যুগে ভাষা পাইছিল। উৎসাহ আৰু উদ্দীপনাই, চকুলো আৰু বেদনাই চকুৰ আগৰ পোহৰত জল্‌মলাই উঠিছিল। আমাৰ আকাশৰ গৌৰৱোজ্জ্বল এমুঠি তৰা কালৰ বুকুত এনেকৈয়ে লীন গল, তাৰেই স্মৃতি দিল্লীৰ লালকেল্লাৰ বুকুত চঁ এঁ লুঁমিঁয়েৰৰ কথা আৰু পোহৰৰ জৰিয়তে জীয়াই তোলা হৈছে:

'পছুমৰ পাহি সৰে
বসন্ত লেৰেলি পৰে
মাৰ যায় তৰা
হাঁহি আৰু মৰণৰ
অপূৰ্ব্ব আভাৰে দীপ্ত
এই বসুন্ধৰা।'

॥ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণৰ সৈতে সাক্ষাৎ ॥

এজন দেৱতুল্য মহান ব্যক্তিৰ সান্নিধ্যলৈ অহা কিমান উত্তেজনাপূৰ্ণ জীৱনত প্ৰথমবাৰৰ কাৰণে উপলব্ধি কৰিছিলোঁ।—সেই-দিনা ২৬ এপ্ৰিল তাৰিখে। সঁচাকৈয়ে সেই খন্তেকীয়া সময়ছোৱা জীৱনৰ মচিব নোৱাৰা এক অভিজ্ঞতা। সেয়া আছিল এক অবিস্মৰণীয় মুহূৰ্ত্ত।

ছয় বাজি দহ মিনিটত ৰাষ্ট্ৰপতি ডক্টৰ ৰাধাকৃষ্ণণৰ সৈতে সাক্ষাৎ কৰিবলৈ আমন্ত্ৰণ পাইছিলোঁ। গণতন্ত্ৰ দিৱস উপলক্ষে অনুষ্ঠিত হোৱা মোগল গাৰ্ডেনৰ চাহ-মেলত এইজন ব্যক্তিক বহুবাৰ বাজহুৱাকৈ লগ পাইছোঁ। এবাৰ এনে এক সুযোগতে, আমাৰ এখেতে মোক পৰিচয় কৰি দিওঁতে, তেখেতৰ ওচৰতে চোকাখনতে একেলগে বহিবলৈ আমন্ত্ৰণ জনাইছিল। মনতে মোৰ ভাব হৈছিল, ডক্টৰ ৰাধাকৃষ্ণণৰ নিচিনা এজন মহাপণ্ডিতৰ কাষত বহাৰ যোগ্যতা মোৰ জানো আছে? ওচৰৰ চকী এখনত বহি এখেতৰ লগত হোৱা আলোচনাবোৰ কাণ পাতি শুনিছিলোঁ। সেয়া এটা দিনৰ কথা।

এইজন ব্যক্তিক ২৬ এপ্ৰিল তাৰিখে আচুতীয়াকৈ লগ পোৱাৰ সৌভাগ্যই মোৰ মনটো পুৰাবেপৰা উগুল-থুগুল লগাই আছিল।

মনতে গুণা-গঁথা কৰি আছিলোঁ, কেতিয়া সেই শুভ-মুহূৰ্ত্তটো আহি পৰেহি।

আবেলি হল। আমি যাবলৈ সাজু হলোঁ। ঋষিতুল্য এই পুৰুষজনক কিহেৰে আমি অন্তৰৰ শ্ৰদ্ধাঞ্জলি জনাম? শৰাই এখন, ফুলাম গামোচা এখন, ইয়াৰেই সম্ভাষণ জনাবলৈ ঠিক কৰিলোঁ। বস্তু দুটা তেনেই সামান্য, সেই বিষয়ে সন্দেহ নাই। সামান্য হলেও এই দুটা বস্তু—শৰাই আৰু গামোচা, আমাৰ যে সংস্কৃতিৰ নিদৰ্শন।

আমি ৰাষ্ট্ৰপতি-ভৱন পাওঁতে পাঁচ বাজি পঞ্চাশ মিনিট হৈছিল। আমাক আগবঢ়াই নিবলৈ এজন সামৰিক বিষয়া ৰাষ্ট্ৰপতিৰ প্ৰাসাদৰ দ্বাৰ-প্ৰাঙ্গনত বাট চাই আছিল। লিফ্‌টৰ সহায়েৰে ওপৰলৈ তুলি নি বিৰাট ৰাজ-ভৱনটোৰ সোঁফালৰ দিশটোলৈ আমাক লৈ গল। এটা কোঠাত আমি (মই আৰু মোৰ স্বামী হেম বৰুৱা) বহিলোঁগৈ। খিড়িকীয়েদি মোগল গাৰ্ডেনৰ শোভা আমাৰ চকুত পৰিছিল। এখেতে সামৰিক বিষয়াজনৰ লগত দেশ-বিদেশৰ কথাৰ আলোচনাত ব্যস্ত হৈ পৰিছিল। মই নিৰৱে ডক্টৰ ৰাধাকৃষ্ণণৰ দৰ্শনলৈ অপেক্ষা কৰিছিলোঁ। এখেতে নিশ্চয় মোৰ মনৰ অনুভূতিৰ নিৰৱ উঠা-নমাবোৰ অনুমান কৰিব পৰা নাছিল।

ছয় বাজি দহ মিনিট, আমাৰ সাক্ষাতৰ নিৰ্দ্ধাৰিত সময় আছিল। আমি অহা গম পাই আগতীয়াকৈয়ে ৰাষ্ট্ৰপতিয়ে আমাক ভিতৰলৈ মাতি পঠিয়ালে। সামৰিক বিষয়া এজনে আমাক কলেহি: “মাননীয় ৰাষ্ট্ৰপতিয়ে আপোনালোকক এতিয়াই সাক্ষাৎ কৰিবলৈ পালে আনন্দ পাব।”

বিষয়াজনে আমাক লৈ গল তেওঁৰ কোঠালিলৈ। সেইটো শোৱনি-কোঠা। আহল-বহল কোঠালিটোৰ মাজত এখন বহল শোৱাপাটীত আধা-শোৱা আধা-বহা অৱস্থাত ৰাষ্ট্ৰপতিক দেখা পালোঁ। মূৰ দোঁৱাই নমস্কাৰ জনাই তেখেতলৈ শৰাই আৰু গামোচা আগবঢ়ালোঁ। বস্তু দুটা ৰাষ্ট্ৰপতিয়ে হাত পাতি ললে।

শোৱাপাটীৰ দুয়োকাষে দুখন টেবুল। শবাইখন তেখেতৰ বাঁওহাতৰ টেবুলখনত থৈ গামোচাখন দুয়ো হাতেৰে দাঙি ফুলবোৰ চাই শোৱা অৱস্থাতে বুকুৰ ওপৰত আলফুলকৈ পেলাই থলে। পকোৱা সূতাৰ ৰঙা আঁচুৰ ভমকাফুলীয়া গামোচাখনে ৰাষ্ট্ৰপতিৰ গাত শোভাবৰ্দ্ধন কৰা দেখি মনটো গৌৰৱত উথলি উঠিছিল। সুদূৰ অসমৰ সেই শিপিনীগৰাকীৰ শিল্পীসুলভ হাত দুখনিলৈ মোৰ মনতে শ্ৰদ্ধা উপজিছিল। ওচৰতে পাৰি থোৱা চকী দুখনলৈ আঙুলিয়াই দি ৰাষ্ট্ৰপতিয়ে মৰম-সনা হাঁহি এটাৰে আমাক কৈছিল: "বহা, বহা।" স্বাধীন ভাৰতৰ ৰাষ্ট্ৰপতি, এজন বিদগ্ধ পণ্ডিত—যাৰ জ্ঞানৰ পৰিধি সাগৰ-সদৃশ, সেইজন ব্যক্তিৰ কি অমায়িক ব্যৱহাৰ! ভক্তিত মোৰ মূৰ দোঁ খাই গৈছিল। এই ঘৰুৱা পৰিৱেশত এনে এজনা পণ্ডিত ব্যক্তিক সম্মুখত পাই মনটো মোৰ ভৰি পৰিছিল। ফৰ্মেলিটিৰ আঁচোৰ ক'তো এধানিও নাছিল। তেখেতে আমাক বাৰে বাৰে কৈছিল: "কি খাবা? চাহ, কফি, চৰ্ব্বত, কি খাবা? কিবা এটা খোৱা।" একো খাবলৈ আমাৰ মন যোৱা নাছিল। উপায় নাপাই কলোঁ: "অলপ চৰ্ব্বত হলেই হব।"

বহাৰ লগে লগে এখেতৰ লগত নানান আলোচনা আৰম্ভ হল—ৰাজনীতিৰ জটিল আলোচনা। ইংৰাজী ভাষাটোৱে চমৎকাৰ ৰূপ লৈছিল। ৰাজনীতিৰ কথাবোৰ, তাতে জটিল হলে একেবাৰেই মই বুজি নাপাওঁ। সেইখিনি সময়তে মই কোঠাটো একালৰপৰা চকু ফুৰাই চাইছিলোঁ, লগতে মানুহজনৰ ব্যক্তিত্বলৈকো নিৰীক্ষণ কৰিছিলোঁ।

জীৱনটো যে কৰ্ম্মময়—তেওঁৰ সেই আহল-বহল শোৱনি-কোঠালিটোৰ পৰিৱেশৰপৰাই বুজিব পাৰি। চৰকাৰী কাগজ-পত্ৰ আৰু নানান কিতাপ, ইয়াৰেই কোঠালিটোৰ প্ৰায় এটা অংশ আগুৰি আছিল। বহল শোৱাপাটীখনৰ উদং ঠাইডোখৰত মানুহজনৰ বাঁওহাতে এদ'ম বাতৰি কাকত। তেওঁৰ একালে এখন

টেবুলত বেডিঅ'ৰ দৰে এটা চেট্, সেই চেটতে তেওঁ সমূহ কাৰ্য্যাৱলী এফালৰপৰা কাণ পাতি শুনে। তাৰ প্ৰমাণ পাইছিলোঁ, সংসদৰ মজিয়াত বিৰোধী দলৰ দ্বাৰা উত্থাপিত কথা কিছুমানৰ উল্লেখ শুনি। বিৰোধী দল হিচাপে প্ৰজা-চ'চিয়েলিষ্ট দলটোৰ কথা উল্লেখ কৰি ৰাষ্ট্ৰপতিয়ে কৈছিল: "সংসদত তোমালোকৰ দলৰ সংখ্যা তেনেই নগণ্য যদিও সকলোতকৈ তোমালোকৰ কাৰ্য্য-কলাপেই যথেষ্ট সাৰ্থকতাপূৰ্ণ হৈছে। শ্ৰীনাথ পাই আৰু তুমি শ্ৰেষ্ঠ বক্তা। কামাথ অতিশয় সজাগ আৰু সক্ৰিয়।"

আনফালে এখন টেবুলত এটা সৰু ট্ৰেন্‌জিষ্টৰ চেট্। মনতে ভাব হৈছিল, গধুৰ চিন্তাৰপৰা অব্যাহতি লবলৈ হয়তো মানুহজনে কেতিয়াবা গান শুনে। নহলে শোৱাপাটীৰ কাষত ট্ৰেন্‌জিষ্টৰ চেট্‌টো কেলেই ?

কোঠাটোত কিতাপৰ চেল্‌ফ কেইবাটাও দেখিছিলোঁ। সেই-বোৰত দেখিছিলোঁ, শকত শকত কিছুমান কিতাপ। সোঁফালৰ চেল্‌ফখনৰ ওপৰ-থাকত তিনিখন ফটো দেখিছিলোঁ। এখন গান্ধীজীৰ, এখন নেহৰুৰ আৰু আনখন এগৰাকী মহিলাৰ। মহিলাগৰাকীৰ ফটোখনত এধাৰ মালা পিন্ধোৱা আছিল। বোধকৰোঁ সেইখন তেখেতৰ সহধৰ্ম্মিণীৰ ছবি। সোঁ-মাজত দুটা মূৰ্ত্তি দেখিছিলোঁ—এটা ব্ৰঞ্জৰ বুদ্ধমূৰ্ত্তি, আনটো পিতলৰ নটৰাজৰ মূৰ্ত্তি।

মূৰৰ শিতানৰ দেৱালৰ কাষৰ চেল্‌ফখনত কিছুমান সৰু সৰু ঔষধৰ বটল দেখিছিলোঁ। দৈনন্দিন ব্যৱহাৰৰ সামান্য ঔষধ হয়তো।

ভাল-বেয়া খবৰ-বাতৰি লোৱাৰ মাজতে তেওঁ নিজৰ স্বাস্থ্য সম্পৰ্কে আনক উৎসাহ যোগোৱাৰ উপৰিও নিজৰ ওপৰত কেনেদৰে আত্মবিশ্বাস ৰাখিছিল, ৰাষ্ট্ৰপতিৰ এই কথাষাৰৰপৰাই বুজিব পাৰি। ৰাষ্ট্ৰপতি-ভৱনতে অনুষ্ঠিত হোৱা দুদিনীয়া অনুষ্ঠানত সামৰিক,

অসামৰিক দুয়োবিধ পুৰস্কাৰ বিতৰণ কৰোঁতে, দুয়োদিনে প্ৰথম দিনা পঁচপনবাৰ আৰু দ্বিতীয় দিনা সাতত্ৰিশবাৰ ডক্টৰ ৰাধাকৃষ্ণণে উঠা-বহা কৰিবলগীয়া হৈছিল, তথাপি তেওঁ ভাগৰা নাছিল। ৰাষ্ট্ৰপতিৰ নিখুঁত স্বাস্থ্যৰ এটি উদাহৰণ পাই সেইদিনা স্তম্ভিত হৈছিলোঁ।

কথা-প্ৰসঙ্গত মোৰ ফালে চাই ডক্টৰ ৰাধাকৃষ্ণণে এটা বঢ়িয়া কথা কৈছিল: 'There is nothing like mother's love.' 'মাতৃ-স্নেহৰ নিচিনা স্নেহ জগতত নাই।' এইবুলি উল্লেখ কৰিছিল শ্ৰীৰামচন্দ্ৰৰ কথা। ৰামচন্দ্ৰ টোপনিত লালকাল। বিশ্বামিত্ৰ মুনিয়ে গভীৰ নিদ্ৰাৰত ৰামচন্দ্ৰক জগাবলৈ চেষ্টা কৰিছে। কাণৰ কাষত মাতিছে: 'ৰাম', 'ৰাম'। তথাপি সাৰ পোৱা নাই। বিশ্বামিত্ৰই এইবাৰ কৌশল্যাৰ নাম লৈ মাতিলে: 'কৌশল্যা-পুত্ৰ ৰামচন্দ্ৰ উঠা'। মাতৃৰ নাম কৰ্ণগোচৰ হোৱাৰ লগে লগে ৰামচন্দ্ৰ সাৰ পাই উঠিল। মাতৃ-নাম উচ্চাৰণে, মাতৃৰ স্মৃতিয়ে মানুহক কি কৰিব নোৱাৰে। বিশ্বামিত্ৰ মুনিয়ে যিষাৰ শ্লোকেৰে ৰামচন্দ্ৰক জগালে, সেইষাৰ শ্লোক বাৰে বাৰে মাতি আমাক তেওঁ শুনাইছিল। ডক্টৰ ৰাধাকৃষ্ণণৰ সুন্দৰ কণ্ঠস্বৰত পৰিস্ফুট হোৱা শ্লোকফাকি শুনি কোনোবা আশ্ৰমত ঋষি এজনৰ কণ্ঠস্বৰ শুনা যেন লাগিছিল। দুখৰ কথা, শ্লোকফাকি মই মনত ৰাখিব নোৱাৰিলোঁ। শ্লোকফাকি যে মনত ৰাখিব লাগে, সেইষাৰ কথা মই পাহৰি গৈছিলোঁ। সেই সময়ত মোৰ মনত পৰিছিল মোৰ স্বৰ্গগতা মাতৃলৈ।

পাণ্ডিত্যৰ পোনপটীয়া প্ৰকাশ নকৰি এনে ধৰণৰ গভীৰ অন্তৰস্পৰ্শী কথা কব পৰা শক্তি ডক্টৰ ৰাধাকৃষ্ণণৰ যে কিমান, ভাবিলে স্তম্ভিত নহৈ নোৱাৰি। প্ৰত্যেকষাৰ কথাই একোটা দাৰ্শনিক-চিন্তাৰ প্ৰকাশ। এবাৰ কেইমাহমানৰ আগতে আমাৰ এখেতক কৈছিল: 'I am glad that you write, nothing ultimately lasts except your writings.'

'তুমি যে লেখা, সেইবাবে মই বং পাইছোঁ। লেখাৰ বাহিৰে আন একোৱেই চিৰস্থায়ী নহয়'—এই এষাৰ কথা, ইয়াৰ অন্তৰালত যে কেনে এক গভীৰ চিন্তা-স্রোত নিহিত হৈ আছে, ভাবিলে আচৰিত যেন লাগে। ৰাজনীতিৰ গধুৰ আলোচনাৰপৰা কালৰি কাটি আহি এবাৰ এখেতক সুধিছিল, সেইদিনাৰ সংসদৰ কাৰ্য্যাৱলীৰ কথা। এখেতৰ গাটো সেইদিনা বৰ ভাল নাছিল। গতিকেই পাৰ্লিয়ামেণ্টলৈ যোৱা নাছিল। ডক্টৰ ৰাধাকৃষ্ণণে মোৰ ফালে চাই ৰসিকতা কৰি কৈছিল: "আজি পাৰ্লিয়ামেণ্টলৈ যাবলৈ নিদিলা, কিবা উৎসৱ পালন কৰিলা নেকি? পোন্ধৰ বছৰীয়া বিবাহ-তিথি?" কথাষাৰ শুনি মই তললৈ মুৰ কৰিছিলোঁ। আঙুলিৰ মূৰত লেখি চালোঁ—বৰ আচৰিত, আমাৰ যুৰীয়া জীৱনে এইটো বছৰতেই পোন্ধৰ বছৰত ভৰি দিছেহি। ডক্টৰ ৰাধাকৃষ্ণণে উমানতে ৰসিকতা কৰি কোৱা কথাষাৰ ইমান সঠিক হল কেনেকৈ? ভাবি মই ওৰ পোৱা নাছিলোঁ।

তাৰপিছত আকৌ এবাৰ এইজনা মহান ব্যক্তিৰ সান্নিধ্যলৈ অহাৰ সুযোগ পাইছিলোঁ। ৰাষ্ট্ৰপতি-ভৱনতে নেপালৰ ৰজা-ৰাণীক আদৰণি জনাবলৈ পতা ভোজলৈ ৰাষ্ট্ৰপতিয়ে আমাকো নিমন্ত্ৰণ জনাইছিল। প্ৰায় এশ নিমন্ত্ৰিত অতিথিৰ মাজত এইজনা ব্যক্তিয়ে আমাক যে চিনি পাব, ভাবিব পৰা নাছিলোঁ। এই নিমন্ত্ৰিত অতিথিসকলৰ ভিতৰত ডক্টৰ জাকিৰ হুছেইন, পণ্ডিত জৱাহৰলাল নেহৰুৰ দৰে বিশিষ্ট ব্যক্তিও আছিল। এজনৰ পিছত এজনকৈ হৰ্চ-শ্বু আকৃতিত থিয় হৈ থকা নিমন্ত্ৰিত অতিথিসকলক আদৰণি জনাওঁতে ৰাষ্ট্ৰপতিয়ে যেতিয়া আমাৰ এখেতৰ ওচৰ পাইছিলহি, তেতিয়া এখেতৰ মুখত মৰমেৰে চৰ এটা মাৰি কৈছিল: "তুমি আহিছা, মই সুখী হৈছোঁ। তুমি কিন্তু এই সময়ত পাৰ্লিয়ামেণ্টতহে থাকিব লাগিছিল।" তাৰ উত্তৰত এখেতে কৈছিল: "চাৰ, ভাৰতীয় সংসদ নিশা আঠ বজাত নবহে।" সেইদিনা ভমকৈ

মানুহজনৰ ব্যক্তিত্বৰ আন এটা দিশ মোৰ চকুৰ আগত উজ্জলি উঠিছিল—এইজন মানুহ কিমান মৰমিয়াল! একোজন মহৎ ব্যক্তি হৈছে কিছুমান সৎ গুণৰ সমষ্টি। ডক্টৰ ৰাধাকৃষ্ণণে তেওঁৰ জীৱন-যাত্ৰা আৰম্ভ কৰিছিল শিক্ষকস্বৰূপে। মূৰত বগা পাগুৰিটোৰে সৈতে দেখিলে মানুহজনক পুৰণি আৰ্য্যাবৰ্ত্তৰ এজন ঋষি যেন লাগে। মাজতে এখেত এবাৰ অসুস্থ হৈ আস্পতালত থাকোঁতে ৰাষ্ট্ৰপতি ডক্টৰ ৰাধাকৃষ্ণণে অসুখৰ খবৰ লোৱাৰ উদ্দেশ্যে এখন চিঠি লেখিছিল। সাত-সাগৰৰ মৰম যেন সেই চিঠিখনৰ আখৰকেইটাত কেন্দ্ৰীভূত হৈ আছে। চিঠিখন এনেদৰে মৰমেৰে উপচি পৰা যে, তাক মই সৰতনে সাঁচি থৈছোঁ।

এয়া প্ৰথম দিনাৰ সাক্ষাতৰ কথা কৈছোঁ। ছয় বাজি বত্ৰিশ মিনিটত আমি ৰাষ্ট্ৰপতিৰপৰা বিদায় মাগিলোঁ। এই দিনটো মোৰ কাৰণে চিৰকাল অম্লান স্মৃতি হৈ ৰব। মোৰ মনটো সেইদিনা উপচি পৰিছিল। সেই সময়ত ৰবীন্দ্ৰনাথ ঠাকুৰৰ এফাকি কবিতা মনত পৰিছিল :

'তোমাৰ কীৰ্ত্তিৰ চেয়ে, তুমি যে মহৎ,
তাই তব জীবনেৰ ৰথ,
পশ্চাতে ফেলিয়া যায় কীৰ্ত্তিৰে তোমাৰ
বাৰম্বাৰ...'

॥ নেহৰু ঃ এটি দিনৰ ডায়েৰী ॥

আজি চৈধ্য নৱেম্বৰ, উনৈশ শ পঁইষষ্ঠি চন। নেহৰুজীৰ জন্মদিন। পণ্ডিতজীৰ পৰলোক গমনৰ পিছত এইবাৰৰ সৈতে ছবাৰ দেশবাসীয়ে পণ্ডিতজীৰ জন্মদিন পালন কৰিছে। নেহৰুজীৰ অতি মৰমৰ কণ কণ লৰা-ছোৱালীহঁতৰ বাবে পালন কৰা হৈছে—শিশুদিৱস।

আজি ঘৰৰ সমুখেদি জাক জাককৈ গাৰ হৈ যোৱা লৰা-ছোৱালী আৰু বয়সস্থসকলৰ সমদল দেখি নেহৰুজীৰ জীৱিত-কালৰ জন্মদিনৰ কথা মনত পৰিছে। তেতিয়াও হাতত ৰঙা গোলাপৰ থোপা লৈ ফুলকুমলীয়া লৰা-ছোৱালীহঁত অতি উলাহ-আনন্দেৰে আগবাঢ়ি আহিছিল পণ্ডিতজীৰ কাষলৈ। তেওঁলোকৰ হাতৰপৰা ফুলৰ থোপাবোৰ লোৱাৰ লগে লগে, সেই মিঠা হাঁহিটোৰে পণ্ডিতজীয়ে তেওঁলোকক ওলগ জনাইছিল। লগে লগে কোনোটোক সাবট মাৰি ধৰি, কোনোজনীক গালত মৰমেৰে থপৰিয়াই কণ কণ লৰা-ছোৱালীহঁতৰ মৰমৰ প্ৰতিদান দিছিল। সেইদিনা পণ্ডিতজীও যেন এটি কুমলীয়া শিশু, যাৰ হাঁহিত নিগৰি পৰিছিল অন্তৰৰ সকলো সৰলতা। তেওঁৰ শিশুৰ দৰে হাঁহি আৰু মনৰ উলাহ দেখি পণ্ডিতজীৰ ঘৰৰ চোতালত সমবেত হোৱা জনতাৰ মাজতো আনন্দৰ জোৱাৰ নামিছিল।······আজি পণ্ডিতজী নাই। তেওঁৰ পবিত্ৰ স্মৃতিৰ নেহৰু মিউজিয়াম চাবলৈ জাকে জাকে মানুহ আহিছে। খন্তেকৰ

বাবে হলেও দৈনন্দিন জীৱনৰ ব্যৱহাৰৰ বস্তুবোৰৰ মাজত মহান মানৱজনাক উপলব্ধি কৰিবলৈ যত্ন কৰিছে।

পণ্ডিতজীৰ জীৱিত কালত দেখিছিলোঁ, সাধাৰণতে দুটা দিনত মানুহজনৰ ঘৰত জনতাৰ ভিৰ হয়—এটা দিন চৈধ্য নৱেম্বৰ, পণ্ডিতজীৰ জন্মদিন। আনটো দিন, ফাকুৱাৰ দিনা। পোনতে দিল্লীলৈ আহোঁতে এবাৰ চৈধ্য নৱেম্বৰৰ দিনা জনতাৰ সমাবোহ চাই চাই, সক সক লৰা-ছোৱালীহঁতৰ মাজত এক হৈ আমাৰ ঘৰৰ নিচেই কাষতে থকা নেহৰুজীৰ প্ৰাঙ্গন পাইছিলোঁগৈ।···সেউজীয়া দলিচাখনৰ দৰে কোমল মিহি ঘাঁহনিডৰা, সযতনে পালিত আলফুলীয়া নানাৰঙী গোলাপবোৰ, ধুনীয়া ৰং-বেৰঙৰ কাপোৰ পিন্ধা কণ কণ লৰা-ছোৱালীবোৰ, তেওঁলোকৰ মুখত পাৰ বাগৰা হাঁহি, হাতত বগা-ৰঙা গোলাপৰ থোপাবোৰ, কাৰোবাৰ হাতত এটি মাত্ৰ তেজৰঙা গোলাপৰ কলি—সেই পৰিৱেশৰ মাজত দেখিছিলোঁ পণ্ডিতজীক—এটি সবল শিশুৰ দৰে কণ কণ লৰা-ছোৱালীহঁতৰ লগত উমলি ফুৰা। গোটেই পৰিবেশটো ইমান যে মৰ্ম্মস্পৰ্শী হৈ পৰিছিল, সেইখন ছবি আজিও মোৰ মনৰ পৰ্দ্দাত জীৱন্ত হৈ আছে। সেয়া বহু বছৰৰ আগৰ কথা। এইখিনিতে নেহৰুৱে নিজে কোৱা কথা এষাৰ মোৰ মনত পৰিছে :

'For a moment I forget that I am terribly old and that it is a very long time ago since I was a child.'

তিনি কুৰি দহ বছৰ বয়সত ভৰি দিব খোজা এইজন পুৰুষৰ অফুৰন্ত কৰ্ম্মশক্তি দেখি সেইদিনা বিস্ময় মানিছিলোঁ। এজন সাংবাদিকে মন্তব্য কৰিছিল : 'India's Prime minister runs, he does not walk'······গোটেই দিল্লী মহানগৰীখন যেতিয়া টোপনিত লালকাল দি থাকে, তেতিয়া উনসত্তৰ বছৰীয়া এই ডেকাজনে নিজৰ দৈনন্দিন কাৰ্য্যসূচী আৰম্ভ কৰি দিছিল। মানুহজনৰ অফুৰন্ত

কৰ্ম্মস্পৃহা আৰু ঐকান্তিক ধৈৰ্য্যৰ মূলতে আছিল বহুমূলীয়া স্বাস্থ্যটো। নিয়মিতভাৱে অভ্যাস কৰা যোগাসনে মানুহজনৰ স্বাস্থ্য অটুট কৰি ৰাখিছিল। শীৰ্ষাসনত তেওঁৰ অটল বিশ্বাস আছিল। সেয়ে হয়তো বয়সে ভৰপক দিওঁতেও ডেকা মানুহ এজনৰ দৰে লোণ মিহলোৱা চাহ খাই মানুহজনে গাটো পাতল কৰিছিল। ইন্‌জেক্‌চন, ডাক্তৰি ঔষধক তেওঁ কাচিৎ হে প্ৰশ্ৰয় দিছিল।

এবাৰ টেলিভিশ্যনৰ সাক্ষাৎ প্ৰসঙ্গত প্ৰশ্ন কৰা হৈছিল, তেওঁৰ অফুৰন্ত কৰ্ম্মশক্তিৰ উৎস ক'ত বুলি। প্ৰশ্নোত্তৰত এটি বৰ মনোৰম কথা কৈছিল। সৰু সৰু কথাই মানুহজনৰ মন চঞ্চল বা অস্থিৰ কৰিব নোৱাৰিছিল। মহৎ চিন্তা আৰু মহৎ কৰ্ম্ম আছিল মানুহজনৰ জীৱনৰ উৎস। এই অনুপ্ৰেৰণা পাইছিল নেহৰুৱে গান্ধীজীৰপৰা। আমাৰ সাধাৰণ মানুহৰ মনবোৰ সৰু সৰু কথাই ইমানকৈ আচ্ছন্ন কৰি ৰাখে যে ডাঙৰ চিন্তা কৰাটো আমাৰ পক্ষে টান হৈ পৰে। সঙ্কীৰ্ণমনা কথাই আত্মা কলুষিত কৰে। এনেবোৰ কথাৰ সাঁচ অন্তৰৰপৰা মুখমণ্ডললৈ বিৰিঙি দেহ-মন উভয়কে ঘৃণীয়া কৰে। নেহৰুৰ এই সাৰগৰ্ভ কথা শুনি শুনোতাসকলে বিস্ময় মানিছিল।

অবিৰাম কৰ্ম্ম-স্পৃহাৰ আৰু এটা কাৰণ মানুহজনে দৰ্শাইছিল। ফুল, কণ কণ লৰা-ছোৱালী, পাহাৰ-পৰ্ব্বত, জীৱ-জন্তু, এই আটাইবোৰ বস্তু তেওঁ অন্তৰেৰে ভাল পাইছিল। এনেবোৰ বস্তুৰ স্নিগ্ধ সৰলতাই তেওঁৰ মনো স্নিগ্ধ কৰি ৰাখিছিল। নিষ্কলঙ্ক স্নিগ্ধ মনে কৰ্ম্মশক্তি অটুট ৰাখে। নেহৰুৰ চপল তনু আৰু স্নিগ্ধ হাঁহিভৰা মুখখনে তাকেই আমাক আজিও সোঁৱৰায়।

ৰাতিপুৱা দৈনন্দিন কামখিনি কৰি আঁতাই আঠ বজাত মানুহজন চাহৰ টেবুলত বহিছিল। চাহ খাইছিল পৰিয়ালৰ সকলোৰে লগত একেলগে। আগৰ ছোৱা জোঁৱায়েক ফিৰোজ গান্ধী জীৱিত থকা কালত নাতি দুটাৰে সৈতে তেওঁৰ পৰিয়াল একপ্ৰকাৰ ডাঙৰেই

আছিল বুলিব লাগে। নিয়তিৰ কি পৰিহাস! এদিন অকস্মাৎ জেঁাৱায়েক ফিৰোজ গান্ধী এই পৃথিৱীৰপৰা অন্তৰ্দ্ধান হল। নাতিলৰা দুটাও উচ্চশিক্ষাৰ অৰ্থে ককাকৰপৰা দূৰৈত থাকিবলগীয়া হল। এনে অৱস্থাত নেহৰু প্ৰায় অকলশৰীয়া হৈ পৰিছিল। সেই বিৰাট প্ৰাসাদটোত নিজৰ বুলিবলৈ একমাত্ৰ জীয়েক ইন্দিৰা গান্ধী পৰিয়ালটোত থাকিল। এইছোৱা কালত তেওঁৰ জীৱন-তৰণীৰ একমাত্ৰ সহায় আৰু সাৰথি আছিল, ইন্দিৰা গান্ধী। আমাৰ হেম বৰুৱাই তেখেতৰ আঁচুফুলত নেহৰু কিমান অকলশৰীয়া আছিল, সেইবিষয়ে লেখা সুন্দৰ এটা ঘটনা আছে। এইখিনিতে সেই ঘটনাটোৰ উদ্ধৃতিৰ লোভ সামৰিব নোৱাৰিলোঁ।

"১৭ এপ্ৰিল, ১৯৬২ চন—এইদিনাই মোৰ হাতখনত ধৰি এখুজি-তুখুজিকৈ মানুহজন চাহ-মেললৈ গৈছিল। সেইদিনা হোৱা কথোপকথনখিনি আজিও মোৰ মনত ফৰিংফুটা হৈ আছে। প্ৰত্যেকটো হুমুনিয়াহ, প্ৰত্যেকটো শব্দ। কথাৰ মাজতে এবাৰ তেওঁ কৈছিল: 'জানা, যোৱা ৩৪ বছৰে মোৰ কোনো বেমাৰ হোৱা নাই। এতিয়া কিন্তু মই অসুস্থ।' কথা কেইষাৰ ইমান গভীৰভাৱে কৈছিল যে প্ৰত্যেকটো শব্দতে সাত-সাগৰৰ অশ্ৰুধাৰা নিগৰি পৰা যেন লাগিছিল। বেদনাত মোৰ অন্তৰখনো কঁপি উঠিছিল। একেদৰে গভীৰভাৱে ময়ো কৈছিলোঁ: 'জানো, আপুনি অসুস্থ।······নিৰ্ব্বাচনত দেশৰ ইমূৰৰপৰা সিমূৰলৈ আপুনি বাৰু ঘূৰি ফুৰিছিল কিয়? আপুনি নুঘূৰা হলেও কংগ্ৰেছৰ একো ক্ষতি নহলহেঁতেন।' তাৰ উত্তৰত তেওঁ কি কৈছিল জানা? 'তুমি একো নাজানা······।' মই কলোঁ: '······এতিয়া আপুনি সংসাৰৰ কামবোৰ এনেকৈ চপাই লৈছে কিয়?' তাৰ উত্তৰত সেই একেদৰেই কৈছিল: 'তুমি একোকে নেজানা। মই জানো, তুমি একোকে নেজানা। কামবোৰ ভগাই দিম কাক? কোন আছে?'······মৃত্যুপাটীৰ কাষত ইন্দিৰা গান্ধীক যেতিয়া উচুপি

থকা দেখিছিলোঁ, তেতিয়া সেই একেযাৰ কথাকে মনৰ মাজত ধ্বনিত হৈছিল : 'কোন আছে?'……নেহৰু আছিল সঁচাই অকলশৰীয়া। তেনেই অকলশৰীয়া। মানুহৰ মৰম তেওঁ উভৈনদীকৈ পাইছিল, সঁচা কথা। কিন্তু চকুৰে পাৰ নেদেখা মৰমৰ এই সাগৰৰ বুকুতো মানুহজন আছিল অকলশৰীয়া এজন নাৱৰীয়া।"

……ৰাতিপুৱা চাহ-খোৱা সময়খিনিতে নাতিয়েকহঁতৰ সকলো ৰকমৰ সৰু-বৰ ওজৰ-আপত্তি মানুহজনে কাণ পাতি শুনাটো এটা অভ্যাসত পৰিণত হৈছিল। সিহঁতৰ দুই এটা সমস্যাও সমাধান কৰি দিছিল। মুঠতে কৰ্ম্মব্যস্ত এনে এজন মানুহে তেওঁৰ গধুৰ কাৰ্য্যসূচীৰপৰা এধানমান হলেও সময় উলিয়াই নাতিয়েকহঁতৰ লগত উমলিছিল।

খোৱা-বোৱা বিষয়তো মানুহজনৰ একো ওজৰ-আপত্তি নাছিলেই। ডেকাকালত ধোঁৱা ওলাই থকা গৰম বস্তু নাপালে, যিজনে খঙত একো নাই হৈছিল, সেইজন মানুহৰ পিছলৈ কোনটো বস্তু কেনেকৈ ৰান্ধিছে বা বন্ধা কেনে হৈছে, এনে একো কথালৈকে কাণসাৰ নোহোৱা হল। খোৱাৰ পাতত বহি এইটো খাওঁ, সেইটো খাওঁ—এনেধৰণেৰে মানুহজনে কেতিয়াও খৰিয়াল কৰা নাছিল। সিজোৱা কণী এটা, কেইচকলমান কটী আৰু এপিয়লা বা দুপিয়লা কফি—এয়ে আছিল তেওঁৰ ৰাতিপুৱাৰ খোৱাৰ সামগ্ৰী। দুপৰীয়াৰ খোৱাখিনিও সেইদৰে তেনেই সাধাৰণ বিধৰ আছিল। অলপমান চুকহা, কিছু চালাড, এগিলাচ ফলৰ ৰস—এয়ে আছিল দুপৰীয়াৰ সাজৰ বস্তু। অৱশ্যে তপত কফি খাই মানুহজনে বৰ ভাল পাইছিল।

ৰাতিপুৱা চাহ-জলপান খাই উঠাৰ পিছত মানুহজনে চিঠি-পত্ৰ চোৱাৰ কাম হাতত লৈছিল। চিঠি-পত্ৰ মানুহজনলৈ জানো কম আহিছিল? এই চিঠিবোৰে কঢ়িয়াই অনা সমস্যাবোৰৰ প্ৰতি নেহৰুৰ দৃষ্টি আকৰ্ষিত হৈছিল এইখিনি সময়তে। সেই সমস্যাসমূহৰ

সমাধানৰ কথাও এইটো সময়তে মানুহজনে চিন্তা কৰি উলিয়াইছিল।

এই সকলোবোৰ কামৰ লেঠা মাৰি নেহৰু ওলাই আহে তেওঁৰ ঘৰৰ সমুখৰ সেউজীয়া' প্ৰাঙ্গনখনলৈ। দৰ্শন কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ দল, নানান ওজৰ-আপত্তি লৈ অহা মানুহ, আনকি ঘৰুৱা আপত্তি লৈ অহা মানুহেৰে প্ৰাঙ্গন নিতৌ উপচি থাকে। এদিন হাস্যৰসৰ অৱতাৰণা কৰি সংসদৰ মজিয়াত নেহৰুৱে এনেদৰে কৈছিল: 'দেশৰ নানা ঠাইৰপৰা দিল্লী চাবলৈ অহা জনসাধাৰণে লালকেল্লা, কুতুবমিনাৰ চোৱাৰ পিছত মোক চাবলৈ আহে। ময়ো দিল্লীৰ এটা চাবলগীয়া বস্তু।'

নানান সমস্যাৰ, নানা মানুহৰ সম্মুখীন হবলগা হোৱা সত্বেও পণ্ডিতজীয়ে কাচিৎ হে ধৈৰ্য্য হেৰুৱাইছিল। উচ্চ-নীচ একো ব্যৱধান নৰখাকৈ সমানে সহমৃাভূতিপূৰ্ণ কথাৰে দিহা-ভাৰসা দি মানুহজনে বিদায় দিছিল। তাৰপিছত তেওঁ গৈছিল সংসদ বহি থাকিলে সংসদলৈ, নাইবা অফিচলৈ। অফিচলৈ নিতৌ তেওঁ ধৰা-বন্ধা নিয়ম অনুসাৰে গৈছিল। সন্ধিয়া কোনোবাদিনা কাম যেতিয়া পাতলীয়াকৈ থাকে, তেওঁ সোনকালে আজৰি হৈ চাৰে-ছয়, সাতমান বজাত অফিচৰপৰা ঘৰলৈ ওভতে। অফিচৰপৰা ওভতোঁতে প্ৰায়েই পণ্ডিতজীক দেখিছিলোঁ।

তেওঁৰ ঘৰৰ কাষৰৰ আমি থকা এই দক্ষিণ প্ৰাঙ্গণত আলিৰ দুয়োকাষে কিছুমান নিমজ সেউজীয়া ঘাঁহনি, লৰাই ওমলা ঠাই আছে। এনেয়ে নেহৰুৰ গাড়ী দ্ৰুতগতিত চলে। এইখিনি পোৱাৰ লগে লগে সদায়েই দেখিছিলোঁ, গাড়ীৰ দ্ৰুতগামিতা কমি যায়। ওমলা ঠাইত লৰি-ঢাপৰি ধেমালি কৰি থকা কণ কণ লৰা-ছোৱালীহঁত গাড়ীখনৰ ওচৰলৈ "চাচা নেহৰু, জিন্দাবাদ" বুলি চিঞৰি হাত জোকাৰি লৰৰি যায়। নেহৰুৱেও গাড়ীৰ খিড়িকীয়েদি হাঁহিভৰা তেওঁৰ মুখখন উলিয়াই হাত জোকাৰি

এইদৰে চিঞৰ ধৰা লৰা-ছোৱালীহঁতক অভিনন্দন জনায়। এইটো দৃশ্য মই প্ৰায়েই দেখিছিলোঁ। গতিকে প্ৰায়েই মোৰ মনত প্ৰশ্ন হৈছিল: এনে এজন কৰ্মব্যস্ত মানুহে সকলোকে সমানভাৱে কেনেকৈ মন ভাল লগাব পৰাকৈ ব্যৱহাৰ কৰিব পাৰে? বাটৰ কাষত চিঞৰ-বাখৰ কৰি থকা লৰা-ছোৱালীবোৰৰ ফালে চাই হাঁহিবলৈ নেহৰুৰ বাৰু কিহে পাইছে? এইষাৰ প্ৰশ্ন এদিন আমাৰ এখেতকো কৰিছিলোঁ। উত্তৰত এখেতে কৈছিল: "ইয়াৰ কাৰণ কি জানা নে? ওৰেটো দিন অফিচত কাম কৰি শ্ৰান্ত হৈ এই মানুহজন এটা বিৰাট ঘৰত সোমাবগৈ। তাতো তেওঁক হাঁহি-মুখে আদৰণি জনাবলৈ কোনো নাই। ফুল আৰু চৰাইৰ দৰে, সৰু সৰু লৰা-ছোৱালী হৈছে ভগৱানৰ সৰ্ব্বোৎকৃষ্ট সৃষ্টি। নিজা ঘৰত যিটো পাবলৈ নাই, সেইটো তেওঁ বাটত পাইছে। এই কাৰণেই মানুহজনে লৰা-ছোৱালীবোৰৰ হাঁহিভৰা মুখ আৰু মনৰ উলাহ দেখি মতলীয়া হৈছে। মনস্তত্ত্বৰ পিনৰপৰা এইটো অতি স্বাভাৱিক কথা।" সেইদিনা হে মোৰ কাৰণে অৰ্থবিহীন নেহৰুৰ এই ব্যৱহাৰৰ অৰ্থ মুকলি হল।

নিশা খোৱা-বোৱাৰ অন্তত মাজনিশালৈকে পঢ়াৰ টেবুলত বহাটো মানুহজনৰ এটা এৰাব নোৱাৰা অভ্যাস আছিল। দিনটোৰ ভালেখিনি কাম তেওঁ গোটাই থৈছিল ৰাতিলৈ। প্ৰকৃততে কাম কৰা মানুহে ৰাতিটোক আপোন কৰি লব নোৱাৰিলে বিশেষ কাম কৰিব নোৱাৰে। নিশাৰ নিস্তব্ধতাৰ মাজত নেহৰুৱে নিৰলে এটা এটাকৈ কামবোৰ সমাধা কৰিছিল। এইদৰে নিশা এড়োখৰলৈকে কাম কৰা মানুহজনৰ এটা সাধাৰণ অভ্যাস হৈ পৰিছিল।

দিনটোৰ অবিশ্ৰান্ত পৰিশ্ৰমৰ অন্তত শোৱনি-কোঠাত থকা 'বুক-কেচ'ত চকু ফুৰোৱাও তেওঁৰ এটা দৈনন্দিন অভ্যাসত পৰিণত হৈছিল। তেওঁৰ ঘৰুৱা লাইব্ৰেৰীত অসংখ্য কিতাপ আছিল

অকস্মাতে কেতিয়াবা, জাতিৰ জনক বাপুজীৰ কিতাপত চকু পৰাৰ লগে লগে মানুহজনৰ মনটো অতীতৰ বুকুলৈ উৰা মাৰিছিল। এটি এটিকৈ বাপুজীৰ জীৱনৰ সৈতে জড়িত থকা দিনবোৰৰ সোঁৱৰণী তেওঁৰ মনৰ দিগন্তত সম্ভৱতঃ জীৱন্ত হৈ উঠিছিল। বাপুজীৰ অনুপ্ৰেৰণাক সাৰথি কৰি, বাপুজীৰ আশীৰ্ব্বাদ শিৰত লৈ স্বাধীনতাৰ ৰণত নেহৰু জঁপিয়াই পৰিছিল। সমগ্ৰ জীৱনটো বাপুজীৰ আদৰ্শক শিৰোধাৰ্য্য কৰি নেহৰুৱে আগবাঢ়িবলৈ যত্ন কৰিছিল।

'ঈশ্বৰ আল্লা তেৰে নাম
সবকো সম্মতি দে ভগৱান'

—বাপুজীৰ এই জীৱনৰ স্বপ্ন নেহৰুৰ জীৱনৰ মূল অনুপ্ৰেৰণা আছিল। বহুতেই বহুত সময়ত মানুহজনক ভুল বুজিছিল। তথাপি জীৱনৰ এই মহৎ আদৰ্শক লক্ষ্য-বস্তু কৰি মানুহজন একাগ-পতীয়াকৈ দেশ-সেৱাৰ ব্ৰতত ব্ৰতী হৈছিল। এই কাৰণেই সম্ভৱতঃ ভাৰতীয় জনসাধাৰণে অন্তৰ উবুৰিয়াই তেওঁক ভাল পাইছিল। এই ভাল পোৱাকেই তেওঁ বিচাৰিছিল। অন্তৰেৰে বিচাৰিছিল কাৰণেই মানুহৰ মৰম মানুহজনে অপৰ্য্যাপ্তভাৱে পাইছিল।

'If any people choose to think of me then I should like them to say: This was the man who, with all his mind and heart, loved India and the Indian people. And they, in turn, were indulgent to him and gave him of their love most abundantly and extravagantly.'

॥ হে দেৱতা বিদায় ॥

সাতাইশ মে', বুধবাৰ, উনৈশ শ চৌষষ্ঠি চন, সময় দিনৰ দুই বাজি চল্লিশ মিনিট। বাহিৰত ৰ'দ অতি প্ৰখৰ, দুৱাৰ-খিড়িকী বন্ধ, ঘৰৰ ভিতৰত সেই মুহূৰ্ত্তত ৰেডিঅ'ৰ তৰঙ্গই কঢ়িয়াই আনিছিল সেই 'বন্দিনী' কথাছবিৰ 'মত ৰও মাতা' গানটো। 'আই তুমি নাকান্দিবা'—কিন্তু ইমান সোনকালেই যে ভাৰত-মাতৃয়ে আউলী-বাউলী হৈ কান্দিব লাগিব, সেইষাৰ কথা আমি কোনেও কল্পনাকে কৰিব পৰা নাছিলোঁ। ৰাতিপুৱাৰপৰাই মনটো উগুল-থুগুল লাগি আছিল। ৰাতিপুৱাই পণ্ডিতজীৰ অসুখৰ খবৰ পাইছিলোঁ। দুপৰীয়া বাৰ বজাত আমাৰ এখেতে সংসদ-ভৱনৰপৰা ফোনত মোক কৈছিল: "বৰ বেয়া খবৰ এটা, জানা নে? পণ্ডিতজীৰ অৱস্থা উদ্বেগজনক। কথাষাৰ শুনি বৰ বেজাৰ লাগিছে।" বিচলিত মনটোৰে ৰেডিঅ'ৰ সেই গানটো নিবিড়ভাৱে গ্ৰহণ কৰি আছিল। সেই সময়ত দুই বাজি চল্লিশ মিনিট পাৰ হৈছে মাথোন। অকস্মাৎ সেই বাজি থকা গানটো বন্ধ হৈ গল। মোৰো অন্তৰখন ভীষণভাৱে কঁপি উঠিল। বন্ধ হৈ যোৱা গানটোৰ পৰিবৰ্ত্তে বাজি উঠিল চেতাৰত এটা কৰুণ সুৰ। সেই কৰুণ সুৰৰ অৰ্থ মই অনুমান কৰিব নোৱাৰিলোঁ। ইমূৰৰপৰা সিমূৰলৈ ৰেডিঅ'টো পকাই চালোঁ। সকলো ষ্টেচনতে সেই একেটা কৰুণ সুৰ কঁপি কঁপি বাজি উঠিছে।

চকু দুটা মুদি ভগৱানক সুঁৱৰিলোঁ: "ভগৱান, একো যেন অঘটন নঘটোৱা।" মোৰ কাতৰ মিনতিয়ে ভগৱানৰ কৰ্ণ স্পৰ্শ নকৰিলে। অলপ পিছতে সেই ৰেডিঅ'তে কোৱা শুনিলোঁ কোনোবাই থোকা-থুকি মাতেৰে: "থুৰী দেৰ্ ঘে পহ্‌লে হমাৰে পণ্ডিতজীকো দেহান্ত হুৱা।" ......কথাষাৰ শুনি বজ্ৰপাত পৰা মানুহৰ দৰে কিমানপৰ থৰ হৈ আছিলোঁ, কব নোৱাৰোঁ। মোৰ সৰু লৰাটোৱে মাত দিলে: "মা, পণ্ডিতজী আৰু আমাৰ মাজত নাই নেকি?" মূৰ তুলি চালোঁ, তাৰ দুগালেদি ধাৰাসাৰে চকুলো বাগৰিছে। গোসাঁইৰ ওচৰত সেৱা জনাই সি উচুপি উচুপি কান্দিছে। তাৰ শিশু মনটোৱে ভগৱানৰ ওচৰত কি বুলি মিনতি জনাইছিল, নাজানো। মোৰ বেদনাগধুৰ মনটোৱে বাৰে বাৰে মাথোন দোহাৰিছিল: "ভগৱান, আমাক এই দুখৰ বোজা ববলৈ শক্তি দিয়া, ধৈৰ্য্য দিয়া।"

বাহিৰলৈ ওলাই চালোঁ, ইতিমধ্যে গাড়ী, মটৰ, সকলো দ্ৰুত-বেগে লৰিছে পণ্ডিতজীৰ বাসভৱনৰ পিনে। পণ্ডিতজীৰ বাসভৱন আমাৰ ঘৰৰ তেনেই ওচৰতে। সংসদৰ সদস্যসকলক সমদলে আগবঢ়া দেখি ময়ো তেখেতসকলৰ মাজতে সোমাই পৰিলোঁ, লৰাটোক লগত লৈ। আমাৰ তেখেত আগতেই মটৰেৰে পণ্ডিতজীৰ বাসভৱন পালেগৈ। কাৰো মুখত কথা নাই, কেৱল যেয়ে যিমান পাৰে বেগাই খোজ লৈছে। সকলোৱে হয়তো ভাবিছে, এই অভাৱনীয় ঘটনাটো সত্য নে? আমি আগবাঢ়ি গৈ পণ্ডিতজীৰ বাসভৱনৰ চাৰিবেৰৰ ভিতৰত সোমাই পৰিলোঁ। লোহাৰ দুৱাৰখনৰ ওচৰত দেখিলোঁ, এগৰাকী বুঢ়ীয়ে ৰাজকৰ্ম্মচাৰী এজনৰ ভৰি দুখনত সাবটি কৈছে: "মোক যাবলৈ দিয়ক। এবাৰ মাথোন আমাৰ মৰমৰ নেতাজনক চাবলৈ দিয়ক।" ৰাজকৰ্ম্মচাৰীজন বিমোৰত যে পৰিছিল, মানুহজনৰ মুখখন দেখিয়েই বুজিব পাৰিছিলোঁ।

পণ্ডিতজীৰ বাসভৱনত তেতিয়া এক ভয়াবহ নিৰৱতা বিৰাজ কৰিছিল। তাত গোটখোৱা মানুহবোৰ একোটা পাথৰৰ মূৰ্ত্তিৰ দৰে

নিবিড়ভাৱে স্তব্ধ হৈ বৈ আছিল। কাৰো মুখত কথা নাই। সকলোৰে মুখবোৰ বেদনাৰে উপচি পৰা। কাৰো কাৰো চকুৰেদি টপ্ টপ্ কৈ চকুলো বাগৰিছিল। মহানগৰীৰ আকাশে-বতাহে বিয়পি পৰা শোকৰ ছাঁ একেলগে থুপ খালেহি মানুহবোৰৰ মুখমণ্ডলত। এই শোকাবহ ঘটনাৰ কথা বিজুলী সঞ্চাৰে বিয়পি পৰিল মহানগৰীৰ চুকে-কোণে। তাৰপিছত আৰু কোনো কথা নাই। দিল্লীৰ মে' মাহৰ প্ৰখৰ সূৰুযৰ তাপেও কাকো বাধা দিব নোৱাৰিলে। যেয়ে য'ত যেনেকৈ আছিল, ঢাপলি মেলিলে প্ৰধান মন্ত্ৰীৰ বাসভৱনৰ পিনে। জনতাৰ ধল নামিল। চাইকেল, মটৰ, খোজকাঢ়ি অহা মানুহ, ইত্যাদিৰ অবিৰাম গতিৰে জনতাৰ সোঁত ববলৈ ধৰিলে। পণ্ডিতজীৰ বাসভৱনৰ দুৱাৰ-মুখত সকলো আহি গোট খালেহি মহান ব্যক্তিজনাৰ এবাৰ শেষবাৰৰ কাৰণে দৰ্শনলাভৰ মানসেৰে। জনতাৰ কাৰণে তেতিয়াও বাসভৱনৰ দুৱাৰ মুকলি হোৱা নাছিল

ওপৰ মহলাৰ শয়ন-কক্ষত এখন চাপৰ পালেঙত পণ্ডিতজী যেন শুই হে আছে। এয়া যেন মৃত্যু নহয়, খন্তেকলৈ মানুহজনে জিৰণি লৈছে। এক প্ৰশান্তি তেওঁৰ মুখমণ্ডলত বিৰাজ কৰিছে। এই অশান্ত পৃথিৱীখন যিমানেই অশান্ত পৰিবেশৰ মাজত বুৰ গৈ নাথাকক, মৃত্যুৱে যেন আনিলে সেই কৰ্ম্মশ্ৰান্ত মানুহজনৰ জীৱনলৈ চিৰপ্ৰশান্তি। প্ৰশান্ত মুখমণ্ডলত তেতিয়াও তেজোদ্দীপ্ত কান্তি বিৰাজমান। ওচৰত একমাত্ৰ সন্তান ইন্দিৰা গান্ধী শোকাকুলা হৈ উচুপি আছে। এই মুহূৰ্ত্তত ইন্দিৰাৰ হয়তো মনত পৰিছে, ককাক মতিলাল নেহৰুৰ পৰলোক গমনৰ সময়ত দেউতাকে তেওঁলৈ লেখা চিঠিখনৰ কথা। চিঠিখনত দেউতাকে শোকত ভাগি নপৰিবলৈ জীয়েকক উপদেশ দিছিল। সেই একে উপদেশকে ইন্দিৰাই আজি স্মৰণ কৰিছে। ওচৰতে মাটিত বহি ডক্টৰ সুশীলা নায়াৰ প্ৰমুখ্যে কেইবাগৰাকী মহিলাই অস্ফুট কণ্ঠেৰে গীতা পাঠ কৰিছে।

দিনটো বতৰ ফৰকাল আছিল। কিন্তু আবেলি হোৱাৰ লগে লগে ক'ৰপৰানো গোটখালেহি চপৰা-চপৰকৈ ডাৱৰবোৰ। তাৰ-পিছত কান্দিলে আকাশখনে। সেই কান্দোনৰ যেন বিৰতি নাই। ওপৰত বতাহ-বৰষুণ, তলত লৰা-ছোৱালী, কেঁচুৱা লৈ অবিচলিত হৈ ৰৈ আছে হাজাৰগৰাকী মহিলা-পুৰুষ। সকলো সমানভাৱে স্তব্ধ হৈ ৰৈ চাই আছে বন্ধ লোহাৰ দুৱাৰখনৰ ফালে। তেওঁলোকৰ ধাৰণা, কোনোবা মুহূৰ্ত্তত দুৱাৰখন মেল খাব। শেষবাৰৰ কাৰণে হেপাহ পলুৱাই চাই লব সেইজন মহামানৱক।

সন্ধিয়া চাৰে আঠ বজাত সেই লোহাৰ বিৰাট দুৱাৰখন মেল খালে। ইও এক অভাৱনীয় দৃশ্য। দুৱাৰ মেল খোৱাৰ লগে লগে জোৱাৰৰ দৰে আগবাঢ়ি আহিল জনতাৰ সমদল। বহুতো লৰা-ছোৱালী গচকত পৰি আহত হল। তথাপিও জনতাৰ অন্তৰৰ অদম্য আকাঙ্ক্ষা কোনোৰূপে চেঁচা পৰি নগল। জনতা আগবাঢ়িল। ইতিমধ্যে ওপৰ মহলাৰ শোৱনি-কোঠাৰপৰা পণ্ডিতজীৰ অসাৰ দেহাটো আনি তলৰ মহলাৰ এডোখৰ ওখ ঠাইত ৰখা হল জনতাৰ দৰ্শনৰ বাবে। হেলনীয়াকৈ তেওঁৰ পাটীখন থোৱা হল; যাতে দূৰৰপৰাই জনতাই দৰ্শন কৰি শ্ৰদ্ধাঞ্জলি জনাব পাৰে। জনতাৰ অবিৰাম সোঁতত যতি পৰা নাই। দলে দলে মানুহ আহিছে। শেষবাৰৰ কাৰণে শ্ৰদ্ধা জ্ঞাপন কৰি প্ৰত্যেকেই আঁতৰি পৰিছে এখন গধুৰ অন্তৰ লৈ। গোটেই নিশাটোৰ কাৰণে মহামানৱজনাৰ দুৱাৰ মুকলি থাকিল, অবিৰাম গতিৰে ৰৈ থাকিল জনতাৰ সোঁত।

নিশা দুই বজাত আকৌ এবাৰ মহামানৱজনাৰ দৰ্শন লভিবলৈ এখোজ-দুখোজকৈ আগবাঢ়িলোঁ। গদ্‌গদ্ স্বৰেৰে গীতা পাঠৰ ধ্বনিয়ে চৌদিশ মুখৰিত কৰি ৰাখিছিল। এয়া যেন কোনোবা ঋষি-মুনিৰ আশ্ৰম। ঋষিজনা গভীৰ ধ্যানত মগ্ন। চৌপাশে অন্যান্য মুনিসকলে মন্ত্ৰ উচ্চাৰণ কৰিছে। মনটো গভীৰ হৈ

পৰিল। বাহিৰৰ উৎকণ্ঠিত জনতা শাৰী পাতি আগুৱাই আহি আছে! মাইল মাইল জুৰি জনতা শাৰী পাতি বৈ আছে সেই দুপৰ-নিশাও। তেওঁলোকৰ শৰীৰত শ্ৰান্তি নাই, ক্লান্তি নাই, পেটত ভোক নাই, মুখত কথা নাই। শোকাবহ এই ঘটনাই তেওঁলোকক আত্মবিস্মৃত কৰি ৰাখিছে। ওৰেটো নিশা এইদৰেই পাৰ হৈ গল।

সেইদিনা আঠাইশ মে'। দোকমোকালিৰেপৰা আকৌ সজোৰে আৰম্ভ হল জনতাৰ সমাগম। সেইদিনা বতৰটো তেনেই ফৰকাল আছিল। আগদিনাৰ ক্ৰন্দনমুখী আকাশখনে নিজেই নিচুকনি লৈছে। মহান ব্যক্তিজনাৰ শেষ যাত্ৰাৰ বাবে বতৰো যেন প্ৰস্তুত হল। বেলি উঠি অহাৰ লগে লগে জনতাৰ সমদল দুগুণে বাঢ়িবলৈ ধৰিলে। এই জনতা কেৱল মহানগৰীৰে নহয়। মধ্য প্ৰদেশ, উত্তৰ প্ৰদেশ, পঞ্জাৱ, আদি ঠাইৰ ভিতৰৰা গাঁও আৰু চহৰ অঞ্চলৰপৰাও জনতা ভাগি আহিছে—পণ্ডিতজীক শেষবাৰৰ কাৰণে শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ। হাতত একো সম্বল নাই। নিজৰ কাৰণে ভাবিবলৈ সময় ক'ত ?—পিয়াহত অণ্ঠ-কণ্ঠ শুকাই যোৱা তেওঁলোকৰ শুকান মুখবোৰ দেখি আমি পানী যাচিলোঁ। শ শ মানুহে হেপাহ পলুৱাই পানী খালে। প্ৰখৰ ৰ'দৰ তাপে তেওঁলোকৰ শৰীৰ শুকুৱাই নিছিল। পানীটোপাই যেন তেওঁলোকক আগবাঢ়ি যাবলৈ শক্তি যোগালে। এগৰাকী মহিলাই পানী খাবলৈ আহোঁতে দুখেৰে কলে: "পণ্ডিতজী বিনা হামাৰি দেশ শূন্য হো গয়া"—এইষাৰ কথা এইগৰাকী মহিলাৰে প্ৰাণৰ কথা নহয়। সমগ্ৰ দেশবাসীৰ অন্তৰৰ এষাৰ মাথোঁ কথাকে প্ৰতিধ্বনিত হল মানুহ-গৰাকীৰ অন্তৰত। এই অপূৰণীয় ক্ষতি কোনোবাদিনা পূৰণ হব জানো ?

চেকেণ্ড, মিনিট, ঘণ্টাকৈ সময়বোৰ নিষ্ঠুৰভাৱে বাগৰি গল। দিনৰ এক বজাত আৰম্ভ হব শেষ যাত্ৰা। মনৰ উথল-পুথল ভাববোৰ কোনোমতেই দমাব পৰা নাই। আৰু যে বেছি সময়

নাই। পণ্ডিতজীৰ বাসভৱনৰ পিনে চাব নোৱাৰি—এখন জনতাৰ সাগৰ। যিমানে ওচৰ চাপি আহিছে, সিমানে জনতাৰ সোঁত বাঢ়িছে। সকলোৱে শেষ দৰ্শনৰ কাৰণে উভাউল হৈ পৰিছে। বাসভৱনৰ লোহাৰ দুৱাৰখন আকৌ বন্ধ হল। মহান ব্যক্তিজনাৰ শেষ যাত্ৰাৰ সময় চমু চাপি আহিছে। ভিতৰত সকলো ব্যস্ত হৈ পৰিছে শেষ যাত্ৰাৰ বাবে।

পণ্ডিতজীৰ অন্ত্যেষ্টিক্ৰিয়া সমাপন কৰিবৰ কাৰণে ঠাই ঠিক কৰা হৈছিল, বাপুজীৰ সমাধিস্থলীৰ তিনিশ গজ উত্তৰে ৰাজঘাটত। এতিয়া সেই বুৰঞ্জী-বিখ্যাত ঠাইডোখৰৰ নামাকৰণ কৰা হৈছে "শান্তিবন"। সাতাইশ মে'ৰ দিনা ৰাতি প্ৰায় তিনিশ মানুহে গোটখাই বিজুলী বন্তিৰ সহায়েৰে ঠাইডোখৰ প্ৰস্তুত কৰিছিল। সোঁমাজত নিৰ্ম্মাণ কৰা হল পোন্ধৰ ফুট দীঘল, পোন্ধৰ ফুট বহল, পাঁচ ফুট ওখ এখন বেদী। এই বেদীতে মহামানৱজনাৰ অন্ত্যেষ্টি-ক্ৰিয়া সমাপন কৰা হল।

দিনৰ এক বজাত মহামানৱজনাৰ শেষ যাত্ৰা আৰম্ভ হব। এক নিৰ্দ্দিষ্ট বাটেদি এই যাত্ৰা আগবাঢ়ি যাব, এইষাৰ কথা আগতেই প্ৰচাৰ কৰা হৈছিল। বাতৰি কাকতবোৰতো ইয়াৰ মেপ আঁকি দিয়া হৈছিল। ভিতৰত সকলো ব্যস্ত হৈ পৰিছে শেষ প্ৰস্তুতিৰ বাবে। বাহিৰত হেঁচা-ঠেলা। এইবাৰ লোক-সমাগম হৈছে আলিৰ দুয়োকাষে। থিয় দিবলৈ ঠাই অকণো নাই। আলিৰ দুয়োকাষে থকা গছত মানুহ উঠিছে। অসংখ্য মানুহৰ ভৰ সহিব নোৱাৰি গছৰ ডাল ভাঙি পৰিছে। কেৱল গছত উঠা মানুহেই নহয়, তলত থকা মানুহো জখম হৈছে। এনেধৰণৰ ঘটনা কেৱল এঠাইতে নহয়, বহুতো ঠাইত ঘটিছে। তথাপিও মানুহৰ কাণসাৰ নাই। যি কোনো উপায়ে মৰমৰ এই নেতাজনক শেষবাৰৰ কাৰণে চাই লোৱাৰ প্ৰয়াস সকলোৰে। দিল্লীবাসীয়ে দ্বিতীয়বাৰ দেখিলে এইদৰে সমবেত হোৱা লাখ লাখ জনতাৰ সমদল। প্ৰথমবাৰ

দেখিছিল, আজিৰপৰা যোল বছৰৰ আগতে বাপুজীৰ তিৰোধান-ক্ষণত। এই অবিস্মৰণীয় দৃশ্যৰ যোল বছৰৰ অন্তত এয়া পুনৰুত্থান হে মাথোন।

এক বাজিবলৈ আৰু বেছি পৰ নাই। সঞ্জয়ে বগা কাপোৰ এখন তৰি জনতাৰপৰা ককাকৰ দেহা আঁৰ কৰি ধৰিলে। বোধকৰোঁ পৰিয়ালবৰ্গই শেষবাৰৰ বাবে দৰ্শন কৰিবৰ বাবে। কিছু সময়ৰ পিছত বগা আঁৰ-কাপোৰখন গুচোৱা হল। পুৰোহিতৰ নিৰ্দ্দেশ-ক্ৰমে সঞ্জয়ে ককাকৰ নশ্বৰ দেহাৰ ওপৰত হাত থৈ মন্ত্ৰ উচ্চাৰণ কৰিলে। গঙ্গাৰ পৱিত্ৰ জল ছটিওৱা হল। তাৰপিছত মুষলধাৰে কেউপাশৰপৰা বৰষণ হল ফুলৰ অঞ্জলি। এক অপূৰ্ব্ব দৃশ্য। ৰবি ঠাকুৰৰ এফাকি কবিতা মনত পৰিল:

'কত যে বৰণ, কত যে গন্ধ
কত যে ৰাগিনী, কত যে ছন্দ
গাঁথিয়া গাঁথিয়া কৰেছি বয়ন
বাসৰ শয়ন তব।'

ভাৰতৰ বাহিৰৰপৰা অহা বিশেষ ব্যক্তিসকলেও এজন এজনকৈ আগবাঢ়ি আহি মৰমৰ নেতাজনলৈ ফুলৰ মালা আগবঢ়াই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে। যিসকল বিদেশী ৰাষ্ট্ৰনায়ক আহিব নোৱাৰিলে, সেইসকলৰ হৈ প্ৰতিনিধিয়ে ফুলৰ মালা অৰ্পণ কৰিলে। নানাৰঙী ফুলেৰে সুসজ্জিত বাহনখন আনি সমুখত থোৱা হল। অনতিপলমে মৰমৰ নেহৰুজীৰ নশ্বৰ দেহা সুসজ্জিত বাহনত তোলা হব। এনে সময়তে ইমান পৰে নিৰ্ব্বাক হৈ চাই থকা হীৰালাল আগবাঢ়ি আহিল, হাতত এটা তেজীৰঙা গোলাপৰ কলি লৈ। হীৰালাল পণ্ডিতজীৰ পুৰাতনীয়া মালী। সুদীৰ্ঘ বাৰ বছৰ হীৰালালে পণ্ডিতজীক গোলাপৰ আধাফুলা কলি হাতত তুলি দিছিল দিনে দুবাৰকৈ। কাৰো হাক-বচন নামানি হীৰালাল আগবাঢ়ি গৈ বুকুত

আধাফুলা কলিটো গুজি দি চিঞৰি চিঞৰি কান্দি উঠিল। হীৰালালৰ চকুত হয়তো ভাহি উঠিল এখনি মুখ, যিখনি মুখে হীৰালালক কাম কৰিবলৈ আজীৱন প্ৰেৰণা যোগাইছিল।

এক বাজিবলৈ আৰু দুই মিনিটমান আছে। নেহৰুজীৰ শীতল মৃত্যু-শয্যাখন ইমান পৰে নানাৰঙী গোলাপ আৰু বগেনভিলাৰ পাহিৰে উপচি পৰিছে। তাৰ মাজত বগলীৰ পাখি যেন বগা গাঁৰুৰ ওপৰত মৰমৰ নেতাজনৰ প্ৰশান্ত মুখখন জিলিকি আছে। সেই প্ৰশান্ত মুখমণ্ডলত কোনো ক্ষোভ নাই, কোনো বিদ্বেষ নাই। এফালে গীতা পাঠৰ ধ্বনিয়ে চৌদিশ মুখৰিত হৈ উঠিছে। আনফালে ৰামধুন গীত চলিছে, অবিৰাম গতিৰে। ৰোমান কেথলিক্ পুৰোহিত আৰু সন্ন্যাসিনীসকলেও হাতযোৰ কৰি চকু মুদি গাইছে পণ্ডিতজীৰ প্ৰিয় দুটি প্ৰাৰ্থনা গীত,—'Abide with me' আৰু 'Lead kindly light.'

ইয়াৰ পাছত আৰম্ভ হল মহামানৱজনাৰ শেষ যাত্ৰা। যি পথেদি তেওঁৰ নশ্বৰ দেহা কঢ়িয়াই লৈ যোৱা সুসজ্জিত বাহনখন আগুৱাই গল, সেই পথ অন্ধকাৰ হৈ ৰল চিৰদিনৰ বাবে। সমবেত বন্ধু-বান্ধৱ, আত্মীয়-স্বজন সকলো কান্দি উঠিল। আৰু উচুপি উচুপি কান্দি উঠিল ককাকৰ অতি মৰমৰ ধন সঞ্জয়ে। মহিমাময়ী মাতৃয়ে তেওঁক সাবটি ধৰি বুজনি দিলে। গীতা পাঠৰ ধ্বনি দুগুণে উচ্চাৰিত হল। ৰামধুন গীতে আকাশ কঁপাই তুলিলে। ধীৰে ধীৰে আগবাঢ়ি গল মহামানৱৰ শেষ যাত্ৰাৰ সমদল।

এইযাত্ৰাৰ সমদল বাপুজীৰ সমাধিস্থলীৰ ওচৰ পাওঁতে তিনি ঘণ্টা সময় লাগিছিল। দুমাইল জোৰা বাটৰ দুয়োকাষে সমবেত হোৱা জনতাই পুষ্পাঞ্জলিৰে শ্ৰদ্ধা জ্ঞাপন কৰিলে। বাপুজীৰ সমাধিস্থানৰ ওচৰত সেয়া এক অভূতপূৰ্ব্ব দৃশ্য—যি দৃশ্য কল্পনাতীত। এখন বিশাল জনসমুদ্ৰ। দিগন্তপ্ৰসাৰী এই সাগৰ যেন বিয়পি পৰিছে। বাটৰ দুয়োকাষৰ উপৰিও গছ-গছনি, মানুহৰ বাসস্থানৰ ওপৰত

ক'তো এটা তিল পৰিবলৈ ঠাই নোহোৱাকৈ জনতা বৈ আছে, নিৰ্ব্বাক, নিষ্পলক হৈ।

সময় ঠিক চাৰি বাজিছে। পণ্ডিতজীৰ নশ্বৰ দেহা কঢ়িয়াই অনা বাহনখন সমাধিৰ কাৰণে প্ৰস্তুত কৰা বেদীৰ কাষ চপোৱা হ'ল। অদূৰত মৃদু ধ্বনিৰে সৈনিকৰ ড্ৰাম বাজিল। লাখ লাখ জনতাই থোকাথুকি মাতেৰে ৰামধুন গাবলৈ ধৰিলে। পুৰোহিতে একেবাহে বৈদিক মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে। মন্ত্ৰোচ্চাৰণ আৰু ৰামধুন গীতৰ ধ্বনিয়ে শোকাকুল জনতাক ধৈৰ্য্য ধৰিবলৈ শক্তি দিলে। লাহে লাহে পণ্ডিতজীৰ দেহা বাহনৰপৰা নমাই আনি বেদীত তোলা হ'ল। জনতা থিৰেৰে আৰু ৰব নোৱাৰিলে। কান্দোনৰ ৰোল ভাহি আহিল কেউদিশৰপৰা। পুৰোহিতে সঞ্জয়ক ককাকৰ মূৰ-শিতানৰ পিনে লৈ গ'ল। পুৰোহিতৰ নিৰ্দ্দেশ অনুযায়ী সঞ্জয়ে দুয়োখন হাত যোৰ কৰি ককাকৰ বুকুৰ ওপৰত থ'লে। তাৰপিছত আকৌ হাতযোৰ কৰি নিজে পুৰোহিতৰ সৈতে মন্ত্ৰ মাতিবলৈ ধৰিলে। এডাল এডালকৈ চন্দনকাঠৰ খৰি পণ্ডিতজীৰ নশ্বৰ দেহাৰ ওপৰত জাপি দিয়া হ'ল। লাহে লাহে চন্দনকাঠে মহামানৱজনাক ঢাকি পেলালে।

অৱশেষত সেই প্ৰশান্ত মুখমণ্ডলো মানুহৰ চকুৰ দৃষ্টিৰপৰা হেৰাই গ'ল। হেৰাই গ'ল সেই প্ৰশান্ত সৌম্য মুখমণ্ডল চিৰকালৰ বাবে। জনতাৰ মাজত কান্দোনৰ ৰোল উঠিল। লাহে লাহে আগবাঢ়ি আহিল ইন্দিৰা। সেই শান্ত নাৰী-মূৰ্ত্তি প্ৰথমবাৰৰ বাবে বিচলিত হ'ল। ঘিউসনা চন্দনকাঠ এডোখৰ দেউতাকৰ বুকুত জাপি দিওঁতে ইন্দিৰা থিৰেৰে ৰব নোৱাৰিলে। শাৰীৰ আঁচলেৰে চকুপানী টুকি আগবাঢ়ি গ'ল দেউতাকৰ মূৰ-শিতানৰ পিনে। অলপ হেলনীয়া হৈ অস্ফুট কণ্ঠেৰে উচ্চাৰণ কৰিলে: "বিদায়, পাপু বিদায়।" পেহীয়েক বিজয়লক্ষ্মী পণ্ডিত আহি তেওঁক আঁকোৱালি ধৰি আঁতৰাই লৈ গ'ল। ইয়াৰ পিছত এজন এজনকৈ আত্মীয়-স্বজন,

বন্ধু-বান্ধৱে আহি চন্দনকাঠৰ খৰি একোডোখৰকৈ চিতাত জাপি দি মহান ব্যক্তিজনাৰপৰা শেষ বিদায় মাগিলে। লগে লগে ফুল বৰষিবলৈ ধৰিলে। বৈদিক মন্ত্ৰ উচ্চাৰিত হল, ৰামধুন গীত ধ্বনিত হল। জনতাৰ মাজত কান্দোনৰ ৰোল উঠিল।

তেতিয়া পাঁচ বাজিবলৈ পঁচিশ মিনিট বাকী। পুৰোহিতে সঞ্জয়ৰ হাতত দিলে এডোখৰ প্ৰজ্বলিত চন্দনকাঠ। সঞ্জয়ৰ হাত কঁপি উঠিল। কঁপা কঁপা হাতেৰে সঞ্জয়ে ককাকৰ চিতাত অগ্নি সংযোগ কৰিলে। জনতাৰ মাজত কান্দোনৰ পাৰ ভাগিল। জনতাৰ মাজত ধ্বনিত হল: "চাচা নেহৰু অমৰ ৰহে।"

চকুৰ পচাৰতে লেলিহান অগ্নিশিখাই পণ্ডিতজীৰ নশ্বৰ দেহা আৱৰি ধৰিলে। দুৰ্ব্বাৰ গতিৰে জুইকুৰা উৰ্দ্ধমুখী হল আকাশৰ পিনে। সকলোৱে চকু মুদি প্ৰাৰ্থনা কৰিলে এই নিষ্ঠুৰ বাস্তৱৰ সম্মুখীন হবলৈ শক্তি বিচাৰি, ভগৱানৰ ওচৰত।

কালৰ বুকুত এজন মহাপুৰুষৰ অৱসান ঘটিল। লগে লগে নিৰ্ব্বাপিত হল, এই এন্ধাৰ পৃথিৱীত জ্বলি থকা এগছী জুইশিখা। ৰবি ঠাকুৰৰ কবিতাৰ এষাৰি মোৰ অন্তৰত অজানিতে ধ্বনিত হল: 'ভগবান, তুমি যুগে যুগে দূত পাঠায়েছ বাৰে বাৰে দয়াহীন সংসাৰে।'

ৰবি ঠাকুৰৰ ভাষাতেই মহামানৱৰ অবিনশ্বৰ আত্মাক সুধিবৰ মন গল:

'তাই তো তোমায়
শুধাই অশ্রুজলে,
যাহাৰা তোমায় বিষাইছে বায়ু,
নিভাইছে তব আলো
তুমি কি তাদেৰ ক্ষমা কৰিয়াছ
তুমি কি বেসেছ ভালো।'

॥ নেহৰু ঃ স্মৃতিৰ পাপৰি ॥

তিনমূৰ্ত্তিৰ স্বৰ্গীয় নেহৰুৰ বাসভৱনটো জাতীয় স্মৃতিভৱন কৰা হৈছে। মহামানৱজনাৰ পৰলোকৰ বাতৰি যেতিয়া বিজুলী সঞ্চাৰে চৌদিশ বিয়পি পৰিছিল, তেতিয়া এই ভৱনলৈ জনতাৰ অবাৰিত স্ৰোত বৈছিল শেষ শ্ৰদ্ধাঞ্জলি জনাবৰ কাৰণে, সেইদিনাই সেই প্ৰখ্যাত ভৱনৰ লোহাৰ দুৱাৰখন যি খোল খালে, সেই খোলা দুৱাৰ মুকলি হৈ ৰল জনতাৰ বাবে। দিনে দিনে দূৰ-দূৰণিৰপৰা দলে দলে লোক এই পুণ্য-তীৰ্থলৈ আহিছে। মহান নেতাজনাৰ দৈনন্দিন জীৱনৰ কথা জানিবলৈ উৎসুক হৈ ইটোৰ পিছত সিটো প্ৰশ্ন কৰি তাত থকা বৰ্ষীয়াকেইজনক ব্যতিব্যস্ত কৰি তুলিছে। এইজন মানুহৰ বিষয়ে জীৱিতকালত জনসাধাৰণে যেনেকৈ জানিবলৈ, বুজিবলৈ যত্ন কৰিছিল, তেনেকৈয়ে মৃত্যুৰ পিছতো সেইজন মানুহক জানিবলৈ আৰু বুজিবলৈ অধিকভাৱে বিচাৰিছিল। জীৱিত কালত নেহৰু য'লৈকে নায়াওক লাগিলে, হেজাৰ হেজাৰ জনতা বহুদূৰ বাটকুৰি বাই তেওঁক চাবলৈ আহিছিল। আজি মৃত্যুৰ পিছত, ষোল বছৰ কাল ইটোৰ পিছত সিটো দিন অতিবাহিত কৰা এই বিৰাট প্ৰাসাদটোৰ অ'ত-ত'ত লাগি থকা স্মৃতিৰ পম বিচাৰি নিতৌ মানুহ গোট খাইছেহি। সেয়ে মানুহৰ মুখত বহুতো প্ৰশ্ন।

বৰ্ত্তমান সমগ্ৰ ভৱনটোৰেই প্ৰায় ৰাইজৰ কাৰণে মুকলি কৰা হৈছে। নেহৰুৰ শোৱনি-কোঠা আৰু ব্যক্তিগত অধ্যয়ন-কক্ষৰ উপৰিও, তেওঁৰ জীৱনৰ বিভিন্ন স্তৰত তোলা ফটো, পৃথিবীৰ অসাধাৰণ ব্যক্তিসকলৰ সাক্ষাৎ প্ৰসঙ্গত তোলা ফটো আদি সুন্দৰ-ভাৱে সজোৱা হৈ আছে। এবছৰীয়া শিশু নেহৰুৰ ফটোখন দেখিলে, ভৱিষ্যতৰ মহামানৱজন এই এধানি শিশুটোৰ আঁৰত লুকাই আছিল বুলি ভাবিব নোৱাৰি। এইদৰে প্ৰত্যেকখন ফটো চাই যাওঁতে তেওঁ জীৱনত সম্মুখীন হোৱা বহুতো অভিজ্ঞতা, বহুতো সংগ্ৰামৰ সম্ভেদ পোৱা যায়।

প্ৰকাণ্ড লোহাৰ দুৱাৰখন অতিক্ৰম কৰি আগবাঢ়ি যাওঁতে এটা ভাবে মনটো ভাৱাক্ৰান্ত কৰি তোলে—সেয়া কিবা যেন নাই নাই ভাব। বিৰাট উদ্যানখনত নিৰৱে থিয় হৈ থকা প্ৰতিজোপা গছ, প্ৰতিপাহ ফুলে, প্ৰতিপাহ গোলাপে মূক বেদনাৰে তাকেই যেন সোঁৱৰাই দিয়ে—আজি আৰু আমাৰ মাজত মৰমৰ মানুহজন নাই। বিণা বিণা লগা মনটো সামৰি আগবাঢ়োঁ বিৰাটকায় ভৱনটোৰ ফাললৈ। ভৱনৰ প্ৰথম কোঠাটোত সোমায়েই সমুখত দেখা পাওঁ পণ্ডিতজীৰ এখন মানুহজনৰ সমানেই ফটো। হাতযোৰ কৰি, নমস্কাৰ কৰি এটা মিঠা হাঁহিৰে যেন অভিবাদন জনাইছে, আমাৰ হাত দুখনো আপোনা-আপুনি যোৰ খাই যায় প্ৰতিনমস্কাৰ জনাবৰ কাৰণে। ইমান জীৱন্ত ফটোখনৰ ওচৰত বৈ মনটো কান্দি উঠে। আমি যে কি এজন মহামানৱক হেৰুৱালোঁ! সেই ফটোখন অতিক্ৰম কৰি গৈ চৌহদৰ পিছফালৰ বাৰাণ্ডাখন পাওঁ। তাত সজোৱা আছে তেওঁ জীৱিতকালত উপহাৰ পোৱা কেইটামান উল্লেখ-যোগ্য উপহাৰ। সেইখন বাৰাণ্ডাতে তেওঁৰ ইচ্ছালিপিখনৰপৰা উদ্ধৃত কৰা কেইষাৰমান উল্লেখযোগ্য কথা বিভিন্ন ভাষাত অনুদিত কৰা আছে। তাত অসমীয়া ভাষাৰ উদ্ধৃতিখিনি পঢ়ি ভাল লগাৰ লগতে এটা কথাৰ কাৰণে মনটো সেমেকি গল। বানান আৰু

শব্দৰ ভুল প্ৰয়োগে কোনোবা অনা-অসমীয়া অপৈণত হাতৰ ইঙ্গিত হে আমাক দিয়া যেন লাগিল।

তাৰপিছত নামি আহিলোঁ, তলৰ সেউজীয়া ঘাঁহনিডৰাৰ মাজৰ পকী সৰু বাটটোলৈ। দুয়োকাষে নানাৰঙী গোলাপ ফুলবোৰ ফুলি আছে। মনলৈ ভাব আহিছিল, এই গোলাপ-প্ৰেমী মানুহজনে কিমান ঠাইৰপৰানো তৰহে তৰহে গোলাপৰ সঁচ যোগাৰ নকৰিছিল! মৃত্যুৰ আগদিনাও ডেৰাডুনৰপৰা পাঁচ বিধ গোলাপৰ সঁচ জানো তেওঁ অনা নাছিল? সৰু ঠেক পকী বাটটোৰেদি আগুৱাই আহোঁতে চকুত পৰিছিল সেউজীয়া ঘাঁহনিডৰা, যেন এখন সেউজীয়া গালিচাহে। সেই সেউজীয়া ঘাঁহবোৰে এতিয়াও হয়তো মহামানৱজনাৰ পদৰেণু সাঁচি ৰাখিছে অতি নিভৃতভাৱে।

বিৰাট ভৱনটোৰ পূবফালৰ এটা সৰু কোঠা অতিক্ৰম কৰি পাওঁ এটা অফিচ। তাত পণ্ডিতজীয়ে অফিচৰ সময়ত ব্যৱহাৰ কৰা কলম, পেন্সিল, কাগজ কটা কটাৰীৰপৰা আৰম্ভ কৰি পানী খোৱা গিলাচটোলৈকে ইমান সুন্দৰকৈ সজোৱা আছে, দেখিলে ভাব হয়, এইমাত্ৰ নেহৰু আহি তাত বহি অফিচৰ কাম আৰম্ভ কৰিব।

তাৰপিছত খটখটী বগাই গৈ ওপৰ মহলত যিটো আহল-বহল কোঠালি পোৱা যায়, সেইটোৱেই আছিল পণ্ডিতজীৰ শোৱনি-কোঠা। কোঠালিলৈ সোমোৱাৰ আগতে চকুত পৰে বেৰৰ সোঁফালে এখন ঘূৰণীয়া ৱাল-প্লেট। সেই প্লেটত আঁকা আছে এখন ৰঙীণ ছবি, দুপাহ গোলাপৰ। অতি কম সাজ-সজ্জাৰে পৰিপাটি কোঠালিটো, নেহৰুৱে শেষ নিশ্বাস পেলোৱা সেই চাপৰ পালেংখন, ঠিক তেনেকৈয়ে পৰিপাটিকৈ সজোৱা আছে। পালেঙৰ সোঁফালে এখন টেবুলত এখন সৰু গীতা, দুখনমান কিতাপ, এটা এলাৰ্ম ঘড়ী, এটা টেবুল লেম্প দেখিলোঁ। তাৰ ওচৰতে নেহৰুৱে নিতৌ ব্যৱহাৰ কৰা ফাউণ্টেন পেনটো সযতনে থোৱা আছে। কলমটো দেখি মনতে ভাব হল, এইটো কলমেৰেই কিমান আন্তৰ্জাতিক

চুক্তিত মানুহজনে চহী কৰিলে। এইটো কলমেৰেই কিমান কবিতা টুকি থলে। নেহৰুৱে নিজেই আত্মজীৱন চৰিতত কৈছে: "ভাল লগা কবিতা মই সদায়েই টুকি থওঁ।" এইটো কলমেৰেই ৰবাৰ্ট ফ্ৰষ্টৰ এই মনোৰম কবিতাফাকি টুকি থৈছিল:

'The woods are lovely
dark and deep
But I have promises to keep,
And miles to go before I sleep
And miles to go before I sleep.'

আজি এইটো কলমেই অৱহেলিত হৈ পৰি আছে। সেই মনোৰম আঙুলিৰ পৰশ আজি কেনিবা হেৰাই গল। ···মৃত্যুৰ আগদিনা নিশা শুবলৈ যাওঁতে খুলি থোৱা হাতঘড়ীটো ঠিক সেইদৰেই সেই ঠাইতে আছে। ঘড়ীটোৰ কাঁটাকেইডাললৈ লক্ষ্য কৰি কোনে আজি শোৱাপাটী এৰি আহিব? শোৱাপাটীখনো তেনেকৈয়ে উদং হৈ পৰি আছে, তাতো নেহৰু নাই। মনটোৱে মানুহক বহুতো সময়ত প্ৰতাৰণা কৰে। মোকো সেই মুহূৰ্ত্তত প্ৰতাৰণা কৰিলে। টেবুলৰ ওপৰত কেইখন কি কি কিতাপ আছিল, চাবলৈ পাহৰিলোঁ। মৃত্যুৰ আগদিনা দুপৰনিশালৈকে কাম কৰি কৰি শ্ৰান্ত দেহেৰে যেতিয়া শেতেলিত বাগৰ দিছিল, তেতিয়া হয়তো টেবুল লাইটটো জ্বলাই লৈ টোপনি নহালৈকে সেই কিতাপকেইখনৰ কোনোবা এখন লৈ চকু ফুৰাইছিল। অকলশৰীয়া নেহৰুৰ জীৱনত কিতাপেই আছিল পৰম বান্ধৱ।

কোঠালিটোৰ ভৰি-পথানৰ পিনে এখন গাদী থকা আৰামী-চকী, ওচৰত এখন টেবুল। টেবুলৰ ওপৰত এটা লাইট, আৰু দুটা ফাইল। ফাইলকেইটাৰ ওচৰত সোণোৱালী চিগাৰেট লাইটাৰ আৰু এশ্ ট্ৰে এখন। নেহৰুৱে কেতিয়াও জনসাধাৰণৰ আগত

চিগাৰেট নাখাইছিল। তেওঁ এবাৰ নিজেই কৈছিল: "I dislike smoking in public"........কোঠালিটোৰ আন এটা কোণত এখন গাদী থকা চোফা আৰু দুখন গাদী থকা চকী। বেৰত দুখনমান ছবি, এখন কমলা নেহৰুৰ। পণ্ডিতজীৰ আত্মজীৱনীৰ উচৰ্গাৰ ভাষাতে: "Who is no more." আনফালে ভনীয়েক বিজয়লক্ষ্মী পণ্ডিতৰ এখন ফটো। দেৱালৰ গাতে লগাকৈ এখন সৰু বুক-চেল্‌ফো আছে। তাত হয়তো তেওঁৰ অতি প্ৰয়োজনীয় কিতাপবোৰহে থৈছিল। ইয়াৰোপৰি মডাৰ্ণ আৰ্টৰ দুখন ছবিও বেৰত আঁৰা আছে। এইখিনি বস্তুৰেই পণ্ডিত নেহৰুৰ শোৱনি-কোঠাৰ পৰিবেশ! এনে এটা পৰিবেশে মানুহৰ মন বেদনাম্লান কৰি তোলাটো তেনেই স্বাভাৱিক।

শয়ন-কক্ষৰপৰা ওলায়েই দীঘল কৰিডৰটো, দুয়োকাষে শাৰী শাৰীকৈ থোৱা আছে চেল্‌ফবোৰ। সেই চেল্‌ফত অলেখ কিতাপ। চেল্‌ফৰ ওপৰত দুই-এটা শিল্পৰ কাৰু-কাৰ্য্য সযতনে থোৱা আছে। তাৰ ভিতৰত চন্দনকাঠেৰে নিৰ্ম্মিত অজন্তা-ইলোৰাৰ শিল্প-কাৰু-কাৰ্য্য উল্লেখযোগ্য। দীঘল কৰিডৰটোৰ বাঁওপিনে আগুৱাই গৈ সোঁফালে যিটো কোঠালি পোৱা যায়, সেইটোৱেই নেহৰুৰ ব্যক্তিগত অধ্যয়ন-কক্ষ। আহল-বহল কক্ষটোৰ অধিকাংশ কিতাপৰ আলমাৰিয়ে আগুৰি আছে। অধ্যয়ন-কক্ষটোৰ দুৱাৰডলিত ভৰি দিওঁতেই চকুত পৰিল এখন বুক-চেল্‌ফৰ ওপৰত সজোৱা আছে, এহাতে এটি পিতলৰ বুদ্ধমূৰ্ত্তি, আনহাতে বাপুজীৰ এখন ফটো। আন এখন চেল্‌ফত সজোৱা আছে, পণ্ডিতজী আৰু ৰফী আহমদ কিডৱাইৰ এখন ফটো। মা আনন্দময়ীৰ এখনি মোহনীয় ছবিও চকুত পৰিল। তাৰোপৰি দুখন আকৰ্ষণীয় ফটো, এখন পণ্ডিতজী আৰু আবদুল গফৰ খাঁ আৰু আনখন মৌলানা আজাদৰ সৈতে তোলা পণ্ডিতজীৰ ফটো।

অধ্যয়ন-কক্ষৰ সোঁমাজত পূৰমুৱাকৈ এখন টেবুল। টেবুলৰ ওপৰৰ ধুনীয়া ফুলদানিটোত এতিয়াও হীৰালালে বাগিচাৰণীৰা বাছি বাছি জাকত-জিলিকা গোলাপৰ থোপা আনি সজাই থৈছে। নিতৌ ৰাতিপুৱা বাহী ফুলখিনি আঁতৰাই নতুন ফুল সজাই দিয়েছি হীৰালালে। সেই টেবুলত আৰু বহুতো নেহৰুৱে ব্যৱহাৰ কৰা প্ৰয়োজনীয় বস্তু চকুত পৰিল। অকণমানি 'টাইম পিচ'টো স্তব্ধ হৈ ৰৈ আছে। সোঁফালে এটি সৰু বুদ্ধমূৰ্ত্তি। বুদ্ধমূৰ্ত্তিটিৰ নিচেই ওচৰতে কণ কণ দুখনমান পুথি। পুথিকেইখনৰ আটাইতকৈ ওপৰত থকাখন গীতা, এটা জুইশলা বাকচৰ সমান আকৃতিৰ অকণমানি গীতাখন। তাৰ তলত থকা পুথিখন হল কোৰাণ চৰিফ। সৰ্ব্বশেষৰখন বাইবেল। এই তিনিওখন বিভিন্ন ধৰ্ম্মৰ পুথি তেওঁ সদায় পঢ়িছিল নেকি বুলি সোধাত, তাত থকা ৰখীয়াজনে কলে: "সদায় যে পণ্ডিতজীয়ে এইকেইখন পুথি পঢ়িছিল, সেইযাৰ কথা নহয়, অন্ততঃ মই দেখা নাছিলোঁ। কামৰ হেঁচাত শৰীৰ আৰু মনলৈ যেতিয়া অৱসাদ আহে, তেতিয়া তেওঁ তাৰে যেই কোনো এখন পুথি মেলি লৈ দহ-পোন্ধৰ মিনিট সময় পঢ়িছিল।" এইবুলি ৰখীয়াজনে আকৌ কলে: "হয়তো এই অধ্যয়নৰপৰা তেওঁ কাম কৰিবলৈ, পঢ়িবলৈ নতুন স্পৃহা গোটাব পাৰিছিল।" সৰু সৰু পুথি-কেইখনৰ ওচৰত থকা আৰু এটা বস্তু চকুত পৰিল, সেয়া হৈছে, হাতীদাঁতৰ প্লেটৰ ওপৰত খোদিত এজনা দেৱীৰ মূৰ্ত্তি। পণ্ডিতজীয়ে দেৱী উপাসনা কৰিছিল নে নাই নাজানো, কিন্তু হাতীদাঁতৰ মূৰ্ত্তিজনা অতি প্ৰাচীন যেন অনুমান হল। অধ্যয়ন-কক্ষৰ টেবুলৰ ওপৰৰ এইখিনিয়েই উল্লেখযোগ্য বস্তু। টেবুলৰ ওচৰত সজোৱা আছে এখন গাদী থকা চকী, সোঁফালে আন এখন সৰু টেবুল। সেইখন টেবুলত দুখনমান ফাইল থোৱা আছে। তাৰ সমুখত আন এখন চকী। এই অধ্যয়ন-কক্ষতে বহি ব্যক্তিগত সকলো চিঠি-পত্ৰ তেওঁ লেখিছিল। এখন এখনকৈ চিঠিবোৰ খুলি, তাৰ উত্তৰ নেহৰুৱে

মুখেৰে কৈ যায়, সমুখৰ চকীখনত বহি তেওঁৰ ব্যক্তিগত চেক্রেটাৰীয়ে চিঠিৰ উত্তৰ টুকি লয়। তাৰপিছত টাইপ কৰি ৰাতিপুৱা চাহ খোৱাৰ পিছতে আনি নেহৰুৰ সম্মুখত দিয়েহি, তেওঁৰ হাতৰ চহীৰ কাৰণে। এইদৰে কাম কৰোঁতে কৰোঁতে কোনোবা নিশা বহুতো পলম হৈ যায়। নেহৰু নিৰুপায় হৈ পৰে। এফালে চিঠিৰ দ'ম, সেইবোৰৰ উত্তৰ নিশাতে প্ৰস্তুত নকৰিলে উপায় নাই। আনফালে নিশা এডোখৰলৈকে চিঠিৰ উত্তৰ টুকি লবলৈ এজন মানুহক বহুৱাই থোৱা, এইষাৰ কথাই নেহৰুৰ মনত বাৰে বাৰে আঘাত কৰিছিল। সেইকাৰণেই হয়তো তেওঁ বাৰে বাৰে মানুহজনক কৈছিল: "বহুত দেৰ্ হো গয়া। মুঝে মাফ্ কৰ্না।" এইখিনি কথা অধ্যয়ন-কক্ষত থকা মানুহজনেই আমাক কৈছিল। লগতে কৈছিল: "এনে এজন মানুহ, তেওঁৰেই আলপৈচান ধৰিবলৈ আমি ইমানবোৰ ইয়াত আছিলোঁ, তথাপি পণ্ডিতজীয়ে আমাক আহুকাল দিয়া হব বুলি নিজে অযথা ব্যগ্র হৈ পৰিছিল। দুই মিনিটৰ কাৰণে কোঠালিটোৰ-পৰা ওলাই গলেও নিজ হাতেৰে সেই কোঠালিৰ ফেন, লাইট বন্ধ কৰিবলৈ তেওঁ কেতিয়াও নাপাহৰিছিল।" মানুহজনে আৰু কৈছিল: "ষোল বছৰ পণ্ডিতজীৰ লগত অতি নিবিড়ভাৱে কটালোঁ, কিন্তু কোনোদিনে কাবোবাক কটু-কথা কোৱা মুশুনিলোঁ। তেওঁৰ ওচৰত সৰুৰেই হওক বা ডাঙৰেই হওক, সদায় নিজৰ কথাতকৈ আনৰ কথা হে বেছিকৈ ভাবিছিল।"

মানুহজনৰ এই কথাবোৰ শুনি থকা অৱস্থাতেই, ব্যক্তিগত অধ্যয়ন-কক্ষটোৰ ইমূৰৰপৰা সিমূৰলৈ চকু ফুৰাইছিলোঁ। সৰহভাগ সময় দৃষ্টি মোৰ নিবদ্ধ আছিল কিতাপৰ আলমাৰিকেইটাৰ ওপৰত। কোঠালিটোৰ দেৱালৰ গাতে লাগি থকা প্ৰকাণ্ড ওখ আলমাৰিটো কিতাপেৰে ভৰপূৰ হৈ আছে। ধৰ্ম্ম, সাহিত্য, ৰাজনীতি, দৰ্শন, বিজ্ঞানৰ অলেখ কিতাপ। আইনাৰ ফ্রেমেৰে বান্ধি থোৱা এখন যেন জ্ঞানৰ সাগৰ।

নেহৰুৱে সকলো ধৰণৰ কিতাপ পঢ়িছিল। তেওঁৰ কাৰণে জ্ঞানৰ সীমাবিভাগ নাছিল। ইয়াৰ প্ৰমাণ বিচাৰি সৰহদূৰ যাব নালাগে। তেওঁ লেখা কিতাপবোৰ পঢ়িলেই প্ৰমাণ জল্‌জল্-পট্-পট্‌কৈ ওলাই পৰিব। এই কিতাপবোৰৰ মাজত মডাৰ্ণ আৰ্টৰ কিতাপ দেখিছিলোঁ। আনকি পোলেণ্ডৰ লোক-শিল্পৰ কিতাপো দেখিছিলোঁ। সেইদৰে চীনদেশৰ বিষয়েও ভালেমান কিতাপ আছে। জুলচ্ কছ্‌লভৰ 'দি ক্ৰেমলীন্', ষ্ট্ৰেছীৰ 'অন্ দি পেভ্‌মেণ্ট্ অব্ ৱাৰ', কে. এম. পানিকৰৰ 'এনট্ৰেঞ্চ অব্ লিবাৰেলিজম্', পলৰ 'দি এইজ অব্ টেৰৰ', ইত্যাদি জাকত-জিলিকা কিতাপ দেখাৰ উপৰিও বেদৰো কেইখনমান ডাঙৰ ডাঙৰ সংস্কৰণ দেখিছিলোঁ। লগতে সেই ব্যক্তিগত অধ্যয়ন-কক্ষত দেখি ভাল লাগিছিল এজন অসমীয়া লেখকৰ দুখন কিতাপ। 'The Red River and the Blue Hill' আৰু 'Idle hours'.

এই লাইব্ৰেৰীটোৰপৰাই ধৰিব পাৰি তাহানি জন গ্ৰান্থাৰে কোৱা নেহৰুৰ বিস্তৃত অধ্যয়নৰ কথা। ইমান বিস্তৃত যে স্তম্ভিত নহৈ উপায় নাই। নেহৰুৱে বৰ্ত্তমানৰ বিষয়ে কিতাপ পঢ়িছিল। লগতে প্ৰাচীন কিতাপো পঢ়িছিল। কাৰণ তেওঁ জানিছিল যে অতীতক নুবুজিলে বৰ্ত্তমানক বুজাটো অসম্ভৱ। অতীত আৰু বৰ্ত্তমান, উভয়কে উপলব্ধি কৰিব নোৱাৰিলে, ভবিষ্যতৰ বিষয়ে সুঠাম স্বপ্ন দেখাটো সম্ভৱপৰ নহয়। নেহৰুৱে নিজেই The Discovery of Indiaত কৈছিল, "The past……fills me sometimes with its warmth, when it touches on the present and becomes as it were, an aspect of that living present."

নেহৰুৰ কোনো কথাতে গোড়ামি নাছিল। কিতাপ পঢ়াৰ ক্ষেত্ৰতো এই গোড়ামি নাছিল। কাৰণ কিতাপৰ জাত-কুল তেওঁ

কেতিয়াও নিবিচাবিছিল। বিবিধ বিষয়ব কিতাপেবে ঠাহ খাই থকা ব্যক্তিগত এই লাইব্রেবীটো দেখিলে এইষাব কথাই বাবে বাবে দোলা দি যায়। এই কিতাপবোৰ, কবিগুৰু ৰবীন্দ্ৰনাথৰ ভাষাতে যেন:

'শুধু তাহা সদ্যস্নাত ঋতুশুভ্ৰ
মুক্ত জীবনেৰ জয়ধ্বনিময়।'

★ ★ ★

চিনাকি

: আমাৰ প্ৰকাশিত সাহিত্য-সম্ভাৰ :

অণু বৰুৱা :

॥ দিল্লীৰ ডুখৰীয়া ছবি ॥

হেম বৰুৱা :

॥ ইজৰাইল ॥

॥ মন ময়ূৰী ॥

॥ আঁচুফুল ॥

পদ্ম বৰকটকী :

॥ জীৱন এষণা ॥

॥ ৰীতাৰ প্ৰেম ॥

॥ কোনো খেদ নাই ॥

হোমেন বৰগোহাঞি :

॥ বিভিন্ন নৰক ॥

॥ গল্প আৰু নক্সা ॥

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য :

॥ শতঘ্নী ॥

ৰমা দাশ :

॥ জাহ্নৱী ॥

কুমাৰ কিশোৰ :

॥ ৰং আৰু ৰেখা ॥

নিৰোদ চৌধুৰী :

॥ নিশিগন্ধা ॥

মহেন্দ্ৰ বৰঠাকুৰ :

॥ উদাসী সন্ধ্যা ॥

উমেশ দত্ত :

॥ বিপ্লৱী হৰদত্ত ॥ (নাটক)

নিৰুপমা বৰগোহাঞি :

॥ এজন বুঢ়া মানুহ ॥

আবদুল মালিক :

॥ আধাৰশিলা ॥

॥ বহুত বেদনা, এটোপা চকুলো ॥

॥ ৰজনীগন্ধাৰ চকুলো ॥

॥ বনজুই ॥

॥ স্বাক্ষৰ ॥

॥ পৰশ-মণি ॥

॥ জীয়া-জুৰিৰ ঘাট ॥

॥ ৰূপতীৰ্থৰ যাত্ৰী [১ম খণ্ড] ॥

॥ ৰূপতীৰ্থৰ যাত্ৰী [২য় খণ্ড] ॥

॥ শিল আৰু শিখা ॥

লক্ষ্মীনন্দন বৰা :

॥ ছাঁ-জুইৰ পোহৰত ॥

॥ মাজত তৃষাৰে নৈ ॥

॥ গঙা-চিলনীৰ পাখি ॥

॥ নিশাৰ পূৰবী ॥

॥ অচিন কইনা ॥

তিলক দাস :

॥ এই ৰং এই সুৰভি ॥

হেমলতা বৰা :

॥ সেউজীয়া পাহাৰৰ মাজে মাজে ॥

প্ৰেমধৰ দত্ত :

॥ শঙ্কৰদেৱৰ সাধু ॥

॥ মিত্ৰ এজেঞ্চি এণ্ড কোং ॥ তিনিচুকীয়া ॥ অসম ॥